সাহোন
২০১২
(কপৌফুল সংখ্যা)
সম্পাদক
পলাশ বৰুৱা

বৃহত্তৰ ৰুক্মিণী নগৰ ঊনত্ৰিংশতিতম্ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকলৰ একাংশ-২০১২ চন

Parag Jyoti Gogoi
Rukmini Nagar, Wirless
Dispur, Ghy-6

সাহেন

(কপৌফুল সংখ্যা)

বৃহত্তৰ ৰুক্মিণী নগৰ ঊনত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা

৩০ চ'ত আৰু ১ ব'হাগ

শুক্ৰবাৰ আৰু শনিবাৰ

(ইং ১৩ আৰু ১৪ এপ্ৰিল, ২০১২ চন)

BRIHATTAR RUKMINI NAGAR SOCIO-CULTURAL CENTRE

ৰঙালী বিহুৰ শুভেচ্ছা আৰু নতুন বছৰৰ ওলগ জনাই ....

প্ৰতি,

....

....

বিহুৰ সেৱাৰে—

ধৰ্মেশ্বৰ সোণোৱাল
সভাপতি

পলাশ বৰুৱা
সম্পাদক

স্মৰণিকা সম্পাদনা সমিতি

SANOON: *Souvenir of Brihattar Rukmini Nagar Bihu Sanmilan, Guwahati-6, Editor Palash Barua, Published by : Brihattar Rukmini Nagar Bihu Udjapan Samittee.*

সাহোন (কপৌফুল সংখ্যা)

প্ৰকাশ ঃ ১৩ এপ্ৰিল, ২০১২ খ্ৰীষ্টাব্দ

২৯ তম্ সমাৰোহ

সম্পাদনা সমিতি

উপদেষ্টাদ্বয়	ঃ	শ্ৰীযুত নিৰ্ম্মল দত্ত। শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ
সভাপতি	ঃ	শ্ৰীধৰ্মেশ্বৰ সোণোৱাল
সম্পাদক	ঃ	শ্ৰীপলাশ বৰুৱা
সহকাৰী সম্পাদক	ঃ	শ্ৰীমৃণাল বৈশ্য
সদস্য	ঃ	সৰ্বশ্ৰী ৰাতুল দাস, সুৰেশ বৈশ্য, মানসী দাস, সূবৰ্ণ হাজৰিকা
প্ৰকাশক	ঃ	বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি, গুৱাহাটী-৭৮১০০৬
বেটুপাত	ঃ	নৰ আৰু পদ্ম
মুদ্ৰণ	ঃ	পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, কাহিলীপাৰা পথ, গুৱাহাটী-৬
অৰিহণা	ঃ	২০.০০ টকা

কৃতজ্ঞতা

বৃহত্তৰ ৰুক্মিণীনগৰ বিহু সন্মিলনৰ বিষয়ববীয়া, সদস্য/সদস্যাবৃন্দ

আৰু

পেচিফিক্ লেজাৰ প্ৰিণ্টচৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দলৈ



ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে কোটি কোটি কণ্ঠে
গায় সৱে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।

ৰচনা ঃ সুৰশিল্পী পুৰুষোত্তম দাস (১৯৫২)

শ্ৰদ্ধাঞ্জলি



ঁচাৰু গোঁহাই

ঁকমলা বড়ো



ঁদেৱ বাহাদুৰ চেত্ৰী

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনীৰ তৰফৰ পৰা
শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলো

শুভেচ্ছাবাণী

Naba Kumar Das, I.A.S.
Chief Secretary

GOVERNMENT OF ASSAM
Block - 'C' - 3rd floor
Assam Sachivalaya,
Dispur, Guwahati - 781 006
Tel.: 0361-2261120(O)
2261403(O)
2260900(Fax)
E-mail : nk.das@nic.in
cs-assam@nic.in

শুভেচ্ছাবাণী

বিগত ১৯৮৩ চনৰ পৰা ৰঙালী বিহু উদ্‌যাপন কৰি অহা বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে এইবেলি দুদিনীয়া কাৰ্যসূচীৰে অহা ৩০ চ'ত আৰু ১ বহাগ তাৰিখে চেনেহৰ ৰঙালী বিহুটি অনুষ্ঠিত কৰিবলৈ যোঁ-জা কৰা বুলি জানি অতি সুখী হৈছো।

সন্মিলনীখনিয়ে ঊনত্ৰিংশতিতম্ বছৰত ভৰি দিবলৈ ওলোৱাত জয়জয়তে মই বৃহত্তৰ ৰুক্মিণী নগৰ অঞ্চলৰ সমূহ বিহুপ্ৰেমী ৰাইজলৈ অভিনন্দন যাঁচিলো। বিহু আচলতে কৃষি ভিত্তিক জাতীয় উৎসৱ। বহাগ বিহু বং আৰু আনন্দৰ উৎসৱ। সেয়ে ইয়াক ৰঙালী বিহু বুলি কোৱা হয়। দৰাচলতে, বিহু শান্তি, শক্তি আৰু মুক্তিৰ প্ৰতীক। সচৰাচৰ বসন্ত কালত প্ৰকৃতিৰ দেহ-মন মতলীয়া কৰা পৰিবেশত বহাগ বিহু পালন কৰা হয়। পৰ্বত-ভৈয়াম একাকাৰ কৰা বিহুৱে বৰলুইতৰ পাৰৰ সকলো জনগোষ্ঠীক আঁকোৱালি সমন্বয়ৰ ভেটি টনকিয়াল কৰিছে। সময়ৰ পৰিবৰ্তনৰ লগে লগে বিহু সলনি হৈছে। অতীতৰ পথাৰৰ বিহু বৰ্তমান মঞ্চলৈ আহিছে।

এইখিনিতে মই বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোক্তাসকললৈ ৰঙালী বিহু আৰু নৱবৰ্ষৰ আন্তৰিক ওলগ আৰু শুভেচ্ছা জনালো। বিহুৰ লগতে সংগতি ৰাখি প্ৰকাশ কৰিবলৈ লোৱা সন্মিলনীখনিৰ মুখপত্ৰ সাহোনে বিভিন্ন জাতি-জনজাতিৰ বৰ্ণাঢ্য সংস্কৃতিৰ কৰণি সদৃশ হৈ বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া অধিক গতিশীল কৰি তুলিব বুলি আশা কৰিলো।

(নৱ কুমাৰ দাস)
মুখ্য সচিব, অসম



আলোচনী
সম্পাদকৰ একলম

"দূৰ ফাগুনী পছোৱাই
উলাহেৰে ধূলিৰ ফাকু সানি যায়
গছে-বনে ফুলে-পাতে
তুমি অহা বাতৰি বিলায়।"

এনেদৰেই যেন বসন্ত নামি আহে ধৰাৰ বুকুলৈ সুদীৰ্ঘ এক অপেক্ষাৰ সমাপ্তিত। বুকুত বান্ধি লৈ মৰমৰ এটি মেটমৰা টোপোলা, বসন্ত ঋতুৱে প্ৰেয়সী প্ৰকৃতিক উলাহেৰে সাৱটি ধৰেহি। ৰঙ-বিৰঙী এখন ফুলাম চাদৰেৰে মেৰিয়ায়। বসন্তৰ পৰশত প্ৰকৃতি হৈ উঠে আৰু অধিক লাৱনী, চঞ্চলা আৰু প্ৰাণভৰা। আনন্দত বিভোৰ, আত্মহাৰা তাই ক'লা চুলিটাৰি মেলি উলাহেৰে নাচি-বাগি মতলীয়া হয়। কুলি-কেতেকীয়ে স্বৰধ্বনি বিচাৰি পায়। ৰঙৰ মেলা পাতি ফুলৰ পাহিয়ে সুবাসৰ মৌ-কোঁহ যাঁচি যায়। শুভমিলনৰ এই অপূৰ্ব ক্ষণত ধৰাৰ নৈসৰ্গিক সুন্দৰতাৰ বিৱৰণ, যিমানেই ক'ব খোজো, দুটি যেন শব্দ তথাপিও বাকী ৰৈ যায়।

গছে -পাতে সেউজ ৰহণ সানি বসন্তই আনিছে ব'হাগ অহাৰ বাতৰি। বৰদৈচিলাই দিছেহি বিহু অহাৰ বাতৰি। বিহুটি কেৱল আমাৰ বাপতি-সাহোন নহয়। ই অসমীয়া জাতিৰ অস্তিত্বৰ পৰিচায়ক, আমাৰ চিৰ প্ৰৱহমান সংস্কৃতিৰ ধ্বজাবাহক। বিহুটিয়ে আমাক দিয়ে জীৱনক ভালপোৱাৰ মন্ত্ৰ। সকলো দুখ-গ্লানি পাহৰাই এই মৰতত বিহুটিয়ে আমাক যাঁচে আত্মগৌৰৱৰ প্ৰৱণতা, উৎসাহ-উদ্যমৰ প্ৰাচুৰ্যতা। বিশ্বদৰবাৰত এই বিহুটিয়ে সমগ্ৰ অসমীয়া জাতিটোক দিছে এক সুকীয়া বৈশিষ্ট্যতা, এক অনন্য পৰিচয়।

তথাপিও ভাব হয়, উলাহ-আনন্দেৰে বিহুটিয়ে শিকোৱা একতাৰ পাঠ আজি যেন আমি বৃহত্তৰ অসমীয়াই বুজিও নুবুজাৰ দৰে আচৰণ কৰিছো। পাৰ্থিৱ সুখৰ নিৰ্লিপ্ততাত আমি পৰস্পৰৰ পৰা ক্ৰমে আঁতৰি আহিছো। নিজৰেই বুকুৰ কুটুম, সহোদৰ হৈও আমি ইজনে-সিজনৰ বিৰুদ্ধাচৰণ কৰিছো। কেৱল মাথোঁ মুখাবয়ব, ভাষা-ভিন্নতা, ধৰ্ম আৰু ৰীতি-নীতিৰ দোহাই দি বৃহত্তৰ জাতিটোৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাৰ পৰা হাত সাৰি অহৰহ মাথোঁ চেলু বিচাৰি ফুৰিছো। কিয়? আমাৰ সময় নাই। শ্ৰেষ্ঠতাৰ দৌৰত নিজৰেই ভাই-ভনীক আমি প্ৰতিযোগী জ্ঞান কৰিছো। কিন্তু এই শ্ৰেষ্ঠতাৰ সংজ্ঞা কি? আৰু কি অৰ্থ থাকিব এনে শ্ৰেষ্ঠ হোৱাৰ, য'ত সৰলতা আৰু মানৱতাৰ তিলমানো চিন নাই। কংক্ৰিটৰ এই জটিল মেৰপাকত পৰি আমি হেৰুৱাব ধৰিছো নেকি মানুহ হোৱাৰ যোগ্যতা, বিলুপ্তিৰ পথত নেকি উদাৰতা, আত্মীয়তা আৰু মানৱীয়তা?

দেশৰ নতুন অৰ্থনৈতিক নীতিৰ দৰে আমাৰ মনত খিতাপি ল'ব ধৰা এই সংকীৰ্ণতা, আত্মকেন্দ্ৰিক মনোভাৱ আৰু জাতি-ধৰ্ম ভিত্তিত পৰম্পৰৰ মাজত দেখা দিয়া শিথিলতা, এই সকলোবোৰ ৰঙালী বিহুটিয়ে আহি ধুৱাই নিয়ক বতৰৰ প্ৰথমজাক বৰষুণ হৈ, এক স্বচ্ছ-নিকা বৃহত্তৰ অসমীয়া জাতি গঢ়ি তুলিবৰ বাবে আৰু এক বলিষ্ঠ সমাজ গঢ়িবৰ বাবে আমাক প্ৰয়োজন এনে এক মাধ্যমৰ যাৰ দ্বাৰা আমি নিজৰ ভাৱাদৰ্শ, মতামত, চিন্তাধাৰা ইত্যাদি ইজনে-সিজনৰ স'তে বিনিময় কৰিব পাৰো। এই ভাৱ-বিনিময়তাই মনৰ বন্ধ কোঠালীৰ দুৱাৰ-খিৰিকি মুকলি কৰি আমাৰ দৃষ্টিভংগী বহলাই তোলে। এনে মাধ্যমসমূহৰ ভিতৰত গ্ৰন্থ-আলোচনীসমূহে এক অগ্ৰণী ভূমিকা পালন কৰি আহিছে।

মহা-মিলনৰ এই মহান উদ্দেশ্য সৰোগত কৰি বিগত বছৰসমূহৰ দৰে এই বছৰো বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা বিহু সন্মিলনীৰ মুখপত্ৰ "সাহোন"খনি আপোনাসৱৰ আগত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোহঁক। "কপৌফুল" সংখ্যাবিশেষ সাহোনৰ এই সংস্কৰণটি বিভিন্ন প্ৰবন্ধ, গল্প, কবিতা আদিৰে সুশোভিত কৰাৰ বাবে সমূহ লেখক-লেখিকালৈ সাহোন সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শুভেচ্ছাবাণীৰে আমাৰ চেনেহৰ "সাহোন"খনিক অলংকৃত কৰাৰ বাবে অসমৰ মুখ্য সচিব মহোদয় শ্ৰীযুত নৱ কুমাৰ দাসলৈ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"সাহোন" সফল আৰু বাস্তৱ ৰূপত প্ৰকাশ কৰি উলিয়াবৰ বাবে সম্পাদনা সমিতিক অহৰ্নিশে সহায় কৰাৰ বাবে বিহু সমিতিৰ বিশ্বয়বৰীয়া আৰু সদস্যসকলৰ লগতে "পেচিফিক্ লেজাৰ প্ৰিণ্টচ্"ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

শেষত বৃহত্তৰ অসমীয়া জাতিটোৰ সাহিত্য আৰু সঙ্গীতৰ জগতখনি নিঠৰুৱা কৰি যোৱা বিশ্বৰত্ন ভূপেন হাজৰিকাদেৱ, মামনি ৰয়ছম গোস্বামী বাইদেউ আৰু চাৰু গোঁহাইদেৱৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ আৰু লগতে সমূহ ৰাইজলৈ ব'হাগ বিহুৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰিলোঁ।

শ্ৰদ্ধাৰে—
পলাশ বৰুৱা
সম্পাদক, সাহোন

সম্পাদকৰ একলম

প্ৰতিবেদনৰ দুৱাৰদলিতে আমাৰ মাজৰ পৰা হেৰাই যোৱা অসমৰ সাহিত্য-সংস্কৃতি পথাৰ খনৰ বৰেণ্য ব্যক্তিসকল আৰু বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনৰ লগত জড়িত জ্ঞাত-অজ্ঞাত লোকসকলক আন্তৰিকতাৰে সুঁৱৰিচোঁ। শ্ৰদ্ধাৰ সভাপতি মহোদয় বৃহত্তৰ ৰুক্মিণী নগৰৰ শ্ৰদ্ধাৰ বয়োজেষ্ঠ সকল, আইমাতৃসকল, মৰমৰ ভাই-ভনীসকল আৰু বন্ধু-বান্ধৱীসকল। জয় জয়তে, সভাত উপস্থিত থকা সদৌটিলৈ যোগ্যানুসাৰে মোৰ আন্তৰিক শ্ৰদ্ধা, মৰম-চেনেহ যাঁচিলো। বৃহত্তৰ ৰুক্মিণী নগৰ উনত্ৰিংশতিতম ৰঙালী বিহু সন্মিলনখনিৰ সাধাৰণ সম্পাদকৰ দৰে গধুৰ দায়িত্বভাৰ এই অভাজনৰ ওপৰত বিশ্বাসেৰে ন্যস্ত কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আপোনালোকৰ বিশ্বাসক কিমানদূৰ সফলতাৰে আগবঢ়াই নিব পাৰিলো সেয়া আপোনালোকে বিচাৰ কৰিব।

বিগত বৰ্ষবোৰৰ দৰে অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলনখনিও ৰাইজৰ সহায়-সহযোগিতাত ওলহ-সালহেৰে ১ আৰু ২ ব'হাগ (ইং ১৪ আৰু ১৫ এপ্ৰিল, ২০১১) তাৰিখত দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা হয়। উক্ত দুয়োটা দিনতেই বিভিন্ন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীয় আৰু স্থানীয় শিল্পীৰ কৃষ্টি প্ৰদৰ্শনৰওপৰিও অসমৰ বিশিষ্ট শিল্পীক আমন্ত্ৰণ কৰি আনি ৰাইজক মনোৰঞ্জন দিয়াৰ প্ৰয়াস কৰা হয়। এইখিনিতে বিভিন্ন প্ৰতিযোগিতা তথা বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিযোগী তথা শিল্পীসকললৈ মোৰ ধন্যবাদ থাকিল।

হে সুধীবৃন্দ, ৰঙালী বিহু সন্মিলনৰ লগতে সংগতি ৰাখি সন্মিলনৰ অবিচ্ছেদ্য অংগ স্বৰূপ মুখপত্ৰ 'সাহোন' প্ৰকাশৰ ব্যৱস্থা কৰা হয়। ন-পুৰণি বহু লেখাৰুৰ লেখনিৰে পুষ্ট মুখপত্ৰখনিৰ প্ৰকাশত সভাপতি/সম্পাদকৰ লগতে এই ক্ষেত্ৰত বহু কষ্ট তথা মূল্যবান সময় ব্যয় কৰা শ্ৰীযুত প্ৰদীপ গগৈ আৰু শ্ৰীযুতা পাৰুল বৰুৱালৈ মোৰ শ্ৰদ্ধাও কৃতজ্ঞতা যাঁচিলোঁ আৰু এই চেগতে লিখক-লেখিকাসকললৈও শ্ৰদ্ধা নিবেদিলো।

এইখিনিতে আপোনালোকৰ জ্ঞাতাৰ্থে বৃহত্তৰ ৰুক্মিণী নগৰ উনবিংশতিতম ৰঙালী বিহু সন্মিলনখনিৰ আয়-ব্যয়ৰ চমু খতিয়ান দাঙি ধৰিলো।

১/ সৰ্বমুঠ আয় - ৩২১৭৭৫.০০ টকা।

২/ সৰ্বমুঠ ব্যয় - ২৭৭৭১০.০০ টকা।

সম্পাদকৰ হাতত জমা - ২৭৮০.০০ টকা।

বেংকত জমা - ৪১২৮৫.০০ টকা।

সৰ্বমুঠ জমা - ৪৪০৬৫.০০ টকা।

উল্লেখ কৰো যে, আয়-ব্যয়ৰ বিস্তৃত খতিয়ান বেলেগকৈ দাঙি ধৰা হৈছে।

শ্ৰদ্ধাৰ ৰাইজ, এইবাৰ অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলনখনিৰ মণ্ডপটি বৃহত্তৰ ৰুক্মিণী নগৰৰহৈ শ্ৰীভূপিন্দৰ সিং ওৰফে কিকিয়ে দাতা হিচাপে আগবঢ়াই উৎসাহিত কৰাৰ বাবে তেওঁলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও সন্মিলনখনি সফলতাৰে উদ্‌যাপন কৰাৰ ক্ষেত্ৰত বিশেষভাৱে আৰ্থিকতাৰে সহায়ৰ হাত আগবঢ়োৱা শ্ৰীদেৱজিৎ দাস, শ্ৰীনিৰ্মল চন্দ্ৰ দত্ত, শ্ৰীপ্ৰদীপ দত্ত আৰু বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ দাতা তথা বিভিন্ন দিশত সহায় আগবঢ়োৱা ব্যক্তিসকললৈ মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা থাকিল।

অষ্টবিংশতিতম্ বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী সন্মিলনখনি পৰিচালনা কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শৰ লগতে সন্মিলনৰ সভাপতিকে প্ৰমুখ্য কৰি কৰ্মকৰ্তা ও সমূহ সদস্যই তথা ৰুক্মিণী নগৰবাসীয়ে যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে সকলোজনৰ ওচৰত মই চিৰ কৃতজ্ঞ। সদৌ শেষত, সাধাৰণ সম্পাদক হিচাবে কাৰ্যভাৰ পালন কৰোতে হোৱা ভুল-ত্ৰুতিৰ ক্ষমা বিচাৰি আৰু সম্পাদকৰ প্ৰতিবেদনত হোৱা বঢ়া-টুটাৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন।

জয়তু অসম।।

ধন্যবাদেৰে

(শ্ৰীসত্যজিৎ বৰা)
সাধাৰণ সম্পাদক
অষ্টবিংশতিতম্ বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন

সাহোনৰ কোঁহে কোঁহে

প্ৰবন্ধৰ শৰাই

- ব'হাগ বিহু ঃ ৰংঘৰৰ পৰা ৰংগমঞ্চলৈ
  - **ড° শিখামণি কোঁৱৰ** /১১
- টাই ফাকে সকলৰ উৎসৱৰ পৰম্পৰা
  - **য়ে হম বুঢ়াগোহাঁই** /১৪
- বাপতি সাহোন— 'বিহু' আৰু আনুসংগিক নিয়মাৱলী
  - **প্ৰদীপ কুমাৰ গগৈ (পদ্ম)** /১৬
- সোণোৱাল কছাৰী .... সংস্কৃতিৰ .....এভুমুকি
  - **ড° ধৰ্মেশ্বৰ সোণোৱাল** /২৬
- বিহু আৰু চাহ জনগোষ্ঠী সমাজৰ সংস্কৃতি
  - **ড°অঞ্জলি কৰ্মকাৰ ঘাটোৱাৰ** /৩০
- দেউৰী সমাজত ইবাঁকু বিচু (ৰঙালী বিহু) উদ্‌যাপন
  - **ষড়ানন দেউৰী** /৩৩
- বিহুৰ অতীত আৰু বৰ্তমান
  - **গোপেশ মজুমদাৰ** /৩৭
- কৃষ্ণধৰ্মৰ সোঁতৰ গতিধাৰা
  - **কামেশ্বৰ হাজৰিকা** /৪০

গল্প সম্ভাৰ

- অতৃপ্ত আত্মাৰ কাহিনী
  - **ৰেৱতী মোহন হাজৰিকা** /৪৫
- শিখা
  - **দীনবন্ধু বৈশ্য** /৫২
- হিয়াৰ ৰঙেৰে ৰঙিলি
  - **ড° মামনি বৰুৱা** /৫৩
- আন্দামানত কেইদিনমান
  - **নিলীমা শইকীয়া দাস** /৫৫
- অসমীয়া সাজপাৰ, সংস্কৃতিৰ অমূল্য সম্পদ
  - **স্নেহময়ী বৰঠাকুৰ** /৬০
- বিহুনামত অসমৰ নদ-নদী
  - **পাৰুল বৰুৱা** /৬২

কবিতাৰ কুঁকি

- প্ৰতিশ্ৰুতি- নতুন পুৰাৰ
  - **দেবেন্দ্ৰ নাথ তালুকদাৰ** /৬৫
- জীৱনৰ অনুভৱ
  - **সত্যব্ৰত দাস** /৬৫
- বিভীষিকা
  - **মঞ্জুলা কাকতী** /৬৬
- অভিমানী
  - **মামনী দাস** /৬৭
- নিসঙ্গ ক্ষণ
  - **ডিম্বেশ্বৰ শৰ্মা** /৬৭
- আহ্বান
  - **প্ৰতিমা বড়া** /৬৮
- ভালপাওঁ তোমাক
  - **কাকলি বৰদলৈ পাঠক** /৬৯
- আই অসমী
  - **ৰাজীৱ কুমাৰ মহন্ত** /৭০
- নিবিচৰা এক স্মৃতি
  - **দ্বীজেন গগৈ** /৭১

প্ৰবন্ধ

ব'হাগ বিহু ঃ ৰংঘৰৰ পৰা ৰংগমঞ্চলৈ

ড° শিখামণি কোঁৱৰ

বিহুৱে অসমীয়া জাতীয় জীৱনত এক এৰাব নোৱৰা স্থান দখল কৰি আছে। অতীজৰে পৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ উপাদানেৰে বিহুৱে বিৱৰ্তনৰ মাজেৰে আহি আজিৰ পৰ্যায় পাইছে। বিহু উৎসৱ কৃষিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। খেতি-বাতি আৰম্ভ কৰিবৰ সময়ত তাহানিৰে পৰা কৃষিজীৱী লোকে কিছুমান নিয়ম নিষ্ঠাৰে পালন কৰিছিল, তাৰ ভিতৰত নৃত্য-গীত, পূজা-পাতল আদিয়েই প্ৰধান। এই লোকসকলে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে নৃত্য-গীত, পূজা-অৰ্চনাৰ মাজেৰে পৃথিৱীৰ উৰ্বৰা শক্তি বাঢ়ে। সেয়ে মনৰ কথাকে গীত গাই নৃত্য কৰি পথাৰত, গছৰ তলত প্ৰকৃতিক জগাই তুলিব পাৰিলেহে প্ৰকৃতি শস্য শ্যামলা হ'ব। বসন্ত ঋতুত সেয়ে প্ৰকৃতিৰ পৰিৱৰ্তনৰ লগে লগে পাৰ ওপচাই ডেকা-গাভৰুৱে স্বাভাৱিক আবেগ-অনুভূতিৰ বশবৰ্তী হৈ নাচ-গান গাইছিল; ঢোল, পেঁপা, গগণা, সুতুলীৰ শব্দত ৰজনজনাই গৈছিল চৌদিশ। বিশেষকৈ গাঁৱৰ থলুৱা লোক-পৰম্পৰাসমূহৰ এক সৰল ছবি বিহুগীতবোৰে দাঙি ধৰিছে। পুৰুষানুক্ৰমে চলি অহা বিহুনামবোৰ ভালকৈ মন কৰিলেই বিহুৰ বিৱৰ্তনৰ ছবিখন বেছি স্পষ্ট হয়।

বিশেষকৈ ১৬৯৬ চনৰ পৰা আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনৰ পৰা বিহুৱে বিশেষ সমাদৰ পাই এক অনন্য ৰূপ লয়। ৰুদ্ৰসিংহ স্বৰ্গদেৱে থলুৱা গীত-মাতৰ চৰ্চাৰ বাবে "গায়নৰ বৰুৱা" নামে এক বিষয়ববীয়া সৃষ্টি কৰিছিল। তদুপৰি স্বৰ্গদেৱে গছৰ তলৰ বিহুক আনি ৰাজকীয়ভাৱে ৰাজধানী ৰংপুৰৰ ৰংঘৰৰ আগ পোৱাই ছিল। ঢুলীয়া, নাচনীক ৰংঘৰৰ বাকৰিত স্থান দি উৎসাহিত কৰিছিল। বিহুৰ লগত ৰজিতা খুৱাই ব'হাগত কণীযুঁজ, ম'হযুঁজ, কুকুৰা যুঁজ,

শেনযুঁজ, হাতী যুঁজ আদি খেল-ধেমালি ৰংঘৰৰ বাকৰিত অনুষ্ঠিত হৈছিল। ৰজাই ৰংঘৰৰ ওপৰত উঠি এইসমূহ উপভোগ কৰিছিল। সেই তেতিয়াৰ পৰা আহোম ৰাজ্যৰ বিভিন্ন ঠাইৰ হুঁচৰি আহি ৰজাঘৰত গোৱাৰ নিয়ম হ'ল। লাহে লাহে হুঁচৰি পদুলিমুখৰ পৰা চোতাল পালেহি আৰু সমগ্ৰ সমাজতে ৰং বিস্তাৰিত হ'ল। ৰংঘৰৰ বাকৰিৰ বিহুৰে কালক্ৰমত সকলো জাতি-জনগোষ্ঠীক সামৰি, বাৰেৰহণীয়া সাংস্কৃতিক উপাদানেৰে প্ৰাণ পাই উঠে। মধ্যযুগত ৰংপুৰ আছিল বিহু সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। ৰংপুৰ নগৰতেই ৰুদ্ৰসিংহ স্বৰ্গদেৱে বিহুক এক নতুন মাত্ৰা প্ৰদান কৰে। ৰংপুৰৰ বিহু বুলিলে সেয়ে আজিও মানুহৰ মন সাতখন-আঠখন কৰে। বৰ্তমানেও ৰংপুৰৰ বাকৰিত অতীতৰ স্মৃতি ৰোমন্থণ কৰি ব'হাগৰ প্ৰথম দিনা বিহু উদ্‌যাপিত হৈ আহিছে। ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰি বিহুৱে এক ৰাজকীয় মৰ্যাদাৰে জিলিকি উঠিল।

সেয়ে বিহুনামবোৰত স্বৰ্গদেউৰ পৃষ্ঠপোষকতা, প্ৰভাৱ, প্ৰশস্তি মানুহৰ মুখে মুখে আজিও জীয়াই আছে। তদুপৰি ভালেমান বিহুগীতে উজনিৰ নৈ, বিল, জান, জুৰি আদিৰ বৰ্ণনাৰ লগতে মুখৰ কথা বচন আদি কৰি সমসাময়িক এক চিত্ৰ প্ৰতিফলিত কৰা দেখা যায়। এই বিহুগীতবোৰেই সেই সময়ৰ ৰাজধানী ৰংপুৰৰ বহু কাহিনী সাঁচি ৰাখিছে।

"স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা'
কাণত জিলিকিলে নৰা-জাংফাই
গাতে গোমচেঙৰ চোলা।"

আকৌ

"ব্ৰহ্মপুত্ৰ বাঢ়িলে জাজী নৈ বাঢ়িলে
উজায়ে আহিলে বাহু
ৰংপুৰৰ বাকৰিত ঢোল পেঁপা বাজিছে
নেনাচি কেনেকৈ থাকো।"

"কিনো মাছ মাৰিবৰ তুৰা সমনীয়া
কিনো মাছ মাৰিবৰ তুৰা।
ৰংপুৰ নগৰত কাৰেংঘৰ সাজিলে
মাৰলিৰ নেখালে জোৰা।"

"ওলায়ে দেখিলো জাজী মুখৰ শিমলু
মন মোৰ কেনেবা কৰে।
ৰংপুৰৰ ঢুলীয়াৰ ঢোলৰ মাত শুনিলো
ছেৱে ছেৱে নাচে যেন লাগে।।"

"চৰাই চিকুণ তেলীয়া সাৰেং
মাছৰ চিকুন মালী
স্বৰ্গদেউৰ চিকুণ কেঁকোৰা দোলাখন
শুৱায় ৰংপুৰৰ আলি।"

এনেধৰণৰ ভালেমান বিহুগীতে ৰংপুৰ নগৰৰ প্ৰাধান্য প্ৰকাশ কৰিছে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ লগে লগে আহোম স্বৰ্গদেউৰ শাসনৰ অন্ত পৰে আৰু বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম অধিকাৰ কৰে। এনে প্ৰেক্ষাপটত জাতীয় জীৱনৰ বিপৰ্যয়ত ৰংপুৰৰ বিহুৰ মৰ্যাদা ম্লান পৰিছিল। সেই ৰংপুৰ চন পৰিল, বিহুৰ আনন্দতো যতি পৰিল। এক নতুন পৰিৱেশৰ বশৱৰ্তী হৈ বংগদেশৰ গোড়া হিন্দুৰ প্ৰভাৱত বিহু নৃত্য-গীতৰ প্ৰতি বহুলোকৰ স্পৃহা, আগ্ৰহ কমি আহিল। সেই সময়ৰ বিহুগীতৰ মাজেৰে আজি ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ এক প্ৰতিফলন দেখা যায়।

"শিৱসাগৰ শুকাব আফু কানি ওলাব
আফিঙৰ পাতিব জোকা
কোম্পানীৰ বাগিছা সদাগৰী কৰিব
ডেকা ল'ৰা কৰিব বুঢ়া।।"

"দিখৌ গুমে গুমাই কোম্পানীৰ জাহাজে
ঢেঁকী গুমে গুমাই থোৰা
মনে ৰমে ৰমাই দেহা চমে চমাই
তোমাক সোণ দেখিবৰ পৰা।"

বৃটিছৰ অনুগত লোকৰ প্ৰভাৱত বহু লোকে জাতীয় চেতনা হেৰুৱাই নিজৰ কৃষ্টি পৰম্পৰাৰ প্ৰতি আগ্ৰহ নকৰা হ'ল। এনে সমাজৰ বহু মানুহে বিহুৰ ডেকা-গাভৰুৰ মুকলি

মুৰীয়া নৃত্য-গীতত অশ্লীলতা দেখা পালে। তেওঁলোকৰ বিৰূপ মন্তব্যই বিহুৰ স্বকীয়তাত কিছু আঘাত নকৰা নহয়। গুণাভিৰাম বৰুৱাই বিহু দেশৰ পৰা গুছিলেহে বহু উপকাৰ আৰু সুনীতি স্থাপন হ'ব বুলি কৈ গৈছে। ঠিক সেইদৰে হলিৰাম ঢেকিয়াল ফুকনেও বিহু নৃত্যগীতক অত্যন্ত জুগুপ্সিত নৃত্যগীত আখ্যা দিছিল। জাতিৰ এনে সন্ধিক্ষণত বিহুৰ এনে মুকলি অপপ্ৰচাৰত ভয়, লাজ, সংকোচত আৰু আনে হীনদৃষ্টিৰে চাব বুলি বিহুনাচ, বিহুনাম কমি গৈছিল, মকুলিমুৰীয়া উৎফুল্লিত পৰিৱেশ এটা নাইকীয়া হৈছিল, বিহু অমাৰ্জিত বুলি গণ্য কৰিছিল। পিছত ১৮৮৫ চনত প্ৰথমেই বলিনাৰায়ণ বৰাই "আসাম বন্ধু"ত বিহুৰ নৃত্য-গীতক শ্ৰীকৃষ্ণৰ বৃন্দাবন লীলাৰ লগত মিলাই এক প্ৰবন্ধ লিখিছিল। বৃটিছ অফিচাৰ গৰ্ডন চাহাবেও বিহু অসমীয়া মানুহৰ নাচ বুলি বৃন্দাবনৰ গোপীসকলৰ লগত ৰিজনি কৰিছিল। ১৮৯৫ চনত ৰজনীকান্ত বৰদলৈয়ে মিৰিজিয়ৰী উপন্যাসত বিহুৰ এটি বৰ্ণনা দিছিল। গণেশ চন্দ্ৰ হাজৰিকা, বেণুধৰ শৰ্মাই পুস্তিকা ছপাই বিহুৰ বৰ্ণনা দিছিল। তদুপৰি ১৯১৭ চনত লক্ষ্মীনাথ বেজবৰুৱাই 'বাহী' কাকতত বিহু সম্পৰ্কে এক জাগৰণৰ সৃষ্টি কৰিছিল। তেওঁ লিখিছিল— "বিহুৱে কাকো দুখ নিদিয়ে, সকলোকে ৰং দিয়ে, সেই দেখি বিহুক লোকে হাঁহে, বেয়া পায়।" এইদৰে বলিষ্ঠ লেখনী প্ৰকাশৰ পাছত সেই সময়ৰ জাতীয় জাগৰণৰ প্ৰেক্ষাপটত অসমতো বিহুৰ নৱমূল্যায়ন হৈছিল, বিহুৱে হেৰুৱা জনপ্ৰিয়তা পুনৰুদ্ধাৰ হোৱাত সহায়ক হৈছিল। ১৯৩১ চনত এনে এক পৰিৱেশেৰে গুৱাহাটীত ৰাইজে গোট খাই বিহু পাতিছিল। ১৯৪১ চনত বিহুৰ কেন্দ্ৰস্থল ৰংপুৰৰ শিৱসাগৰত পৰাগধৰ চলিহা, মহেশ্বৰ নেওঁগ, ৰঘুনাথ চৌধুৰী আদিয়ে বিহু আধুনিক ৰূপত উদ্‌যাপন কৰিছিল।

কিন্তু ১৯৫২ চনত ৰাধাগোবিন্দ বৰুৱাই লতাশিল বিহুতলী ৰংগমঞ্চত প্ৰথম বিহু পাতি বিহুক এক নতুনত্ব আৰু আধুনিক ৰূপত গঢ়ি তুলিলে। সেই সময়ৰ পৰা আজিলৈকে অসমৰ বিভিন্ন জিলাত মঞ্চবিহুৰ পৰম্পৰা আৰম্ভ হয়। বিহু হৈ পৰিছিল পুনৰ জাতীয় উৎসৱ আৰু অসমীয়া সংস্কৃতিৰ বাহক।

তথাপিও বিহুৰ প্ৰাবল্য সকলোৰে একে নাছিল। উজনি অসমৰ পিনে অতি বেছি আছিল। কিন্তু বিংশ শতিকাৰ শেষৰফালে বিহুৱে গোটেই অসমখন ছানি ধৰিলে। এই ক্ষেত্ৰত ড° ভূপেন হাজৰিকা, খগেন মহন্ত, অৰ্চনা মহন্ত, ৰিদীপ দত্ত, দ্বীপেন বৰুৱা, মহানন্দ মজিন্দাৰ বৰুৱাৰ অৱদান কোনো গুণে কম নহয়।

সময় পৰিৱৰ্তনশীল। ৰূপান্তৰহে জগত ধুনীয়া কৰে। আজি বিহুৱে পৰিৱৰ্তনত ধামখুমীয়াত কিছু নতুনত্বৰে উপস্থাপিত হৈছে। যুগৰ লগত খাপ খোৱাই নতুন বিহুগীত ৰচিত হৈছে। হ'লেও পুৰণা প্ৰচলিত বিহুগীতসমূহ নবীন-প্ৰবীন সমূহ শিল্পীয়ে গায়েই আহিছে। বৰ্তমান নৱ প্ৰজন্মৰ মাজত বিহু প্ৰতিষ্ঠা কৰাত জুবিন গাৰ্গ, মানস ৰবিন, পবিত্ৰ মাৰ্ঘেৰিটা, অংগৰাগ মহন্ত, অনুপম শইকীয়া আদিয়ে বিহুৰ জনপ্ৰিয়তাত এক নতুনত্ব আনিছে, মাত্ৰা দিছে।

বিহুত আজিও মৌলিকতা, নিভাঁজতা হেৰাই যোৱা নাই, লোকচাৰ পালনত কিছু নতুনত্ব প্ৰভাৱ পৰিছে। এইটো অনস্বীকাৰ্য যে বিহুৱে ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰি অসমক সাংস্কৃতিক ক্ষেত্ৰত গৌৰৱান্বিত কৰি আহিছে।

বিহু হাবি, পথাৰৰ পৰা স্বৰ্গদেউসকলৰ পৰিপোষণ পাই ৰংঘৰৰ বাকৰিলৈ আহিল। তাৰ পৰা ডা-ডাঙৰিয়াৰ পদূলিৰ পৰা ব্যক্তিগত লোকৰ চোতাল পালেগৈ। আধুনিক কালৰ পৰিৱৰ্তনৰ ঢৌত বিহুৱে ৰংগমঞ্চত ভূমুকি মাৰিলেগৈ। বিহুৰ এনে আধুনিক জনপ্ৰিয়তাৰ মাজতো আমি বিহু ঐতিহ্যক কোনোবা কোণত নিভাঁজ আৰু মৌলিকতাৰে ধৰি ৰাখিবলৈ চেষ্টা কৰাটো সকলোৰে দায়িত্ব বুলি ভাবো।❑

টাই ফাকে সকলৰ উৎসৱৰ পৰম্পৰা

✍ য়ে হম বুঢ়াগোহাঁই

ভাৰতবৰ্ষত বাস কৰা ক্ষুদ্ৰতম জনগোষ্ঠীসমূহৰ ভিতৰত এটা জনগোষ্ঠী হ'ল টাই ফাকেসকল। তেওঁলোকৰ বিষয়ে ভাৰতৰ কথা বাদেই আনকি অসমৰো কম সংখ্যক লোকেহে জানে। অসমত বসবাস কৰা এই ফাকেসকল বৃহৎ টাই জনগোষ্ঠীৰ এটা ঠাল। অসমত টাই লোকসকল ছটা ভাগত বিভক্ত— আহোম, আইতন, খামতি, খাময়াং, ফাকে আৰু তুৰুং। এই প্ৰবন্ধত ফাকেসকলৰ উৎসৱৰ বিষয়েহে উল্লেখ কৰা হৈছে।

অসমত সীমিত জনসংখ্যাৰে টাই ফাকেসকলে নিজৰ ভাষা, কলা-কৃষ্টি, সংস্কৃতি সংৰক্ষণ কৰি আহিছে। ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিশেষ বিশেষ অঞ্চলত তেওঁলোকে বাস কৰে। এই দুখন জিলাৰ টাই ফাকেসকলৰ গাঁওবিলাক হ'ল নাহৰকটীয়া আৰু জয়পুৰৰ ওচৰৰ নামফাকে গাঁও আৰু টিপামফাকে গাঁও। মাৰ্ঘেৰিটাৰ ওচৰত বৰফাকে, মানম, মানলং, নংলাই আৰু মৌংলাং গাঁও। টিৰাপৰ ওচৰত নিংগাম আৰু ফানেং গাঁও। শিক্ষা, ব্যৱসায়, বাণিজ্য, যাতায়াতৰ অসুবিধা সত্ত্বেও টাই ফাকে লোকসকলে নিজৰ ভাষা, কৃষ্টি-সংস্কৃতি, ধৰ্মীয় অনুষ্ঠান, বয়ন শিল্প, সামাজিক ৰীতি-নীতি, খাদ্যসম্ভাৰ আদি পৰম্পৰাগতভাৱে পালন কৰি আছে।

টাই ফাকে লোকসকল কৃষিজীৱী তথা বৌদ্ধ ধৰ্মাবলম্বী, কৃষিকৰ্মৰ মাজেদিয়েই তেওঁলোকে জীয়াই ৰাখিছে তেওঁলোকৰ ধৰ্মীয় উৎসৱৰ পৰম্পৰা। তেওঁলোকে পালন কৰা উৎসৱবোৰ সাধাৰণতে দুটা ভাগত বিভক্ত কৰিব পাৰি— ধৰ্মীয় উৎসৱ আৰু লোক উৎসৱ। টাই ফাকে লোকসকলে তেওঁলোকৰ ধৰ্মীয় উৎসৱ সম্পূৰ্ণ থেৰাবাদী বৌদ্ধ ৰীতি-নীতিৰে পালন কৰে। লোক উৎসৱত তেওঁলোকে গোষ্ঠীয় পৰম্পৰা, কৃষিকৰ্ম আৰু লোকবিশ্বাসৰ আধাৰত পালন কৰে। কিন্তু তেওঁলোকৰ এই দুটা অনুষ্ঠান সম্পূৰ্ণকৈ বিভক্ত কৰিব পৰা নাযায়, লোক উৎসৱৰ পৰম্পৰাও ধৰ্মীয় উৎসৱলৈ ৰূপান্তৰিত হৈ পৰা দেখা যায়। আমি ইয়াত কেইটামান উৎসৱৰ বিষয়ে সন্নিৱিষ্ট কৰিছো—

পয় ছাং কেন ঃ

টাই ফাকেসকলে পালন কৰা এটা উৎসৱ হ'ল 'পয় ছাং কেন'। এই পয় ছাং কেন উৎসৱ অসমত বসবাস কৰা সকলো টাই জাতিৰ লোকে পালন কৰে। থাইলেণ্ডত এই উৎসৱক 'সংক্ৰান্ত' বুলি কয়। অসমত অসমীয়া লোকসকলে ব'হাগ বিহু বা ৰঙালী বিহু হিচাপে পালন কৰে। এই পয় ছাং কেন উৎসৱত বুদ্ধ মূৰ্তিবোৰ বৌদ্ধবিহাৰৰ পৰা নমাই 'ক্যংফ্ৰা'ত ৰাখে। এই মূৰ্তি ন-খোৱা আৰু উঠোৱাৰ ক্ষণ ম্যানমাৰৰ থেৰাবাদী বৌদ্ধ ৰীতি-নীতিৰে গণনা কৰা পঞ্জিকামতে চলে। বৌদ্ধবিহাৰৰ পৰা নমাই অনা আৰু উঠোৱা সময়ছোৱাক 'ফ্ৰানাংমুংকাং' বুলি কয়। এই সময়ছোৱা প্ৰায় তিনিদিন চলে। টাই ফাকে লোকসকলে অতি শ্ৰদ্ধা আৰু ভক্তি সহকাৰে দোকমোকালিতে 'তাং ছম' কৰি বুদ্ধ বন্দনা কৰে। দিনৰ ভাগত বুদ্ধ মূৰ্তি ধুওৱা হয়। পৰিষ্কাৰ পানীৰে কৃত্ৰিম প্ৰণালীৰে ঘূৰ্ণীয়মান যন্ত্ৰৰ সহায়ত বুদ্ধ মূৰ্তি ধুওৱাক 'ছুনফ্ৰা' বোলে।

ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি সকলো লোকেই 'ছুনফ্ৰা' কৰে আৰু পৰস্পৰে পৰস্পৰক শ্ৰদ্ধা, ভক্তি আৰু প্ৰীতিৰ চিন স্বৰূপে পানী ছটিয়াই নতুন বছৰৰ ওলগ জনায়। বুদ্ধ মূৰ্তিক ধুওৱাৰ পৰা আৰম্ভ কৰি ৰং-ধেমালি কৰালৈকে পানীয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰাৰ কাৰণেই 'ছুননাম' বুলিও কয়। বুদ্ধ মূৰ্তি ক্যংফ্ৰাৰ পৰা উঠাই নিয়াৰ পিছত বৌদ্ধ মন্দিৰত আগৰ স্থানত ৰাখি টাই ফাকে লোকসকলে বুদ্ধ, ধৰ্ম আৰু সংঘক ফুল, ধূপ আৰু মমবাতিৰে দেশ তথা সকলো মানৱ জাতিৰ মঙ্গলৰ কাৰণে প্ৰাৰ্থনা কৰে। অতীজৰে পৰা চলি অহা 'পয় ছাং কেন' উৎসৱ টাই ফাকেসকলে উলহ-মালহেৰে পালন কৰে।

পয় মাই ক' ছুম ফাই ঃ

টাই ফাকেসকলে পালন কৰা আন এটা উৎসৱ হ'ল পয় মাই ক' ছুম ফাই। এই উৎসৱক পয় মাই লুম ফাই বুলিও কোৱা হয়। এই উৎসৱ টাই বৰ্ষ মতে নৌনছাম (তৃতীয় মাহ) মাহৰ পূৰ্ণিমা তিথিত পাতে। অসমীয়া মাহ মতে মাঘ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা হয়। ৰাজহুৱা স্থান নতুবা নৈৰ পাৰৰ বালিচৰত কাঠ আৰু বাঁহেৰে ওখকৈ মেজি সাজে লগতে সৰুকৈ আন এটা মেজিও সাজে। মেজিত ব্যৱহৃত হোৱা কাঠ, বাঁহ গাঁৱৰ ডেকা-গাভৰুৰ পৰা আৰম্ভ কৰি সকলোৱে সমূহীয়াভাৱে সংগ্ৰহ কৰে। পূৰ্ণিমা তিথিৰ আগদিনা গধূলি পৰত গাঁৱৰ সকলোলোকে একত্ৰিত হৈ বৌদ্ধ ৰীতি-নীতিৰে পূজা কৰে। পূজাৰ শেষত ওখকৈ সজোৱা মেজি জ্বলাই দিয়া হয় আৰু সৰুকৈ সজোৱা মেজিটোও জ্বলাই নৈত উটুৱাই দিয়ে। পূৰ্ণিমা তিথিত সকলোৱে 'খাও-য়া-কু' বনায়। খাও-য়া-কু হ'ল মাহ, আলু, তিল চাউলেৰে বনোৱা এবিধ আহাৰ। এই খাও-য়া-কু প্ৰথমতে 'তাং ছম' কৰে। তাৰ পিছত বৌদ্ধ ভিক্ষুসকলক 'ছম' দিয়ে। বৌদ্ধ মন্দিৰত পুৱাৰ ভাগত সকলোৱে একত্ৰিত হৈ 'থমত্ৰা' কৰে। 'থমত্ৰা'ৰ পিছত সমজুৱাভাৱে 'খাও-য়া-কু' খায়। এনেদৰেই টাই ফাকে লোকসকলে মাই-ক-ছুম-ফাই উৎসৱ পালন কৰি আহিছে।

পয় ছাং কেন আৰু পয় মাটক ছুম ফাইৰ উপৰিও টাই ফাকে লোকসকলে পয় নৌন হুক (বুদ্ধ পূৰ্ণিমা) পয় অক-ৱা (প্ৰবাৰণা উৎসৱ) পয় কান ই সাংঘা পয় নৌনছি, পয় কাথিং, পয় পেত-মুন-ছি-হেইং উৎসৱ পালন কৰে। টাই ফাকে লোকসকলে অতীজৰে পৰা তেওঁলোকৰ মাজত প্ৰচলন হৈ থকা উৎসৱবিলাক অটুট ৰাখি জীৱন নিৰ্বাহ কৰি আছে। ধৰ্মীয় তথা সাংস্কৃতিক সংগ্ৰামৰ মাজেদিয়েই টাই ফাকে লোকসকলে অসমৰ জনগোষ্ঠীয় মানচিত্ৰত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। বৰ্তমানে ফাকেসকলৰ কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, ধৰ্মীয় আচাৰ-ব্যৱহাৰ বিচাৰি পৃথিৱীৰ বহু ঠাইৰ গৱেষকসকল ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বসবাস কৰা টাই ফাকেসকলৰ গাঁৱলৈ সোঁত বৈছে। কিন্তু বৰ্তমান পৃথিৱীৰ দ্ৰুত পৰিৱৰ্তনৰ পৰিস্থিতিত এই ক্ষুদ্ৰতম জনগোষ্ঠী ফাকে লোকসকলে সীমিত সংখ্যাৰে নিজৰ ভাষা, কৃষ্টি-সংস্কৃতি, ধৰ্মীয় নীতি-নিয়ম কিমান দিনলৈ সংৰক্ষণ কৰিব পাৰিব তাক সময়েহে উত্তৰ দিব।❑

বাপতি সাহোন— 'বিহু' আৰু আনুসংগিক নিয়মাৱলী

✍ প্ৰদীপ কুমাৰ গগৈ (পদ্ম)

বিহু আমাৰ বাপতি সাহোন— অৰ্থাৎ অতীজৰ পৰাই বিহু আমাৰ সমাজত প্ৰচলিত হৈ আহি আছে আৰু ভৱিষ্যতলৈও চলি থাকিব। অৱশ্যে কালৰ গতিত বিহুৱে কি ৰূপ লয় তাক সময়েহে ক'ব।

আমাৰ দেশখন হ'ল কৃষি প্ৰধান দেশ আৰু উৎসৱ বিলাককো (বিহু) ঘাইকৈ কৃষি উৎসৱ বুলি কোৱা হয়। আমাৰ অসমীয়া সমাজত বিহু ঘাইকৈ তিনিটা ৰূপত পৰিচিত, যেনে— কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু। এই তিনিবিধ বিহুয়েই কৃষি সমাজৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। ব'হাগ বিহু চ'তৰ সংক্ৰান্তিৰ দিনাৰ পৰাই আৰম্ভ হয়। এই বিহুত মানুহে ৰং-ৰহস্য কৰে বাবেই ইয়াৰ আন এটি নাম ৰঙালী বিহু বুলি কোৱা হয়।

ব'হাগ বিহুটো এক কথাত ক'বলৈ হ'লে— ই প্ৰেমৰ উৎসৱ। ইজনে-সিজনক তথা জীৱনক ভাল পোৱা, যৌৱনক ভাল পোৱা, খেতি পথাৰক ভাল পোৱা —এই সকলোবোৰ একাকাৰ হোৱাই প্ৰধান উৎসৱ। সেয়েহে ঢোলৰ মাত, পেঁপাৰ মাত শুনি গা-মন ৰাইজাই কৰে। পখিলাজনীৰ দৰে উৰি থাকিবৰ মন যায়। সকলো বস্তু নতুনকৈ সজাই পৰাই তোলাৰ মানস কৰা হয় আৰু দিয়াও হয়। যেনেকৈ গছ-বিৰিখে নতুন পাত আৰু নানা ৰঙৰ ফুলেৰে নতুন বছৰটোক আদৰণি জনায়, মানুহেও ব'হাগ বিহুত এযোৰ ন-সাজ নোলোৱাকৈ নাথাকে। প্ৰিয়জনকো এযোৰ নতুন সাজ দিহে ভাল পায়। এনেকৈয়ে দিয়া-লোৱাৰ যোগেদিয়েই মানুহে স্নেহৰ এনাজৰীডাল দৃঢ় কৰি ৰাখে। ইজনৰ পৰা সিজনলৈ, পৰিয়ালৰ পৰা সমাজ, সমাজৰ পৰা স্বদেশ, জাতি, আত্মীয় কুটুম, বন্ধু-বান্ধৱ সকলোলৈকে মৰমৰ এনাজৰীডাল বান্ধ খাই আছে। বিহুগীতত এনেয়ে জানো গোৱা হয়—

"দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী
কেতেকী মলে মলাই ঐ গোবিন্দাই ৰাম"

গছৰ তলৰ মুকলি পথাৰৰ বিহু আহি প্ৰথমে ৰজা ঘৰত সোমাল। ৰজাই ৰংঘৰ সজাই তাৰ বাকৰিত বিহু প্ৰতিষ্ঠা কৰিছিল। তাৰ পিছত ক্ৰমান্বয়ে বিহু আহি মানুহৰ ঘৰৰ চোতালত সোমাল। গাঁৱবিলাকত ঘৰে ঘৰে হুঁচৰি গোৱাটো এক পৰম্পৰা বাধ্যতামূলক হিচাবেই চলিছিল। গাঁৱৰ প্ৰতি ঘৰে ঘৰে হুঁচৰি গোৱাৰ নিয়ম আছিল। কোনো এঘৰ মানুহক হুঁচৰি গোৱাৰ পৰা বাদ নিদিছিল, বাদ দিবও নোৱাৰিছিল। কাৰণ যদি কোনো এঘৰ মানুহ হুঁচৰি গোৱাৰ পৰা বাদ পৰে তেতিয়া হ'লে বুজিব লাগিব যে সেইঘৰ মানুহক গাঁৱৰ ৰাইজে সমাজৰ পৰা এঘৰীয়া কৰি এৰি থৈছে। কাৰণ মানুহঘৰে সমাজৰ কিবা অপৰাধমূলক কাম কৰিছে। এনেকৈয়ে গাঁৱবিলাকত হুঁচৰি আদি গোৱাৰ নিয়ম আছিল আৰু এতিয়াও আছে। সমাজৰ নিয়মবিলাক বৰ কঠোৰ আৰু কটকটীয়াও।

আমাৰ বাপতি সাহোন বিহু ক্ৰমান্বয়ে আহি মঞ্চত উঠিলহি। গুৱাহাটীত বিশেষকৈ ১৯৫২ চনত গুৱাহাটী বিহু

সন্মিলনী স্থাপন হোৱাৰ পৰাই (লতাশিল) মুকলি পথাৰৰ গছৰ তলৰ বিহু আহি মঞ্চ ৰূপত স্থান পায়। এক কথাত ক'বলৈ গ'লে গুৱাহাটীত "গুৱাহাটী বিহু সন্মিলনী"য়েই মঞ্চবিহুৰ বাটকটীয়া বুলি ক'লে ভুল কৰা নহ'ব। অৱশ্যে ইয়াৰ আগতেও অসমৰ আন ঠাইত মঞ্চবিহু আয়োজন কৰি "বিহু সন্মিলন" পাতিছিল বুলি জনা যায়।

আমাৰ ল'ৰালি কালত অৰ্থাৎ পঞ্চাছ দশকমানত গাঁৱৰ বিহুৱাসকলে এযাৰ বিহু নাম গোৱা মনত পৰে। বিহু ফাঁকি হ'ল—

"আই হৰে চতী দেৱী পাৰেৰতী
মাৰি যাওঁ ঢোলৰে চেওঁ
পাহৰা নামকে দিবা মনত পেলাই
বিহু নাম এযাৰি গাঁও।"

বিহুৱা সকলৰ মুখত 'সৰস্বতী' শব্দটো 'হৰেচতী' আৰু 'পাৰ্বতী' শব্দটো 'পাৰেৰতী' বুলি গোৱা শুনিছিলো। কাৰণ বিহু গাইছিল বা বিহু মাৰিছিল গাঁৱৰ চহা খেতিয়ক মানুহসকলে। অসমৰ লোক সাহিত্য বা লোকগীত বিলাক বা বিহুনাম বিলাক এই চহা খেতিয়কসকলৰ উচ্চাৰণত গঢ় লৈ সৃষ্টি হোৱা গীত। শব্দৰ উচ্চাৰণবোৰো লোক সাহিত্যৰ এক প্ৰধান বৈশিষ্ট্য। আচলতে বিহুৱাসকলক এই প্ৰসঙ্গত লোক শিল্পী বুলিব পাৰি।

বিহুনামৰ ভাব-ভাষা সৰল আৰু কোমল। বিহুৰ প্ৰতি থকা প্ৰায় অসমীয়া মানুহৰে আন্তৰিকতা আজিও বিয়পি আছে। বিহুনামবিলাক অসমীয়া লোক সাহিত্যৰ এক অমূল্য সম্পদ। ইয়াত আছে অসমীয়া জাতিটোৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। বিহুনামত জানো এনেয়ে গোৱা হয়—

"কিনো কাপোৰখনি ফুলে জকে মকি
উৰি যায় বতাহৰ লগত।
নেখায়ো চাৰি সাজ থাকিব পাৰো মই
ব'হাগৰ বিহুৰে লগত।।

অৰ্থাৎ ব'হাগ বিহু বুলিলে মানুহ উদ্বাউল হৈ পৰে। ভোকৰ ভাত মুঠিও এৰিব পাৰে, তথাপি বিহু মাৰিবই।

আগৰ বিহু হুঁচৰি আৰু এতিয়াৰ বিহু হুঁচৰিবিলাকৰ মাজত বহুত তফাৎ দেখা পোৱা যায়। বৰ্তমানৰ বিহুবিলাকত কেতিয়া কোনটো নাম গাব লাগে বা কোন সময়ত কোনটো ঢোলৰ চেওঁ বজাব লাগে তাৰ কোনো লাগ বান্ধ নাই। বৰ্তমানৰ বিহুতলীবিলাকত পৰিৱেশিত হোৱা বিহু নাম, নাচ আদি কৰি কেতবোৰ থলুৱা নৃত্য-গীত আৰু বিহুৰ সময়ত দূৰদৰ্শনত প্ৰদৰ্শিত কিছুমান বিহুনাম, নাচ চালে আৰু বজাৰত ওলোৱা শ্ৰব্য কেছেট কিছুমানত সন্নিৱিষ্ট কৰা নাম, কথা, সুৰ আৰু বাদ্যযন্ত্ৰৰ শব্দই আমাৰ মনত এনে ভাৱ হয় যে আমাৰ সমাজৰ থলুৱা লোক কলা-সংস্কৃতিৰ ভাল জ্ঞান নথকা এচাম লোকৰ কবলত পৰি অসমৰ থলুৱা নাচ-গীতৰ নিজস্বতা লোপ পোৱাৰ উপক্ৰম হৈছে। বিহু গীতত "কি ব'ৰ্ড" ব্যৱহাৰ হয় জানো? কিন্তু বজাৰত যিবিলাক কেছেট ওলাইছে তাত "কি ব'ৰ্ড" ব্যৱহাৰ কৰিছে। কিন্তু পেঁপাটো প্ৰায় বন্ধই হৈছে। "কি ব'ৰ্ড"তে পেঁপাৰ সুৰ বজোৱা হ'ল। কিন্তু কথা হ'ল আমি নতুনকৈ উঠি অহা প্ৰজন্মক কি দিছো বা কি শিকাইছো? নতুন প্ৰজন্মই এইবিলাক দেখি শুনি আমাৰ বাপতি সাহোন ৰঙালী বিহুটো এনেকুৱাই বুলি ধৰি নল'বনে? এতিয়াও বহুত ঢুলীয়াই ভালকৈ ঢোলৰ চেওবিলাক বজাব নাজানে; বিহু ঢোলৰ চেও কেইটা, বা কি কি বুলি সুধিলে ক'ব নোৱাৰে। ঢোলৰ দীঘলীয়া চেও কেতিয়া বজাব লাগে বা খঁৰা চেওঁ ক'ত বজাব লাগে ইত্যাদি, ইত্যাদি ভালদৰে নাজানে। শিকাৰো আগ্ৰহ নাই বা শিকাবলৈও গুৰুৰ অভাৱ। বজাৰৰ কেছেটৰ ঢোলৰ চেও শুনি শুনি আয়ত্ব কৰি লয় আৰু তেনেকৈ কেছেটত গোৱা বিহুসুৰীয়া নামবিলাককে লৈ বিহু মাৰে। এনেকৈয়ে এদিন আমাৰ থলুৱা গীত-মাত বাদ্য আদি আমাৰ মাজৰ পৰা হেৰাই যাব আৰু আমাৰ অসমীয়া সংস্কৃতিটো শেষ হৈ যাবলৈ বেছি দিন নালাগিব। নিজৰ সংস্কৃতি শেষ হোৱা মানে এটা জাতি শেষ হোৱা। গতিকে আমি সকলোৱে আমাৰ অতি আদৰৰ ৰঙালী বিহুটিক (বিহুৰ নাচ-গান-বাদ্য, সাজ-পোছাক আদি)

সাহোন

ৰক্ষণাবেক্ষণ দিবৰ হ'ল। যাতে কালৰ সোঁতত পৰি নিঃশেষ হৈ নাযায়;— এইটো আমাৰ সকলোৰে কৰ্তব্য।

ওপৰোক্ত কথাবিলাক লক্ষ্য ৰাখিয়েই সদৌ অসম 'বিহুৱা', 'বিহুৱতী', 'বিহু বিশেষজ্ঞ' আৰু 'বিহু বিচাৰক'সকলক লৈ এখন কেন্দ্ৰীয় সমিতি গঠন কৰা হয়। এই কেন্দ্ৰীয় সমিতিখন অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিসকলক লৈ গঠন কৰা হয়। অসমৰ প্ৰায় জিলাতে একোখনকৈ শাখা কমিটিও গঠন কৰা হৈছে। কেন্দ্ৰীয় সমিতিৰ দ্বাৰা গৃহীত প্ৰস্তাৱ আৰু বিহু প্ৰতিযোগিতাৰ নিয়মাৱলীকেই কামৰূপ জিলা কমিটিয়েও একে ধৰণেই গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। এই প্ৰস্তাৱ আৰু নিয়মাৱলীখন সমূহ পঢ়ুৱৈ, বিহুৱা দল, বিহুৱা-বিহুৱতী, আয়োজক, বিচাৰককে আদি কৰি সকলোলৈকে 'সাহোনৰ' যোগেদি আগবঢ়োৱা হ'ল। আশা ৰাখিছো সকলোৱে ইয়াক গ্ৰহণযোগ্য বুলি বিবেচিত কৰিব আৰু আমাৰ অতি মৰমৰ বাপতি সাহোন ৰঙালী বিহুটিক যুগ যুগ ধৰি জীয়াই ৰখাৰ প্ৰয়াস কৰিব।

বিহু সমিতিৰ প্ৰস্তাৱকেইটা আৰু বিভিন্ন বিহু প্ৰতিযোগিতাৰ নিয়মাৱলীবিলাক এনে ধৰণৰ—

প্ৰস্তাৱকেইটা হ'ল —

১। বৰ্তমান অসমৰ বিভিন্ন স্থানত যি কৰ্মশালাসমূহ চলি আছে এই কৰ্মশালাৰ ওপৰত সমিতিয়ে বিধিসন্মতভাৱে মনোনীত কৰা বিহুৱা-বিহুৱতী, বিচাৰক বিশেষজ্ঞসকলৰ জৰিয়তে প্ৰশিক্ষাৰ্থীসকলে যাতে বিহুৰ সম্পূৰ্ণ জ্ঞান আয়ত্ব কৰিব পাৰে তাৰ প্ৰতি গুৰুত্ব দিছে।

২। সমিতিৰ আগন্তুক বছৰটোত কামৰূপ জিলা, নামনি অসমৰ বিভিন্ন স্থানত বিহু কৰ্মশালা অনুষ্ঠিত কৰি অভিজ্ঞ প্ৰশিক্ষকসকলৰ জৰিয়তে প্ৰশিক্ষণৰ ব্যৱস্থা কৰি লুপ্ত পোৱা থলুৱা সংস্কৃতিক পুনৰ উদ্ধাৰ ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। বিহু দলসমূহে বিহুৰ স্বকীয়তা বজাই বিহুমঞ্চত বিহু প্ৰদৰ্শন কৰি থলুৱা লোক সংস্কৃতিবোৰক আগুৱাই নিয়াত আগ-ভাগ লোৱাত গুৰুত্ব দিয়ে যেন আৰু মঞ্চত নাটকৰ সংলগ্ন ৰাখি যি বিহু নাচক অভিনয়ৰ নাচৰ দৰে কলা প্ৰদৰ্শন কৰি বিহুটিৰ স্বকীয়তা নষ্ট নকৰে যেন।

৪। হুঁচৰি নামটোৰ লগত বিহু হুঁচৰি, মঞ্চ হুঁচৰি বিভ্ৰান্তিমূলক ই গ্ৰহণীয় নহয়। কিন্তু মঞ্চত যিহেতু হুঁচৰি আৰু বিহু একেলগে প্ৰদৰ্শন কৰা হয় ইয়াক সমিতিসমূহে হুঁচৰি বিহু বুলি নামকৰণ কৰিলে ভাল হয়। আচলতে হুঁচৰি পৰম্পৰাগতভাৱে নাচনিয়াৰ (বিহু ডেকা) সকলেহে অংশ গ্ৰহণ কৰি লহড়ি নাচ প্ৰদৰ্শন কৰাৰ ৰীতি প্ৰচলিত। কিন্তু দেখা গৈছে আজিকালি মঞ্চবোৰত হুঁচৰি প্ৰতিযোগিতাটো নাচনিয়াৰৰ লগত বিহু নাচনীসকলে অংশ গ্ৰহণ কৰিবলৈ লৈছে। এই ক্ষেত্ৰত আমাৰ সমিতি এৰা ধৰাৰ মাজেৰে মঞ্চত প্ৰচলিত হুঁচৰিটোক হুঁচৰি বিহু বুলি নামকৰণ কৰাত সমিতিসমূহলৈ অনুৰোধ জনাইছো।

৫। সাজ-পোছাকৰ ক্ষেত্ৰত বিহুৱা-বিহুৱতীসকলে নিয়মাৱলীত উল্লিখিত সম্পূৰ্ণ পৰম্পৰাগত পোছাক পৰিধান কৰাটো বাঞ্চনীয়। ইয়াক অতিৰঞ্জিত নকৰাই ভাল। বিহুৱা নাচনীসকলে সাজপাৰ পৰিধান কৰাটো বিধিসন্মতভাৱে পিন্ধিলে পৰম্পৰা ৰক্ষা হয়।

৬। বিহু সমিতিসমূহে বিহু সন্মিলন অনুষ্ঠিত কৰে। এই ক্ষেত্ৰত বিহু দলসমূহক মাননীৰ ক্ষেত্ৰত কিছু অৱহেলা কৰা দেখা যায়। সমিতিসমূহে বিহু দলসমূহৰ ক্ষেত্ৰত যথোচিত মাননী দিয়াৰ ব্যৱস্থা কৰিলে ভাল, লগতে প্ৰতিদিনে বিহু সমিতিয়ে অতিকমেও তিনিটা বিহু প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিলো। এই ব্যৱস্থা কৰাৰ মূলতে হৈছে আৰ্থিক অনাটনৰ বাবে বিহু দলসমূহ যাতে লুপ্ত প্ৰায় নহয়।

৭। বিচাৰকসকল অভিজ্ঞ আৰু সমিতিৰ দ্বাৰা অনুমোদিত হ'ব লাগিব। কিয়নো বহুক্ষেত্ৰত দেখা পোৱা যায় বিহু প্ৰতিযোগিতাত বিহুৰ সম্পূৰ্ণ অভিজ্ঞতা নথকা ব্যক্তিৰ জৰিয়তে প্ৰতিযোগিতাৰ পৰিচালনা কৰি উপযুক্ত দলক পুৰস্কাৰৰ পৰা বঞ্চিত কৰে।

৮। জিলা সমিতিয়ে ১২ এপ্রিল, ২০১১ মঙ্গলবাৰে ২ বজাত (আবেলি) বিহুৰ বিচাৰকসকলৰ লগত বিহু নীতি-নিয়মসমূহ ঐক্যমতভাৱে প্ৰকাশ কৰাৰ মানসেৰে এখনি মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰি 'অভিজ্ঞ বিচাৰক'ৰ পৰিচয় পত্ৰ দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰিছে।

৯। বৰ্তমান অসমৰ বিহু সংস্কৃতিৰ ওপৰত অধ্যয়ন কৰি বিভিন্ন চৰকাৰী সুবিধাবোৰ আদায়ৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ সমিতিয়ে এটা সহায়ক কেন্দ্ৰ খোলাৰ পোষকতা কৰিছো।

১০। বিচাৰকসকল সমিতিৰ অন্তৰ্ভুক্ত হৈ বিচাৰক আসন শুৱনি কৰিব লাগিব। বিচাৰকসকলৰ বিভিন্ন দিশত অভিজ্ঞ কৰি তোলাত সমিতি দায়বদ্ধ থাকিব।

১১। বিচাৰকসকলে বিহু দল, বিহুৱা, বিহুৱতীসকলক মাৰ্জিত ধৰণৰ প্ৰশ্নবান সোধাটো বাঞ্ছনীয় আৰু বিহুনাম লগতে বিহুৰ লগত সংগতি ৰাখি প্ৰশ্ন অৱতাৰণা কৰিব লাগে। (প্ৰশ্ন সোধাটো সমিতিৰ বাধ্য-বাধকতাৰ ভিতৰত নপৰে)।

১২। কামৰূপ জিলাৰ অন্তৰ্গত বিহু সমিতিসমূহ জিলা সমিতিৰ অন্তৰ্ভুক্ত হ'ব লাগিব। অন্তৰ্ভুক্তিৰ বাবদ ভৰ্তি মাচুল ৫০০.০০ (পাঁচ শ) টকা ধাৰ্য কৰা হৈছে।

১৩। বিচাৰকসকলৰ মাননীৰ ক্ষেত্ৰটো সমিতিসমূহে গুৱাহাটীৰ বিভিন্ন বিহুতলীত প্ৰতিজনক এটি সন্মানজনক মাননী দিবলৈ অনুৰোধ জনালো।

১৪। হুঁচৰিত দীঘলীয়া ছেওঁ বজাব লাগিব। নাচনিয়াৰ (ডেকা বিহুৱা) দীঘলীয়া ছেওঁত নাচটো ফুটি উঠে।

১৫। প্ৰকৃত হুঁচৰি ক্ষেত্ৰত নাচনীৰ স্থান নাই। হুঁচৰি বিহু প্ৰতিযোগিতাৰ ক্ষেত্ৰত এৰা ধৰাৰ মাজেৰে নাচনীৰ স্থান থাকিব।

১৬। হুঁচৰিত কমেও ঘোষা, দুফাকি পদ উপস্থাপন কৰাটো বাধ্যতামূলক।

১৭। ঘোষা পদৰ সম্পৰ্ক থাকিব লাগিব।

১৮। সাজপাৰ ক্ষেত্ৰত অসমীয়া সংস্কৃতিৰ ঐতিহ্যবাচক হ'ব লাগিব।

১৯। বিহু উপস্থাপনৰ ক্ষেত্ৰত অতিৰঞ্জিত বাবে বিকৃত চিঞৰ-বাখৰ অমাৰ্জিত।

২০। হুঁচৰি গাবলৈ যাওঁতে পুৰুষে নচা নাচবোৰ ঢোলৰ ছেওঁৰ লগত ৰজিতা খুৱাই নাচিব লাগে। হুঁচৰি আৰু ডেকা-গাভৰুৰ মুকলি বিহুৰ ঢোল-পেঁপাৰ ছেওঁত নাচ, নাম এইবিলাকৰ পাৰ্থক্য থাকিব লাগিব।

২১। ঢুলীয়াই কান্ধত ঢোল আঁৰি লোৱা নিয়মৰ ক্ষেত্ৰত সোঁহতীয়া, বাওঁহতীয়া ঢুলীয়া অনুযায়ী পৰম্পৰাগত বিহুৱাৰ ধৰণ মানি চলিব লাগে। সন্মানিত ওজা ঢুলীয়াই এখন কান্ধত আঁৰি লোৱা আৰ্হিক সন্মান জনাই ওজাসকলৰ নিয়মটি আচুতীয়াকৈ ৰখা উচিত। খোল-মৃদং, ডিঙিত আঁৰি লোৱাৰ দৰে ঢুলীয়াই ঢোল আঁৰি লৈ বিহুত বজোৱা নহয়।

২২। হুঁচৰিত গোৱা জাতনামসমূহ সাধাৰণতে আৰম্ভণী লয়টোৰ পিছত মধ্য লয়ত সামৰণি মৰা হয়।

২৩। হুঁচৰিৰ জাতনাম গাঁওতে ভনীতি-লাহৰি আদি শব্দ কেতিয়াও ব্যৱহাৰ কৰা নহয়। হুঁচৰি জাতনামবিলাকত মোৰ সোণটি, মোৰ সোণ-সোণাই, মোৰ মইনা, নল মইনা, ৰ-ৰ-ৰতি মইনামতী আদি শব্দ ব্যৱহাৰ কৰি গোৱা ভাল।

২৪। বিহুত নাট্য ধৰ্মিত গ্ৰহণযোগ্য নহয়।

২৫। লোকনাচ প্ৰধানত গোলাকৃতি হৈ পৰিৱেশন কৰা হয়। মঞ্চত দৰ্শককেন্দ্ৰিক হৈ বিহু প্ৰদৰ্শন কৰিলেও লোকনাচৰ পৰম্পৰা ৰক্ষা কৰি গোলাকৃতিও হ'ব লাগে। হুঁচৰিৰ আৰম্ভণি বা সামৰণি পৰ্বত ঢুলীয়াসকলে আঁঠু কাঢ়ি গায়ন-বায়নৰ দৰে ঘাত পৰিৱেশন কৰা মুঠেই গ্ৰহণযোগ্য নহয়। বিহুত ঢোলৰ ছেওঁ চাপৰৰ বাদে ওজাসকলৰ বুলনিসমূহ বজাব নালাগে।

২৬। ঢুলীয়াই হুঁচৰি গাওঁতে ঢোলৰ ছেওঁ চাপৰহে বজাব, মৃদঙ্গৰ ঘাত, খোলৰ ছেওঁ, মাদলৰ বোল কোনো কাৰণতেই গ্ৰহণযোগ্য নহয়।

২৭। পেঁপা ছেওঁসমূহ চুটি হোৱা বাঞ্চনীয়। হুঁচৰিত চ'তৰ ডেকা-গাভৰু, মুকলি বিহুত বজোৱাৰ দৰে বহু সময় যতি নপৰাকৈ (বন্ধ নকৰাকৈ) পেঁপা বজোৱা নহয়। হুঁচৰিৰ পেঁপা ছেওঁসমূহৰ লয় তাল আদি মন কৰিব লাগে।

২৮। বিহুত বৰ তাল, খুটি তাল ব্যৱহাৰ কৰা অনুচিত। ঢোলৰ লগত পাতি তালহে বজোৱা হয়। হুঁচৰিৰ সামৰণি পৰ্বত উদ্দেশ্য কৰি যোজনা বা জোঙলা নামৰ সুৰেৰে গোৱা নাম-নাচৰ পৰম্পৰা ৰক্ষা কৰিলে ভাল।

২৯। আশীৰ্বাদ সংস্কৃতি উপস্থাপনত বাধ্যতামূলক। আশীৰ্বাদ দিয়া পৰম্পৰা হুঁচৰিৰ আৰম্ভণি (হুঁচৰি নাম গোৱা) আৰু সামৰণি দুয়োটা সময়তে পৰম্পৰাগতভাৱে থাকে। কিন্তু প্ৰথম আশীৰ্বাদ বাধ্যতামূলক নহয়। হৰিধ্বনিহে বাধ্যতামূলক।

৩০। বিহু সামৰাৰ আগে আগে শৰাই আগবঢ়াই গৃহস্থই বিহুৱাদলৰ ওচৰত সেৱা লয়। যদিহে কোনো হুঁচৰি দলত মহিলা নাচনীয়ে নাচে তেন্তে এই সেৱা লোৱা সময়ছোৱাত মহিলা নাচনী থাকিব নালাগে।

৩১। বিহু বাদ্যৰ ক্ষেত্ৰত পঞ্চবাদ্য ঢোল, পেঁপা, গগণা, সুতুলী, টকা বজাব লাগে।

৩২। হুঁচৰিত অতি বেছি ধৰ্মীয় প্ৰভাৱ থকা হুঁচৰি ঘোষা আদিতকৈ (কৃষ্টিমূলক, প্ৰকৃতিমূলক, কাহিনীমূলক, হাস্যমূলক, ভক্তিমূলক) অতি বেছি ধৰ্মীয় প্ৰভাৱ নথকা হুঁচৰি নাম গোৱা বাঞ্চনীয়। অসম ধৰ্ম নিৰপেক্ষ ৰাজ্য। বিহু অসমৰ বাপতি সাহোন। সেয়েহে বিহু ধৰ্ম নিৰপেক্ষ হ'বই লাগিব।

৩৩। হুঁচৰি পৰিৱেশনৰ সময় নিম্নতম ২০ মিনিটৰ ততোধিক হ'ব লাগে।

বিহুৰ বিহুৱাৰ সাজপাৰ

১। মুগা চোলা বা কপাহী চোলা হাত দীঘল বা চুটি দুয়োবিধ গ্ৰহণীয়। মুগা চোলাত বুটা বচা, মেখেলাৰ দৰে ভমকা ফুলেৰে ভৰা চোলা বৰ্জনীয়। মুগা ৰঙৰ চিল্ক কাপোৰক উদ্‌গণি নিদিয়া ভাল।

২। চুৰিয়াৰ ক্ষেত্ৰত মুগা চুৰিয়া হ'লে আঠুৰ ওচৰত পিন্ধিব পাৰি। পৰাপক্ষত আঁঠুৰ তললৈকে পিন্ধিলেহে দেখিবলৈ ভাল হয়। কিন্তু কপাহী চুৰিয়া হ'লে সদায় আঁঠুৰ তললৈকে এটা পোঞ্চ মাৰি পিন্ধিব লাগে।

৩। বিহুৱাই মূৰত গুটি ফুলৰ গামোচা, কঁকালত ৰঙা টঙালি, দুহাতত গুটি ফুলৰ হাঁচতি মাৰিব লাগে।

মুকলি বিহু (ডেকা-গাভৰু বিহু) প্ৰতিযোগিতা

১। মুকলি বিহু প্ৰতিযোগিতাত কেৱল প্ৰাপ্তবয়স্ক ডেকা-গাভৰুৱেহে অংশগ্ৰহণ কৰিব পাৰিব।

২। মুকলি বিহুৰ দলত ডেকা-গাভৰুৰ সংখ্যা সমান হ'লে ভাল। ৬+৬=১২ জন, ৮+৮=১৬ জন এনেকৈ হোৱাটো বাঞ্চনীয়।

৩। বিহুবাদ্য ঢোল, পেঁপা, গগণা, সুতুলী, বাঁহী ব্যৱহাৰ কৰিব পাৰিব।

৪। বিহুনামসমূহ ডেকা-গাভৰুৱে ঘাইকৈ জোৰানামক প্ৰাধান্য দিয়াৰ লগতে আন আন প্ৰচলিত বিহুনাম গাব।

৫। বিহুনামসমূহ চ'তৰ বিহুৰ বিহুনাম হ'ব লাগিব। হুঁচৰিত গোৱা বিহুনাম চ'তৰ মুকলি বিহুত নাগায়।

৬। বিহুনামৰ সুৰ পঞ্চস্বৰযুক্ত হ'ব লাগিব। অতি আধুনিক বিহুসুৰীয়া গীত বৰ্জনীয়। বৈশিষ্ট্যপূৰ্ণ সুৰ সংযোজনাৰে জোৰানাম গোৱাটো বাধ্যতামূলক।

৭। মুকলি বিহু উপস্থাপনৰ ক্ষেত্ৰত গাভৰুসকলক অগ্ৰাধিকাৰ দিয়া ভাল।

৮। ডেকা-গাভৰুৰ মুকলি বিহু বৃত্ত বা অৰ্ধবৃত্তৰ পৰিধিত থাকি নাচি-নামৰ পৰিৱেশনতহে গুৰুত্ব দিয়া উচিত।

সাহিত্য

বিহুত ৰৈখিক ধৰণটি নতুন সংযোজন (কেৱল দৰ্শকমুখী হৈ নাচি থকা) ই বাঞ্ছনীয় নহয়।

৯। জেওৰা, জপনা বা জালৰ দৰে ৰেখা পাৰ হৈ নচা ঠাঁচ বিহুনাচত নাই। এনে নাচ পাশ্চাত্যবাসীৰ পৰা ধাৰ কৰি খিচিৰি কৰা হৈছে।

১০। বিহুৱা ডেকাই গোৱা বিহুনামৰ কথাংশ আৰু বিহুৱতীয়ে গোৱা বিহুনামৰ কথাংশৰ মাজত থকা পাৰ্থক্য উল্লেখযোগ্য। বিহুৱতীয়ে গোৱা বিহুনাম এযাৰ বিহুৱাই গোৱা অনুচিত। ঠিক তেনেকৈ বিহুৱাৰ বিহুনামবোৰ বিহুৱতীসকলে গোৱা অনুচিত।

১১। ৮-১০ টা ঢোলৰ শব্দ প্ৰদূষণৰ প্ৰতাপত নামটিৰ নামযাৰ, পেঁপুৱাৰ পেঁপাৰ মাতটো, গগণা, সুতুলীৰ মাত শুনিবলৈ বিচাৰকৰ কষ্ট হয়। এইক্ষেত্ৰত ঢোল বজাওঁতাসকলে দৃষ্টি দিয়া উচিত। বজাওঁতাসকলে নাম গাওঁতে, পেঁপা বজাওঁতে ঢোলৰ খোলাত হে ঢোলৰ মাৰিৰে আঘাত কৰিব লাগে।

বিহুতলীৰ বিহুৱতীৰ সাজ-পাৰ

১। বিহুৱতীয়ে অসমীয়া বস্ত্ৰশিল্প কলাক সন্মান জনাই বৈশিষ্ট্যপূৰ্ণ মহিলাৰ সাজ-পাৰ পিন্ধাটো বাধ্যতামূলক।

২। ৰিহা-মেখেলা আৰু বুকুচোলা বিহুৱতীৰ সাজ-পাৰ।

৩। গাভৰুৰ বুকুচোলা বা ব্লাউজটোৰ ৰং ৰঙা বা মুগা হ'ব পাৰে। ব্লাউজটো কঁকাললৈকে বৈ পৰা সাত গছ জৰী বান্ধিব জোখৰ হ'ব লাগে। চোলাৰ হাতকেইখন কিলাকুটিৰ অলপ তললৈকে নমা, হাতৰ মূৰত ছুটিয়া বা ক'লা আঁচু বা বগা সূতাৰ কৰতমুখীয়া ফুল হ'ব পাৰে।

৪। বিহুৱতীৰ ব্লাউজ দীঘল হাতৰ (কিলাকুটিৰ ওচৰত কটা) হোৱাতো বাঞ্ছনীয়।

৫। বিহুৱতীৰ ব্লাউজ কিলাকুটিৰ ওচৰত কটা নহ'লেও হয়। কিন্তু শালীনতা ৰক্ষা কৰি পৰিধান কৰা উচিত।

৬। দ কৈ ডিঙি কটা ব্লাউজ পিন্ধাটো বাঞ্ছনীয় নহয়।

৭। বিহুৱতীয়ে ফুল থকা গধুৰ সাজ অথবা মুগাৰ চেট পিন্ধাটো বাঞ্ছনীয় নহয়।

৮। বিহুৱতীৰ কঁকালত খুচনি মাৰি (ৰঙা হাঁচতি অৰ্থাৎ পখৰুতং) এখন লোৱাতো গ্ৰহণযোগ্য। অৱশ্যে অপৰিহাৰ্য নহয়।

৯। খুচনিৰ হাঁচতিত ডবোৱা কটাৰী এখনহে লোৱাতো গ্ৰহণযোগ্য। (যদিহে হাঁচতি লয়)

১০। বিহুৱতীয়ে সাজপাৰ কি পিন্ধিছে সেইটোৰ লগত কিমান ভালকৈ পৰিধান কৰিছে সেইটো লক্ষণীয়।

১১। নাচনীয়ে খোপাত বতৰৰ ফুল নাহৰ, তগৰ, কপৌফুল আদি ব্যৱহাৰ কৰিব। কৃত্ৰিম ফুল বৰ্জনীয়। বসন্ত কালৰ যিকোনো ফুল ব্যৱহাৰ কৰিব পাৰিব।

১২। কঁকালৰ হাঁচতি বা পখৰুতংখনৰ ৰঙৰ ক্ষেত্ৰত ধৰাবন্ধা নিয়ম থাকিব নালাগে। তথাপিতো ৰঙা, কলা, বগা ৰং ব্যৱহাৰৰ উপযোগী।

১৩। গহনাৰ ক্ষেত্ৰত অসমীয়া গহনা সংস্কৃতিত ভৰপুৰ হৈ থকা অলঙ্কাৰৰ পৰা ডিঙিত, কাণত, দৈহিক গঠন আৰু অবয়বলৈ লক্ষ্য ৰাখি এপদমানকৈ সজাই পিন্ধিলেও গ্ৰহণযোগ্য হ'ব। অতৰিক্ত বা অতিৰঞ্জিত হ'ব নালাগে।

১৪। কঁপালৰ ফোঁট অসমীয়া নাৰী সমাজে প্ৰকৃতভাৱে লোৱা স্থানতহে ল'ব। চকু চেলাউৰি যুৰিৰ সোমাজৰ অংশৰ কিছু ওপৰলৈ মুখায়বৰ লগত জেউতি চৰাই (পূৰ্ণিমাৰ জোন যেন) ল'ব লাগে।

১৫। নাচনীয়ে জেতুকাৰ বোলেৰে দুহাতৰ তলুৱা বোলাব।

বিহুতলীৰ বিহুনাচ

১। পুৰুষৰ বিহুনাচ আৰু মহিলাৰ বিহুনাচৰ মাজত কিছু পাৰ্থক্য আছে।

২। বিহুনাচত মুদ্ৰা নাথাকে। নাচৰ ভঙ্গীমাহে আছে। বিহুনাচ অভিনয়যুক্তও নহয়।

৩। প্ৰকৃতিৰ অনুকৰণত ডেকা-গাভৰুৰ প্ৰাণত সৃষ্টি হোৱা উৎসাহ-উদ্দীপনাৰ প্ৰকাশেই বিহুনাচৰ মুখ্য প্ৰতিপাদ্য বিষয়।

৪। বিহুনাচৰ উদ্দেশ্য দুটা। (ক) নিজে নাচি আনন্দ লাভ কৰা আৰু (খ) আনক আনন্দ দিয়া বা আকৰ্ষণ কৰা।

৫। বিহুনাচৰ মূল ভঙ্গীমা পাঁচটা হ'লেও গ্ৰহণ কৰিব পৰা আৰু কেইটামান ভঙ্গীমাও অন্তৰ্ভূক্ত কৰা হ'ল।

৬। ম'হৰ শিঙৰ দৰে হাতৰ ঠাৰি ঘেৰ খোৱাই কঁপালৰ আগলৈ হাত মেলি কঁকাল ভাঙি আৰু সৰু গাঁঠিত হাতৰ তলুৱা ভাঙি নচা নাচ।

৭। হাতৰ তলুৱাৰ পিঠি পিছফালে কঁকালত থৈ সন্মুখলৈ কঁকাল ভাঙি নচা নাচ।

৮। হাত মেলি টাকুৰি ঘুৰাদি ঘুৰি ঘুৰি নচা নাচ।

৯। দুয়োখন হাত খোপাত দি বা এখন হাত খোপাত দি আনখন হাত কঁকালত দি কঁকাল ভাঙি নচা নাচ।

১০। বাওঁহাত কঁকালত দি সোঁহাতেৰে স্পৰ্শ কৰি।

১১। সোঁহাতেৰে বাওঁহাতৰ আঙুলি ধৰি পানীৰ ঢৌ খেলোৱাৰ নিচিনা কৰি।

১২। পিছফালৰ পৰা কঁকাল খামুচি ধৰি তালে তালে এৰি কঁকাল ভাঙি নচা নাচ।

১৩। কঁকালত হাত দি হালি-জালি নচা নাচ।

১৪। কোনো কোনো সময়ত আকাশত চৰাই উৰা নিচিনা কৰি নচা নাচ।

১৫। এখন হাত কঁকালত থৈ আনখন হাত ম'হৰ শিঙৰ দৰে ঘেৰ খোৱাই সন্মুখলৈ দি হাতৰ সৰু গাঁঠিত হাতৰ তলুৱা ভঙা লগতে সন্মুখলৈ কঁকাল ভঙা, পুনৰ হাত সলনি কৰি নচা নাচ।

১৬। মঞ্চত দৌৰি ফুৰিব নালাগে। অতি বেছি চঞ্চল হৈ তীব্ৰ বেগত নাচিব নালাগে।

১৭। কৃষি নাচ (হাল বোৱা, ৰোৱা-তোলা, তাঁত বোৱা, জাকৈ মৰা, ঢেঁকী দিয়া ইত্যাদি) প্ৰত্যক্ষভাৱে মঞ্চত মুদ্ৰা দি পৰিৱেশন কৰা বিহুনাচক প্ৰকৃত বিহুৰ নাচৰ পৰা বিৰত থাকিব লাগে।

১৮। জাপি লৈ নচা নাচক বিহুনাচলৈ ননাই ভাল। ই পৰম্পৰাগত বিহুনাচ নহয়। হুঁচৰিত ডেকাসকলে কাঁহী ঘূৰোৱা পৰম্পৰা আছে। বৰ্তমান প্ৰতিযোগিতাৰ মঞ্চত সময়ৰ প্ৰতি লক্ষ্য ৰাখি কাঁহী ঘূৰোৱা নাচ বাধ্যতামূলক কৰা নাই। সম্ভৱ হ'লে এই নাচ পৰিৱেশন কৰিব পাৰে।

১৯। নাচনীয়ে পিঠি ফালে ৰাজহাড় বেঁকা কৰি হাউলিবলৈ চেষ্টা কৰা নাচ বিহু ভঙ্গীত নপৰে। নাচনীয়ে আগফালেহে সামান্য হাউলি নাচে।

২০। বিহুৱতীয়ে বিহুনাচ নাচোতে তিনিবিধ খোজ বা পদ চালনা দিয়া দেখা যায়। এই পদচালনাবোৰ বুজিবলৈ সুবিধা হোৱাকৈ নামকৰণ কৰা হৈছে।

২১। **শালিকা বুলনি ঃ** গিৰিপ গিৰিপকৈ দিয়া খোজ। শালিকা চৰাইয়ে বা ঘৰচিৰিকা চৰাইয়ে দুয়োটা ঠেং একেলগে কৰি জঁপিয়াই জঁপিয়াই যোৱাৰ দৰে খোজ দিয়াৰ বাবে বৰ্তমানৰ আলোচকসকলে এই পদ চালনাক "শালিকা বুলনি" নামকৰণ কৰিছে।

২২। **মকৰা বুলনি ঃ** মকৰা বহুঠেঙীয়া প্ৰাণী। খোজ কাঢ়োতে ইহঁতৰ ঠেং কেইটা পৰম্পৰে আঁতৰি থাকে। এইদৰে নাচনীয়ে ভৰি দুটা ফাঁক কৰি আঁতৰাই দিয়া খোজক মকৰা বুলনি নামকৰণ কৰিছে।

২৩। **পৰুৱা বুলনি ঃ** ভৰি নদঙাকৈ খুপি খুপি পৰুৱাই খোজ দিয়াৰ দৰে পৰুৱা বগোৱাৰ দৰে লাহে লাহে খোজ আগবঢ়াই নিয়া বুলনিক পৰুৱা বুলনি নামকৰণ কৰিছে। এই বুলনি দুয়ো ভৰিৰ পতা খোপনিৰ দ্বাৰা পথালিকৈ গতি কৰা হয়।

বিহুৱাৰ নাচ

১। বিহুৱাৰ নাচ প্ৰকৃততে কলাফুলত। পুৰুষত্ব গুণ গৰিমা প্ৰদৰ্শনেৰে কলাফুলৰ সৌন্দৰ্য আৰু পুৰুষ সুলভ দেখুৱাবলৈ যাওঁতে বিহুৱাৰ নাম, ঢুলীয়াৰ ঢোলৰ ছেওঁ চাপৰৰ তালে তালে খাজে খাজে দৈহিক ভাজ আৰু প্ৰকৃতি প্ৰদত্ত আচৰণেৰে হাতৰ ভঙ্গী আৰু ঘূৰণ গতি আদিয়েই বিহুৱাৰ সাধাৰণ বিহুনাচ।

২। বিহুনাচত পুৰুষে কঁকালৰ ওপৰৰ অংশতকৈ তলৰ অংশ সন্মুখলৈ ভাঙি ভাঙি নাচিব লাগে।

৩। সত্ৰীয়া নৃত্যৰ দৰে গ্ৰীবা সঞ্চালন, নিতম্ব সঞ্চালন, হাতযোৰ কৰি নচা, আঠুকাঢ়ি নচা নাচবোৰ গ্ৰহণযোগ্য নহয়। (এই দফাটো বিহুৱতীৰ ক্ষেত্ৰটো প্ৰযোজ্য)

৪। প্ৰতিযোগিতাৰ মঞ্চত হুঁচৰিতেই হওক বা মুকলি বিহুতেই হওঁক বহুৱালি তথা অৰ্থহীন নাচবোৰক অগ্ৰাধিকাৰ দিয়া নহ'ব।

গাভৰু বিহু (জেং বিহু বা টকা বিহু)

১। যৌৱনপ্ৰাপ্ত গাভৰুসকলৰ নিজা বৈশিষ্ট্যৰে ভৰা গাভৰুবিহু প্ৰতিযোগিতা। গাভৰুবিহু পাটগাভৰুসকলৰ মাজতো অনুষ্ঠিত কৰিব পাৰি। কিন্তু বয়স অনুপাতে বিহুনাম নিৰ্বাচনত গুৰুত্ব দিব।

২। আৰম্ভণিতে চাকি বা বন্তি, বিহুৱান আৰু গুৱাপাণ ইত্যাদিৰে প্ৰকৃতিদেৱীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে যথাবিহিত পৰম্পৰাৰ বৈশিষ্ট্য ৰাখি ভক্তিভাৱ প্ৰকাশ কৰিব পাৰিব। বেছি ধৰ্মীয় প্ৰভাৱ জেং বিহুত থাকিব নালাগে।

৩। জনগোষ্ঠীভেদে গাভৰুবিহুৰ বৈশিষ্ট্য কিছু বেলেগ হয়।

(ক) কোনো কোনো জনগোষ্ঠীৰ গাভৰুবিহু যোজনা এযাৰিৰে আৰম্ভ কৰা হয়।

(খ) কোনো কোনো জনগোষ্ঠীৰ গাভৰুবিহু হুঁচৰিৰ ঘোষাৰ দৰে আৰম্ভ কৰা হয়। এই দুয়োটা বৈশিষ্ট্যই গ্ৰহণীয়।

৪। বিহুনামসমূহ ডেকা সংগীক উদ্দেশ্যি বা প্ৰকৃতিমূলক নতুবা কৃষ্টিমূলক হোৱা উচিত।

৫। গাভৰু বিহুত টকা, গগণা, হাতৰ চাপৰি আৰু সুতুলী বাদ্যৰ বাদে অন্য পুৰুষৰ বাদ্য বজাব নালাগে।

বিহুনাম

১। হুঁচৰি আৰু মুকলি বিহুৰ বিহুনাম সম্পূৰ্ণ পৃথক। মুকলি বিহুৰ লগত হুঁচৰিৰ সম্পৰ্ক নাই।

২। বিহুনামসমূহ প্ৰধানকৈ চতুষ্পদী। প্ৰথম দুশাৰীৰ মতে তৃতীয় আৰু চতুৰ্থশাৰী দুটা হয়। দ্বিতীয় শাৰীৰ ছন্দ সচৰাচৰ চতুৰ্থ শাৰীৰ এটা দেখা যায়।

৩। অতীজৰ বিহুনামসমূহৰ শব্দ, বাক্য সলনি কৰি বিহুনাম গাব নোৱাৰিব। অতীজৰ বিহুনামৰ ঠাঁচত নতুন বিহুসুৰীয়া গীত, বিহুনাম, বিহুগীত হিচাপে ৰচনা কৰি গাব নোৱাৰিব।

৪। বিহুনামৰ সুৰ পঞ্চস্বৰ যুক্ত হ'বই লাগিব। আধুনিক আৰু শাস্ত্ৰীয় সংগীতৰ সুৰ বিহুনামত সংযোজন কৰিব নোৱাৰিব।

৫। বিহুনামবোৰত সাধাৰণতে দুশাৰী বা এশাৰী উপমা আৰু তলৰ দুশাৰীত বক্তব্য প্ৰকাশ কৰা হয়। অৱশ্যে বিহুনামৰ জাতসমূহ আৰু মলিতাসমূহ এই ধৰণৰ নহ'বও পাৰে।

৬। চ'তৰ বিহুনামবোৰ জোৰানাম বা ঠেলানাম হ'লেও প্ৰেম, বিৰহ, সুখী পৰিয়াল গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি সম্পন্ন।

৭। বিহুনাম সমূহীয়াভাৱে গোৱা হয়।

৮। বিহুনাম বুলি হাবিনাম বা গৰখীয়ানাম গাব নোৱাৰিব।

৯। অসমীয়া ভাষা সংস্কৃতিৰ সন্মান আৰু মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত বিহুনামত অসংযত ভাষা প্ৰয়োগ, শব্দ প্ৰয়োগ একান্তই বৰ্জনীয়।

বিহুৱা, বৰবিহুৱা প্ৰতিযোগিতা

১। বিহু একক অনুষ্ঠান নহয়। সেয়েহে এজন বিহুৱা এককভাৱে মঞ্চৰ বিহুতলীত প্ৰতিযোগিতাত অংশ ল'বলৈ মঞ্চলৈ নাহি সমজুৱাকৈ আহিব। তাৰ মাজতে প্ৰতিযোগী বিহুৱাজনে দক্ষতা প্ৰকাশ কৰিব।

২। প্ৰতিযোগী বিহুৱাজনৰ লগতে লগৰ বিহুৱাসকলৰ সাজ-পাৰ পৰিৱেশন শৈলী আদি বিষয়ত গুৰুত্ব দিয়া হ'ব।

৩। প্ৰতিযোগী বিহুৱাজনে বিহুনাম গাব লাগিব, নাচিব লাগিব, বিহুৰ পঞ্চবাদ্য অন্ততঃ বজাব লাগিব।

৪। বিহুৱা বা বৰবিহুৱা প্ৰতিযোগিতাত পৈণত বয়সৰ (কমেও ১৫ বছৰৰ ওপৰৰ) ডেকাইহে অংশগ্ৰহণ কৰিব পাৰিব।

৫। পূৰ্বতে বিহুতলীত শ্ৰেষ্ঠ বিবেচিত হোৱা বিহুৱাইহে বৰ বিহুৱা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

৬। বাদ্য বাদনৰ ক্ষেত্ৰত বিহুৱাই স্থানীয়ভাৱে প্ৰচলিত ছেওঁ চাপৰ বজোৱা উচিত। চাৰ্কাচ কৰাৰ দৰে নানা শাৰিৰীক কলা-কৌশল প্ৰদৰ্শন কৰিব নোৱাৰিব।

বিহুৱতী, বৰ বিহুৱতী প্ৰতিযোগিতা

১। বিহুৱতী, বৰবিহুৱতীৰ সাজ-পাৰ, বিহুনাচ, বিহুনাম সম্পৰ্কীয় বিষয়সমূহ আলোচনা কৰি অহা হৈছে। এই ক্ষেত্ৰতো তেনেদৰেই প্ৰযোজ্য হ'ব।

২। প্ৰাপ্তবয়স্ক গাভৰুৱেহে বিহুৱতী, বৰ বিহুৱতী প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব;

৩। বিহু একক অনুষ্ঠান নহয়। সেয়েহে প্ৰতিযোগিতাৰ মঞ্চলৈ আহোতে গাভৰুৰ লগৰীয়া (ডেকা বিহুৱাৰ উপৰিও) সকলক লৈ দলগতভাৱে মঞ্চত প্ৰৱেশ কৰি বিহুৱতীৰ লগত অংশগ্ৰহণ কৰিব লাগে।

৪। মহিলাই বজোৱা বিহু বাদ্যসমূহ বিহুৱতীয়ে বা বৰ বিহুৱতীয়ে বজাব।

৫। বহুকেইখন বিহুতলীত শ্ৰেষ্ঠতা বিবেচিত হোৱা বিহুৱতীয়ে বৰ বিহুৱতী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

৬। বিহুৱতীৰ সমধুৰ কণ্ঠ, বিহুনাম শুদ্ধ ৰূপত নচা বিহুনাম, প্ৰকাশভংগী আদি ক্ষমতাসমূহ গুৰুত্বপূৰ্ণ।

বিহুনাচ

বিহুনাচ প্ৰতিযোগিতাত প্ৰতিযোগীয়ে কেৱল শুদ্ধ ৰূপত বিহু নাচিলেই হ'ব। বিহুনাচ প্ৰতিযোগিতা সাধাৰণতে পাট গাভৰু আৰু চেমনীয়াৰ মাজতহে অনুষ্ঠিত কৰিব পাৰিব। বিহুনাম গোৱা আৰু বিহুবাদ্য বজোৱা কাৰ্য নকৰিলেও হয়।

বিচাৰকৰ অৰ্হতা

১। নিৰপেক্ষভাৱে শুদ্ধ নীতিৰে বিবেচনা কৰিব পৰা, বিহু-কৃষ্টিৰ ওপৰত অধ্যয়ন থকা পাৰ্গত এগৰাকী প্ৰতিভাশীল ব্যক্তিক বিচাৰক হিচাবে নিয়োগ কৰিব লাগে।

২। স্বাৰ্থ জড়িত ব্যক্তিক বিচাৰকৰ দায়িত্ব দিয়া অনুচিত। বিহু বিচাৰকৰ বিহু দলৰ লগত (দলীয় স্বাৰ্থ) থাকিব নালাগিব।

৩। নিচাযুক্ত দ্ৰব্য সেৱন কৰা, শাৰীৰিকভাৱে অসুস্থ বা দুৰ্বল, মানসিক অসুস্থ ব্যক্তিক দায়িত্ব আৰোপ কৰিব নোৱাৰিব।

৪। প্ৰতিযোগিতাৰ প্ৰতিটো বিষয়বস্তুৰ ওপৰত সম্যক দখল আৰু যোগ্যতা থাকিব লাগিব।

৫। সম্পূৰ্ণ জাতীয় সাজ-পাৰ পৰিধান (গামোচা, ধুতি, কুৰ্টা-চোলা) কৰিব। জাতীয় সাজেৰে বিচাৰকৰ আসন গ্ৰহণ কৰাতো ঐতিহ্যপূৰ্ণ।

৬। বিচাৰকে সদৌ কামৰূপ বিহুৱা-বিহুৱতী, বিহু বিশেষজ্ঞ আৰু বিহু বিচাৰকৰ জিলা সমিতিয়ে ধাৰ্য কৰি দিয়া মূল্যাঙ্কনৰ প্ৰ-পত্ৰৰ (নম্বৰ দিয়া তালিকা) বিপৰীতে বিচাৰ নকৰিব।

৭। বিচাৰকে সমিতিৰ পৰা দায়িত্ব গ্ৰহণ কৰাৰ পিছত বিচাৰকৰ দায়িত্ব পালন নকৰাকৈ নাথাকিব। সকলো প্ৰকাৰৰ গোপনীয়তা ৰক্ষা কৰিব।

৮। মন্তব্যৰ কলম স্পষ্টকৈ লিখিব। বিচাৰকে লিখিত টোকাত বিচাৰৰ নিৰপেক্ষতা অৱলম্বন কৰিব। পৰিস্থিতি সাপেক্ষে।

৯। ফলাফলৰ মন্তব্য ৰাজহুৱাকৈ ঘোষণা কৰাত গুৰুত্ব দিয়া প্ৰয়োজন।

১০। সকলো প্ৰকাৰৰ স্বজন-প্ৰীতি বৰ্জন কৰিব। প্ৰতিযোগিতাত বিহু বিষয়ৰ প্ৰশ্ন-উত্তৰ শিতানটি পৰিস্থিতি সাপেক্ষে প্ৰয়োজনীয় হ'লেও ই অপৰিহাৰ্য নহয়।

উদ্‌যাপন সমিতিসমূহলৈ গোহাৰি

১। জাতীয় উৎসৱ বিহুৰ পৱিত্ৰতা ৰক্ষা কৰাত গুৰুত্ব দিব।

২। প্ৰতিযোগিতাত হুঁচৰি প্ৰতিযোগিতা বিষয়টি গুৰুত্ব সহকাৰে ল'ব লাগে।

৩। "মুকলি বিহু" (ডেকা-গাভৰুৰ বিহু) আৰু 'হুঁচৰি' সুকীয়া-সুকীয়াকৈ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লাগে।

৪। বোৱাৰী বিহু প্ৰতিযোগিতা সন্নিৱিষ্ট নকৰি অন্য প্ৰদৰ্শনমূলক অনুষ্ঠানলৈ এৰা ধৰাৰ মাজেৰে সঁহাৰি জনাব।

৫। অনুষ্ঠিত কাৰ্যসূচীৰ কেইদিন বিষয়ববীয়াসকলৰ সাজপাৰ জাতীয় সাজপাৰ হ'ব লাগে।

৬। ৰাইজৰ দান-বৰঙণিৰে অনুষ্ঠিত কৰা বিহু সন্মিলনত থলুৱা লোক-সংস্কৃতি উত্তৰণৰ বাবে থলুৱা শিল্পীক উদ্‌গণি দিয়াত অগ্ৰাধিকাৰ দিব। বিহুটিক উদ্দেশ্য কৰি আয়োজিত অনুষ্ঠানত শিল্পীক জনোৱা সাদৰ-সম্ভাষণ অধিক পাৰিতোষিক দিয়াত আপত্তি নাথাকিলে উক্ত কেউটি দিনত স্থানীয় লোক শিল্পীসকলকো যথা সন্মানেৰে সমানে গুৰুত্ব দিব লাগে।

৭। মাননীয় বিচাৰসকলে খৰচ কৰা সময় মানসিক আৰু দৈহিক আত্মনিয়োগ আৰু অন্যান্য সম্ভাব্য সুবিধা-অসুবিধাৰ দিশলৈ গুৰুত্ব দি বিচাৰকসকলৰ মাননী বা পাৰিতোষিকৰ সঠিক মূল্য দিয়া একান্তই বাঞ্চনীয়। লগতে খোৱা-বোৱা, অহা-যোৱা, সুৰক্ষা আদিৰ ক্ষেত্ৰতো সমিতিয়ে গুৰুত্ব দিয়াতো বাধ্যতামূলক।

৮। বিচাৰকৰ অৰ্হতাৰ ক্ষেত্ৰত প্ৰতিযোগিতাৰ প্ৰতিটো বিষয়বস্তুৰ ওপৰত সম্যক দখল আৰু যোগ্যতা থকা ব্যক্তিক বিচাৰক হিচাপে নিয়োগ কৰিব লাগে।

৯। জেঠ মাহত কোনো ধৰণৰ বিহু অনুষ্ঠান অনুষ্ঠিত নকৰে যেন।

সদৌ কামৰূপ জিলা বিহুৱা-বিহুৱতী, বিহু বিশেষজ্ঞ আৰু বিহু বিচাৰক সমিতিয়ে নিৰ্ধাৰণ কৰা সপ্তবাণী

১। জাতীয় সংস্কৃতি ৰক্ষাৰ দায়িত্ব জাতিৰ ওপৰতেই ন্যস্ত।

২। লোক-সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰক, জাতীয় সংস্কৃতি চহকী হৈ থাকিব।

৩। নিজৰ সংস্কৃতি নিজেই ৰাখক।

৪। লোক সংস্কৃতি সংৰক্ষণ জীৱনৰ ব্ৰত হওঁক।

৫। লোক সংস্কৃতি জাতীয় সংস্কৃতিৰ ভেটি, ইয়াক সংৰক্ষণ কৰক।

৬। বিহু অসমৰ প্ৰাণ, অসমৰ মান, বিহু যেনে আছিল তেনেদৰেই থাকিবলৈ দিয়ক।

৭। বিহু থাকিলেহে অসমীয়া জাতি থাকিব।❑

ধন্যবাদ

মহৎ লোকৰ বাণী

- মই ভাবোতে চাৰিটা কথাই জীৱনটো যোগ্য কৰি তুলিব পাৰে। সেয়া হ'ল ভাল পাওঁক, আশা ৰাখক, সহায় কৰক আৰু হাঁহক।
  — চাৰ ৱাল্টাৰ স্কট।
- যেতিয়া সকলোৱে একেদৰেই ভাবিবলৈ লয় তেতিয়াই বুজিব লাগিব যে কোনো এজনেই বৰ বেছি একো ভবা নাই।
  — ৱাল্টাৰ লিপমেন

সাহিত্য

সোণোৱাল কছাৰী, হালালী ৰাজ্য আৰু হুঁচৰি সংস্কৃতিৰ ঐতিহ্যত এভূমুকি

✍ ড° ধৰ্মেশ্বৰ সোণোৱাল

অসমীয়া জাতি আৰু সংস্কৃতি, মহান ভাৰতীয় সংস্কৃতিৰে এটি অংশ যদিও ই ভিন্ন বৈশিষ্ট্যৰে মহিমামণ্ডিত। ইয়াত ভৌগোলিক, পাৰিপাৰ্শ্বিক, জাতিগত আৰু গোষ্ঠীগত আদি উপাদানবোৰে বহুতো অৰিহণা যোগাইছে। এই অৰিহণাবোৰত অসমৰ সাৰুৱা মাটিৰ ৰসৰ গোন্ধ পোৱা নানা জনগোষ্ঠীৰ মানুহে ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা বসতি স্থাপন কৰি সৃষ্টি কৰা সমাজ সংস্কৃতিয়ে আৰু বেছি সমৃদ্ধ কৰিছে। এই ভূ-খণ্ডত বিভিন্ন সময়ত বিভিন্ন স্তৰত, বিভিন্ন জাতি-উপজাতিয়ে আহি বসতি স্থাপন কৰিছে আৰু এনেকৈয়ে বৃহৎ অসমীয়া জাতি গঠনত সাংস্কৃতিক সমন্বয় আৰু বিকাশ ঘটিছে।

গতিকে দেখা যায় যে অতীতত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰা শদিয়াৰ "হালালী" ৰাজ্যত ৰাজপাট খোৱা সোণোৱাল কছাৰীসকলে বিভিন্ন জনগোষ্ঠীৰেই এক অতি পুৰণি জনগোষ্ঠী। কিৰাট সম্ভূত এই জনগোষ্ঠীটোৱে অসমৰ চটাই পৰ্বত (পাটকাই)ৰ পৰা ত্ৰিপুৰালৈকে আৰু হিমালয়ৰ পাদদেশ মহং-মালিনীৰ পৰা আজিৰ মিজুপাহাৰলৈকে সকলোতে সিঁচৰতি হৈ থকা সোণোৱাল কছাৰীসকলে তাহানিৰ শদিয়াৰ "হালালী" ৰাজ্যত বসবাস কৰিছিল। 'হা' মানে 'মাটি' আৰু 'লালী' মানে 'উজ্জ্বল'। উজ্জ্বল মাটিৰ দেশ বা সমৃদ্ধিৰ দেশ। এই "হালালী" প্ৰকৃততে ডিমাচা কছাৰী জনগোষ্ঠীৰ শব্দ। কিন্তু সোণোৱাল কছাৰীসকলৰ হুঁচৰি গীততো এই "হালালী" শব্দৰ প্ৰয়োগ বহুলভাৱে পোৱা যায়। যেনে—

১। লালী হালালী ঐ
লালীৰ ঘৰতে বিড়ালী সোমালে
লালী হালালী ঐ

২। হয়ে কি অহয়ে
লালৌ লালৌ হয়া ঐ
হেমালী ঐ হালালী ঐ
ধেমালি কৰিছো লালৌ লালৌ
ধেমালি বতৰে যাঁয়ে না ঐ
হালালী ঐ কিমান দুৰ ঐ। —ইত্যাদি

এতিয়া হালালী ৰাজ্যৰ অৱস্থিতি সম্পৰ্কে পুনৰ কিছু গ্ৰহণযোগ্য তথ্য দাঙি ধৰাৰ প্ৰয়াস কৰিলো। অতীতত যেতিয়া কছাৰী জনগোষ্ঠীৰ মানুহবিলাকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়োপাৰে বিয়পি পৰিছিল, সেই সময়তে কছাৰী ৰজা কৌণ্ডিল্য নাৰায়ণে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে লালী সুঁতি পাৰ হৈ বৰ্তমানৰ শদিয়া মহকুমাত কুণ্ডিল নদীৰ পাৰত কৌণ্ডিল্য ৰাজ্য স্থাপন কৰে আৰু কছাৰী ভাষাত এই ৰাজ্যৰ নাম "হালালী" নামেৰে নামকৰণ কৰে। অৰ্থাৎ উজ্জ্বল মাটিৰ দেশ বা সমৃদ্ধিৰ দেশ।

এই হালালী ৰাজ্যৰ চাৰিসীমা বৰ্তমানৰ শদিয়াৰ পৰা ডিমাপুৰলৈকে আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা সামগ্ৰ দেশ খণ্ডকে "হালালী" ৰাজ্য বুলি কোৱা হৈছিল। ড° সূৰ্যকুমাৰ

ভূঞাৰ কছাৰী বুৰঞ্জীমতে "শদিয়া আৰু দিহিং উপত্যকাত শদিয়ালীয়া কছাৰীসকলে এখন ৰাজ্য গঢ়ি তুলিছিল আৰু সেই ৰাজ্যৰ সীমা পূবে শদিয়া, পশ্চিমে দিখৌমুখ আৰু দক্ষিণে দিলিহৰ কেন্দুগুৰিলৈকে বিস্তৃত আছিল।"

আনহাতে এইহালালী ৰাজ্যৰ অৱস্থিতিৰ বিষয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এনেদৰে কৈছে— "হালালী" প্ৰকৃততে দিবং-দিহং নৈৰ কাযত থকা এখনি কিৰাট সম্ভূত কছাৰী ৰাজ্য আছিল। সেই ৰাজ্য বড়ো গোষ্ঠীৰেই সোণোৱাল কছাৰীসকলে পাতিছিল। তাত মুকুতা ৰজা, মাণিক ৰজা আদি কৰি তেওঁলোকৰ চৈধ্যটা বংশৰ বহু ৰজাই ৰাজত্ব কৰিছিল।" সোণোৱালসকলৰ বৰ্তমান এই চৈধ্যটা বংশ হ'ল মদনিয়াল, মাণিকিয়াল, হ'গ্ৰাল, মুকতাল, এজমাল, ফৰমাল, বৰহজোৱাল, সৰু সজোৱাল, লাঠিয়াল, চতিয়াল, কুমৰাল, ঢেঁকিয়াল, দংৰাল আৰু ডিঙিয়াল। সোণোৱালসকলৰ সাতখেল হ'ল— উজনি কুচীয়া, নামনিকুচীয়া, অমৰাৱতীয়া, তিপমীয়া, ঢুলিয়াল চিৰপৰীয়া আৰু বালিখিতাৰী। এই সাত খেল বৰ্তমান সমাজতো সজীৱ ভাবেৰে বিদ্যমান। এই বংশবোৰৰ বিষয়ে গ্ৰীক বুৰঞ্জীবিদ টলেমীয়ে ২০০ খ্ৰীষ্টাব্দত ভাৰতলৈ আহোতে E.H. কামৰূপত উল্লেখ কৰি গৈছে।

ৰাজয়ং বৰ্মনে খ্ৰীষ্টাব্দ ১৮৯৬-১৮৯৮ চনৰ ভিতৰত লিখা বুৰঞ্জীমতে কছাৰীসকলে ডিমাপুৰত ৰাজত্ব কৰাৰ আগতে ভূপেন্দ্ৰধ্বজ ৰজাই বৰ্তমানৰ তিনিচুকীয়া জিলাৰ ডুমডুমা অঞ্চলত ৰাজত্ব কৰিছিল। উল্লেখ আছে যে তেওঁৰ আগতে ১০৮ জন ৰজাই এই ডুমডুমা অঞ্চলত ৰাজত্ব কৰিছিল। তাৰে গান্ধীধ্বজ ৰজাই ১২৩৪ খ্ৰীষ্টাব্দত হালালী ৰাজ্যত ৰাজত্ব কৰি পিছলৈ ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ ১২৮১ খ্ৰীষ্টাব্দত ডিমাপুৰত গৈ ৰাজত্ব কৰিছিল। গতিকে দেখা যায় যে ১২৩৪-১২৮১ খ্ৰীষ্টাব্দলৈ কছাৰীসকলে গোটেই ডিব্ৰুগড় মহকুমাৰ পৰা শিৱসাগৰৰ দিখৌ নৈৰ পূব পাৰলৈ ৰাজত্ব কৰিছিল আৰু ইয়ে আছিল "হালালী ৰাজ্য" আৰু এইজন ৰজাৰ ৰাজত্বকালৰ পৰাই কছাৰীসকলৰ হালালী ৰাজ্যত নিৰ্দিষ্ট ৰাজত্বকাল এতিয়ালৈকে প্ৰশস্তভাৱে বুৰঞ্জীত পোৱা গৈছে। তাৰোপৰি ১৮৩০ চনলৈকে কছাৰীৰ শেষ ৰজা গোবিন্দ চন্দ্ৰৰ শাসন কাললৈ অন্যান্য কছাৰী বুৰঞ্জীবোৰে স্বাক্ষৰ প্ৰদান কৰিছে।

ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে এইটো প্ৰমাণিত হয় যে আদিম যুগৰে পৰা অৰ্থাৎ ৮৩০ খ্ৰীষ্টাব্দৰ পৰাই শদিয়াত সোণোৱাল কছাৰীসকলে ৰাজত্ব কৰি আহিছে। এই ভূ-খণ্ডৰ মাটিত প্ৰথমে মানৱ সভ্যতাৰ পাতনি মেলা কছাৰীসকলে তেওঁলোকৰ অতীজৰ নিজা ভাষাত নামকৰণ কৰা নদী আৰু ঠাইৰ নামে আজিও কছাৰী ৰাজ্যৰ অৱস্থিতিৰ কথাকে প্ৰকাশ কৰিছে। উদাহৰণস্বৰূপে দিবং, দিহং, দিচাং, দিৰাক, ডুমডুমা, দিব্ৰুং, দিগবৈ, দিমৌ, দিচৈ, দিলিহৰ, দিখৌ, দৈয়াং, সোৱণশিৰি আদি নদীৰ নামবোৰ সলনি নোহোৱাকৈ আজিও কছাৰী ভাষাতে প্ৰচলিত হৈ আছে। সোণোৱাল কছাৰী জনগোষ্ঠীৰ বংশাৱলীমতে প্ৰাগঐতিহাসিক যুগৰ পৰা ঐতিহাসিক যুগলৈকে ওপৰত উল্লিখিত সাত খেল আৰু চৈধ্য বংশৰ মানুহে "হালালী" ৰাজ্যত শাসনকাৰ্য চলাইছিল।

সেয়ে হালালী ৰাজ্যত বসবাস কৰি থকা সময়তে সোণোৱাল কছাৰীসকলৰ জাতি গঠন প্ৰক্ৰিয়াটোৱেও পূৰ্ণতা লাভ কৰিছিল। তাৰ বাবেই এটি স্বকীয় ঐতিহ্যপূৰ্ণ বংশ পৰিচয়েৰে অন্তৰ্ভুক্ত হৈ পৰা মধ্যযুগৰ উজনি অসমৰ উন্নত কছাৰী মানুহ মাত্ৰেই সোণোৱাল কছাৰী বুলি জনাজাত আছিল আৰু মহান কছাৰী জাতিৰ এটা বিশিষ্ট ফৈদৰূপে বুৰঞ্জীত চুটিয়াসকল ১২৭৯ খ্ৰীষ্টাব্দত শদিয়ালৈ আগমণৰ আৰু আহোমসকলে খ্ৰীষ্টীয় ১৫ শতিকাত শদিয়া আক্ৰমণ কৰাৰ পূৰ্বতেই কছাৰীসকলে খ্ৰীষ্টীয় ৮৩০ শতাব্দীতে শদিয়াত 'হালালী' ৰাজ্য স্থাপন কৰিছিল আৰু সেয়ে প্ৰথিতযশা বুৰঞ্জীবিদ U.C. গুহই ১০০০ খ্ৰীষ্টাব্দত শদিয়াত 'শালালী' নামেৰে এখন কছাৰী ৰাজ্য আছিল বুলি কাচাৰেৰ ইতিবৃত্তৰ ৬০ পৃষ্ঠাত উল্লেখ কৰিছে। পিছলৈ আহোম স্বৰ্গদেউ গদাধৰ সিংহ আৰু তেওঁৰ পুত্ৰ ৰুদ্ৰসিংহৰ ৰাজত্ব কালত (ক্ৰমে ১৬৮১-১৬৯৬) আৰু (১৬৯৬-১৭১৪) সোণোৱাল কছাৰীসকলে শদিয়াৰ পৰা দক্ষিণলৈ লুইত পাৰহৈ বৰ্তমানৰ তিনিচুকীয়া জিলাৰ ডুমডুমা, চৈখুৱা, মেগেলা, বৰপথাৰ, ডাঙৰি, ঢলা আৰু ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া, চাচনি, টেঙাখাত, টিংখাং, খেৰেমীয়া, কছাৰী পথাৰ, মানকটা, বৰবৰুৱা, জামিৰা আৰু গোলাঘাট জিলাৰ বৰহলা, নগাবাদ, যোৰহাট জিলাৰ ধনশিৰি আদি অঞ্চলৰ

উপৰিও অৰুণাচল, নাগালেণ্ড ৰাজ্যৰ কিছু অঞ্চললৈ আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে লখিমপুৰ জিলাৰ বিহপুৰীয়া, পানীগাঁও, সোৱণশিৰি, পথালিপাম, বগীনদী, গাগলডুবি, কাদম মইনাপাৰা, ধেমাজি, চিলাপথাৰ আৰু জোনাই আদি অঞ্চললৈ বিস্তাৰিত হৈ পৰে।

গতিকে, অতীত অসমত হালালী ৰাজ্যত তাহানিৰ কছাৰীসকলে স্বৰ্গদেউসকল অসমলৈ অহাৰ (১২২৮ খ্ৰীষ্টাব্দত) বহু বছৰৰ পূৰ্বতেই অসমত বসবাস কৰি আছিল। কোনো কোনোৱে ক'ব খোজে খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰাই কছাৰীসকলে নিজা পৰম্পৰা আৰু শাসন প্ৰণালীৰে শদিয়াৰ হালালী ৰাজ্যত আৰু উত্তৰ পাৰে হেমালী ৰাজ্যত বসবাস কৰিছিল। সেয়ে এই কিৰাট সম্ভূত কছাৰী লোকসকল মহাভাৰতৰো বহু যুগৰ আগতে আহিছিল বুলি ঠাৱৰ কৰা হয়। কিয়নো মহাভাৰতৰ তাহানিৰ কামৰূপৰ বাসিন্দাসকলক কৈৰাট বুলি অভিহিত কৰিছে আৰু এই কৈৰাট সকলেই হৈছে তিব্বতবাসী বড়ো কছাৰী গোষ্ঠীৰ মঙ্গোলীয় লোক (Sunity Kr. Chetterjee) আৰু সোণোৱাল সকলো তাৰে এটি ঠাল মাথোন।

তদুপৰি উল্লেখ থাকে যে স্বৰ্গদেউসকল ১২২৮ খ্ৰীষ্টাব্দত প্ৰথমে অসমলৈ আহোতে দক্ষিণ সীমান্তৰ মহঙত প্ৰবেশ কৰি তেতিয়াৰ এই কছাৰীয় থলুৱা প্ৰাকৃত আৰু তেতিয়া প্ৰচলিত খিলঞ্জীয়া ভাষাটোকে প্ৰথমে গ্ৰহণ কৰিছিল আৰু লাহে লাহে পিছলৈ সেই প্ৰাকৃত ভাষাৰ আধাৰত গঢ় লৈ উঠা সংস্কৃতি, বৈশিষ্ট্য পৰম্পৰা, আচবাব, শিল্প, ৰীতি-নীতিবোৰকো আদৰি লৈছিল আৰু ইয়ে প্ৰমাণ কৰে যে শদিয়াৰ তাহানিৰ মহঙত বড়োমূলীয় এক সোণোৱাল কছাৰী ৰাজ্য আছিল। সোণোৱাল কছাৰীসকলৰ এই জাতীয় কৃষ্টি সংস্কৃতিবোৰো অতি পুৰণি যিয়ে অসমীয়া সংস্কৃতিত এক উল্লেখযোগ্য অবদান আগবঢ়াইছে বুলি অনুধাৱন কৰিব পাৰি আৰু যিবোৰ হ'ল একান্তই কৈৰাট সম্ভূত মঙ্গোলীয় আৰু হালালী সংস্কৃতি।

সেয়ে সোণোৱাল কছাৰীসকলৰ 'হালালী' সংস্কৃতিৰ প্ৰথম আৰু প্ৰধান সংস্কৃতি হাইদাং আৰু হুঁচৰি সৃষ্টিৰ বৈশিষ্ট্য আৰু পৰিৱেশনৰ তাৎপৰ্যৰ বিষয়ে সম্যক আভাস ডাঙি ধৰিবলৈ প্ৰয়াস কৰিলো। সোণোৱালসকলৰ মতে এই হুঁচৰি অনুষ্ঠান কৃষিজীৱীসকলে কৃষিভূমিৰ উৰ্বৰতা কামনা কৰি অনাদি কালৰে পৰা উলহ-মালহৰে উদ্‌যাপন কৰি অহা এক আনন্দ উৎসৱ। যুগ যুগ ধৰি লোক মুখে বাগৰি অহা গীতেই হৈছে হুঁচৰিৰ মূল। সোণোৱালসকলে শিৱ আৰু পাৰ্বতীকেই এই হুঁচৰিৰ স্ৰষ্টা বুলি অভিহিত কৰে। কাৰণ দক্ষৰাজৰ ৰাজসভালৈ জোঁৱায়েক শিৱক নিমন্ত্ৰণ নকৰাৰ পৰিণাম স্বৰূপে পাৰ্বতীয়ে দক্ষৰ ৰাজসভাতে আত্মজাহ যোৱাত শিৱই পাৰ্বতীৰ শটো লৈ অনাই-বনাই ফুৰি অৱশেষত জঁকাটোহে ১৩ টা গাঁঠিৰ সৈতে ৰ'লগে আৰু এই তেৰটা গাঁঠিৰ বাঁহৰেই ঘটনাৰ আধাৰত ৰচিত ঘোষা, পদ গায় আৰু তাৰ তালে তালে টকাত টকা মাৰীৰে কোব মাৰি হুঁচৰি গায় আৰু সোণোৱাল কছাৰীসকলৰ এই হুঁচৰি অনুষ্ঠানৰ ঘোষা, পদ, গীত ইত্যাদি নিজস্ব আৰু স্বকীয়। সেয়ে তেওঁলোকে বিশ্বাস কৰে যে ব্ৰহ্মাৰ মানস কন্যা সুবচনী কুঁৱৰীৰ জৰিয়তে কালক্ৰমত মৰ্তলৈ আহি সোণোৱালসকলক প্ৰথম গীত হিচাপে হুঁচৰি গীত সৃষ্টি কৰি হালালী ৰাজ্যত গাবলৈ শিকালে। যেনে—

কৈলাশৰ শঙ্কৰে (শিৱই) হুঁচৰি স্ৰজিলে
পাৰ্বতীয়ে স্ৰজিলে নাম,
সুবচনী কুঁৱৰীয়ে শদিয়া ৰাজ্যতে
মুনিষক দি গ'ল দান।
কৈলাশৰ পৰা নমাই লৈ আহিলে
সুবচনী কুঁৱৰীয়ে পাই,
গজায়, মণায় দেউৰী, বাইথ্‌ই
দেৱতা গোসানীক মাই।

সোণোৱালসকলৰ হুঁচৰি গীতক সাধাৰণতে ৬ টা ভাগত ভাগ কৰা হয়। ১। বাৰেমন্ত্ৰ, ২। পোহাৰী গীত, ৩। থিয়গীত, ৪। বৰগীত, ৫। হাইদাং গীত আৰু ৬। টকা বা হুঁচৰি সামৰা গীত।

বাৰেমন্ত্ৰ বা হুঁচৰি আৰম্ভ মন্ত্ৰ ঃ শূক মুনি কৌতাল, বালি মাটি সূভ্ৰণ, মৃত্যুক জয় জয়, পূৰে ভঁৰাল পশ্চিমে গঁড়াল উত্তৰে চৰু দক্ষিণে গৰু। তিনিশ তিনি কুৰি দিনৰ মূৰত বলি ৰজাৰ বিহু।

পোহাৰী গীত বা হুঁচৰি গীত ঃ

অ হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে
হুৰে হুৰে গীতকে কোনে সমজায়;
মহাদেউ পাৰ্বতী সিও সৰজায়;
গজায় মনায় সিও সৰজায়;
খিৰিং ৰজা দেউতা সিও সৰজায়;
চাৰিশাল গোসানী সিও সৰজায়।
বেঁজী লৈ আন বতীয়ালৈ আন চোতাল সী যাওঁ।

থিয় গীত ঃ

হাতত কাৰফাই ল হেৰ' দদাই
মাৰ ঐ বালি চৰাই
হুৱাই ল সৰগৰ তৰা চাই থাক ঐ নিলগৰ পৰা
ককাই মহঙীয়া মহঙলৈ নাযাবি চাই থাক ঐ
নিলগৰ পৰা
নাখাওঁ দোখৰীয়া লোণ শৰীলৰে চাই থাক
ঐ নিলগৰ পৰা। ইত্যাদি

বৰগীত ঃ হাঁহ চৰাই না এ হেই,
হাঁহ চৰাই না হেই
দেবৰ ডাঙৰ ঐ খিৰিং ৰজা হেই
দেৱীৰ ডাঙৰ ঐ ভূৰুলী হাবুকী হেই। ইত্যাদি

হাইদাং গীত ঃ

হা-অ, হা-অ হা-অ
হা ইয়হ ডাঙৰ কোণ ডাঙৰ?
হা ইয়হ দেবৰ ডাঙৰ কোণ ডাঙৰ?
হা ইয়হ দেৱৰ ডাঙৰ খিৰিং ৰজা জে। ইত্যাদি

টকা বা হুঁচৰি সামৰা গীত ঃ

অ' ধন ধনে এ হয়কি অহয়ে হয়
ধনে ধনে হয়কি অহয় হয়
চন্দ্ৰক এসেৱা, সূৰ্যক এসেৱা
কৰো বসুমতীক সেৱা এ হেই। ইত্যাদি
লৌবাই লোহৰীয়া, লৌ বাই লোহতীয়া
গীতৰ শিমলু সোঁধাইছো
এহে মাতৰ শিমলু সোঁধাইছো। ইত্যাদি

সেয়ে হুঁচৰিত পৰিৱেশিত ঘোষা-পদ, গীতসমূহৰ নিজা স্বকীয় বৈশিষ্ট্য আছে আৰু এইবোৰ গীত এৰি অহা কালৰ ঐতিহ্যৰ নিদৰ্শন। জাতীয় জীৱনৰ চৰিত্ৰ ৰূপৰ উপমা আৰু ব্যঞ্জনাৰো সমাবেশ এই গীতবোৰত প্ৰতিফলিত হৈছে আৰু যত আছে ভোগৰ আনন্দ, তৃপ্তিৰ অবসাদ, সৃষ্টিৰ সৌৰৱ আৰু দৃষ্টিৰ ৰোমাঞ্চ।

বৰ্তমানৰ সোণোৱাল কছাৰীসকলৰ সমাজ ব্যৱস্থা, জীৱন ধাৰণৰ পদ্ধতি আৰু সংগীত কলা ইত্যাদি সকলোবোৰেই অতীতৰ চানেকি। সেয়েহে অতীতৰেই হওঁক বা বৰ্তমানৰেই হওঁক, প্ৰকৃত সংস্কৃতিৰ দাপোণখন সদায়েই গাঁৱতহে সংৰক্ষিত হৈ থাকে। সেয়ে সোণোৱাল কছাৰীসকলৰ তাহানিৰ সমাজ ব্যৱস্থা আৰু সংস্কৃতিবোৰো গাঁৱৰ একক পুৰুষৰ প্ৰচেষ্টাত গঢ় লৈ উঠা নাছিল, এইবোৰৰ পটভূমিত হাজাৰ হাজাৰ বছৰৰ ইতিহাস লুকাই আছে আৰু এইবোৰেই হৈছে কছাৰী সংস্কৃতিৰ কঠীয়াতলী স্বৰূপ আৰু বৰ্তমানৰ সামগ্ৰীক সাংস্কৃতিক বুৰঞ্জীৰ কালজয়ী একোটা বৃহৎ অধ্যায়।❑

বিহু আৰু চাহ জনগোষ্ঠী সমাজৰ সংস্কৃতি

✍ ড° অঞ্জলি কৰ্মকাৰ ঘাটোৱাৰ

পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা কৃষিজীৱী মানুহে পুৰণি কালৰে পৰা খেতি-বাতিৰ আৰম্ভণি, চপোৱা আদিৰ সময়ত এক ধৰণৰ উৎসৱ পালন কৰা দেখা যায়। এই উৎসৱসমূহ গীত, নৃত্য, পূজা-পাতল আদিৰে উদ্‌যাপন কৰে। ভাৰতৰ পুব প্ৰান্তত থকা অসমতো ইয়াৰ কোনো ব্যতিক্ৰম দেখা নাযায়। অসমত বাস কৰা অসমীয়াৰ জাতীয় উৎসৱ হিচাবে বিবেচনা কৰা উৎসৱটোৱেই হৈছে বিহু। অসমত বাস কৰা সকলোবোৰ জাতি, উপজাতি, জনজাতি সকলোৱে এই বিহু প্ৰাচীন কালৰে পৰা পৰম্পৰাগতভাৱে উদ্‌যাপিত কৰি আহিছে। 'বিহু' শব্দৰ অৰ্থ এক লক্ষ্যণীয় বিষয়। বিভিন্ন পণ্ডিতসকলে ইয়াৰ অৰ্থ বিভিন্ন ধৰণৰে দিব বিচাৰে যদিও পণ্ডিতসকলে এইটো ঠাৱৰ কৰিছে যে বিহু এক সংস্কৃত শব্দ 'বিষুৱণ'ৰ পৰা উৎপত্তি হৈছে। পুৰণি শাস্ত্ৰত পোৱা গৈছে যে 'বিষুৱণ হৈছে যাগযজ্ঞ কৰা এটা দিনৰ নাম। এই যাগযজ্ঞই সূৰ্য্যৰ গতি নিয়ন্ত্ৰণ কৰি শস্যৰ বীজ গজাত বা সুচাৰুৰূপে বাঢ়ি অহাত সহায় কৰে। সেয়ে খেতি-বাতিৰ সুব্যৱস্থাৰ কাৰণেই এই বিহু বা বিষুৱ দিনৰ যাগ-যজ্ঞৰ আয়োজন।

বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহুৰ সম্পৰ্ক তিনিটা ঋতুচক্ৰৰ লগত। মহাবিষুৱ সংক্ৰান্তি, জলবিষুৱ সংক্ৰান্তি আৰু উত্তৰায়ণ সংক্ৰান্তিৰ দিনা ক্ৰমান্বয়ে পালন কৰা হয়। বহাগৰ বিহুৱে বছৰৰ খেতি আৰম্ভ কৰাৰ; কাতি বিহুৱে খেতি তোলাৰ আৰম্ভ কৰা আৰু মাঘ বিহু খেতি তোলাৰ শেষৰ আনন্দ প্ৰকাশ কৰে। সেয়ে বৰ্তমান সময়ত বিহু বুলি ক'লে যিবিলাক আচাৰ লক্ষ্য কৰো যেনে— ঘৰ-বাৰী শুচি কৰা, নিকা কাপোৰ পিন্ধা, গৰু-গাইৰ যতৰ লোৱা দেৱ-দেৱীক পূজা কৰা, গীত-নৃত্য আদি পৰিৱেশন কৰাৰ মূল



উদ্দেশ্য হ'ল ৰাইজ, জীৱ-জন্তু আৰু খেতি-বাতিৰ মঙ্গল কামনাৰ হকে ব্যৱস্থা লোৱা। ই এক ধৰ্মীয় অনুষ্ঠান বুলি ক'লেও ভুল কৰা নহ'ব।

পুৰণি অসমীয়া পুথিবিলাকত বিষুৱ আৰু বিহুৰ উল্লেখ পোৱা যায় কিন্তু উৎসৱ হিচাবে ইয়াৰ বৰ্ণনা দেখা পোৱা নাযায়। সপ্তদশ শতিকাৰ শেষৰ ফালেহে সম্ভৱত আহোম শাসকসকলে বিহুক এক জাতীয় উৎসৱ হিচাবে গঢ় দিয়াত সহায় কৰিছিল। সময় বাগৰি যোৱাৰ লগে লগে ক্ৰমে বিহু সম্পৰ্কীয় ধাৰণা সলনি হ'বলৈ ধৰে। বৰ্তমানৰ শতিকা হৈছে ভাৰতীয় জাতীয় জাগৰণৰ সময়। এই সময়তে সংস্কৃতিৰ সামগ্ৰীবিলাকৰ পুনৰুদ্ধাৰ আৰু নৱ-মূল্যায়ণ কৰা হয়। বিহু বৰ্তমান আগৰ দৰে ধৰ্মমূলক উৎসৱ নহয়, ই ঘাইকৈ জাতীয় উৎসৱ আৰু অসমীয়া সংস্কৃতিৰ এক প্ৰতীক স্বৰূপ। অন্যহাতেদি বিহু এতিয়া বিভিন্ন খেলৰ, বিভিন্ন ভাষাৰ, লোকৰ মিলনৰ ক্ষেত্ৰ হিচাবে সাংস্কৃতিক সমন্বয়ৰো এক প্ৰতীক স্বৰূপ। বাপতি সাহোন স্বৰূপ বিহুত ব্যক্তিগত তথা জাতীয় জীৱনৰ সুখ-দুখ, আশা-আকাঙ্খাৰ কথা জগাই তোলে। এই উৎসৱৰ যোগেদিয়েই ডেকা-গাভৰুসকলে প্ৰেম-সম্ভাষণ জনায়, সৰুৱে ডাঙৰক ওলগ জনায় আৰু কৰ্মময় জীৱনত উৎসাহ-উদ্দীপনা পায়। মাঘৰ বিহু হৈছে খেতি চপোৱাৰ পাছৰ পৰা এক আনন্দৰ উৎসৱ। এই বিহু অসমত থকা বিভিন্ন জাতি উপজাতিয়ে এক বিশেষ উৎসাহ-উদ্দীপনাৰে পালন কৰে। মাঘ বিহুৰ দহ-বাৰ দিন আগৰে পৰা চেঙেলীয়া ল'ৰাবোৰে নৈৰ পাৰত বা মুকলি পথাৰত খেৰ-বাঁহ গোটাই মেজি ঘৰ বা ভেলা ঘৰ সাজে। বিহুৰ আগদিনাক উৰুকা কোৱা হয়। বিহুৰ প্ৰথম দিনাই সেই মেজি ঘৰৰ তলীতে ভোজ-ভাত খায়। ডেকাহঁতে এই ৰাতি ওচৰৰ ঘৰৰ পৰা বয়বস্তু চোৰ কৰিও আনন্দৰে ভোজ-ভাত খোৱা দেখা যায়। ৰাতিপুৱা সূৰ্য্য উদয় হোৱাৰ আগেয়ে গা ধুই মেজিঘৰ জ্বলায় দিয়ে আৰু মেজিৰ উত্তাপ লৈ চিৰা-পিঠা আদি খায় আনন্দ লভে।

অসমত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলৰ ভিতৰত চাহ জনজাতিসকলে মাঘ বিহু কেনেকৈ পালন কৰে তাৰে এক আভাষ দাঙি ধৰা হ'ল। এই বৃহৎ চাহ-জনগোষ্ঠীৰ নিজা নিজা কলাকৃষ্টি, সংস্কৃতি থকা সত্বেও নানা বৈচিত্ৰ্যৰ মাজতো ঐক্যৰ সূচনা কৰি সম্পূৰ্ণ অৰ্থনৈতিক-সামাজিকভাৱে অসমৰ জাতীয় জীৱনৰ ঘাই সুঁতিটোৰ লগত নিজকে মিলাই দিছে। যি প্ৰক্ৰিয়াৰে অসমীয়া সমাজ তথা অসমীয়া সংস্কৃতিৰ ক্ৰমবিকাশ ঘটিছে সেই প্ৰক্ৰিয়াৰেই চাহ জনজাতিৰ সমাজ আৰু সংস্কৃতিৰো গঢ় লৈছে। এই চাহ শ্ৰমিকগোষ্ঠীৰ সংস্কৃতিও কৃষিমুখী সংস্কৃতি। এই বৃহৎ চাহ জনগোষ্ঠীয়ে নিজৰ পূৰ্বপুৰুষৰ কথা সম্পূৰ্ণ পাহৰি অসমকে নিজৰ মাতৃভূমি, জন্মভূমি আৰু কৰ্মভূমি হিচাবে গ্ৰহণ কৰি অসমৰ আৰ্থ-সামাজিক জীৱনৰ অংগ হৈ পৰিছে।

মাঘ বিহু চাহ জনগোষ্ঠীৰ এক প্ৰধান উৎসৱ। এই উৎসৱৰ পুষ পৰৱ বা টুচু পৰৱ বুলি জনা যায়। পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনাখন এই উৎসৱ পালন কৰা হয়। এই উৎসৱ হৈছে মহিলা প্ৰধান। টুচু দেৱী হৈছে এগৰাকী সতী-সাধ্বী নাৰী। এই দেৱীৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ এই উৎসৱ পালন কৰা হয়। টুচু দেৱীৰ পূজা বিভিন্ন গীত-নাচেৰে আৰম্ভ কৰা হয়। এই গীতবোৰ হৈছে অৰ্থপূৰ্ণ আৰু ৰসাল। দেৱীৰ বন্দনা কৰিবলৈ আৰম্ভণিতে কিছুমান গীত গোৱা হয়। যেনে—

"আল চালে থাপি গ'
গেন্দা ফুলে পূজি গ'
জনম জনম আসবে টুচু
মাই বাপেৰ ঘৰে গ"

"সন্ধ্যা দিলায় শলিতা দিলাম
স্বৰ্গে দিলাম ৰাতি গ'
সব ঠাকুৰে লওনা পূজা
লক্ষ্মী সৰস্বতী গ"

এই বন্দনা গীতসমূহ সংক্ৰান্তিৰ এক সপ্তাহৰ আগৰে পৰা টুচু দেৱীৰ থাপনা বনাই গোৱা হয়। সংক্ৰান্তিৰ আগদিনা টুচু দেৱীৰ মূৰ্তি আনি থাপনাত আনি বহুৱাই গোটেই ৰাতি ধূপ-ধুনা দি, গীত-নাচেৰে পূজা কৰা হয়। ৰাতিপুৱাৰ লগে লগে গা-পা ধুই টুচু দেৱীক পানীত উটুৱাই দিয়ে।

মানুহৰ জীৱনত ঘটা বিভিন্ন ঘটনাবোৰ এই টুচু গীততে স্পষ্টভাৱে প্ৰকাশ পায়। এই জনগোষ্ঠীৰ লোকসকলৰ বেদনাৰে জৰ্জৰিত জীৱনৰ স্পষ্ট ৰূপ টুচু গীতৰ মাজেৰে প্ৰতিফলিত হয়। কাপোৰৰ অভাৱত গছৰ বাকলি পিন্ধা আৰু তেলৰ অভাৱত চুলিত জটা বন্ধা দাসৰ দুৰ্দশাগ্ৰস্ত জীৱনৰ কথা তলৰ গীতটোৱে সূচায়,

"অ ৰামেৰ মা, অ ৰামেৰ মা
ৰামেৰ বড় দুৰ্দশা গ'
বস্ত্ৰ বিনু গাছেৰ বাকল
তেল বিনু মাথাই জটা গ"

অন্যহাতেদি চাহ জনগোষ্ঠীৰ ডেকা-গাভৰুৰ প্ৰেম নিবেদনৰ সুন্দৰ চৰিত্ৰ এই টুচু গীততে ধৰা পৰে। এই গীতসমূহ আদিকাব্য ৰামায়ণৰ কাহিনীৰ লগত সমন্ধ দেখা যায়। এই গীত গোৱাৰ লগে লগে যে ডেকা-গাভৰুৰ মন উৎফুল্লিত হৈ উঠে আৰু ওৰে ৰাতি নাচত মগ্ন হয়।

এই পুষ পৰ্বৰ উল্লেখনীয় আচাৰবোৰ হৈছে— ঘৰ-বাৰী চাফ-চিকুণ কৰা, কাপোৰ-কানি ধোৱা, পিঠা-পনা বনোৱা ইত্যাদি। এই সকলোবোৰ আচাৰ অসমীয়াৰ বিহুৰ সৈতে মিল আছে। এই পৰ্বৰ খেতি চপোৱাৰ পাছৰ যি আনন্দ সি ইয়াত সুন্দৰভাৱে প্ৰতিফলিত হয়। সেয়েহে অসমীয়াত ইয়াক ভোগালী বিহু বুলি কোৱা হয়। বৰ্তমান অসমৰ আন আন থলুৱা লোকৰ সংস্কৃতিয়ে যেনেকৈ অসমীয়া সংস্কৃতিৰ ভিতৰুৱা হৈ পৰিছে বা অসমীয়া সংস্কৃতিৰ ওপৰত থলুৱা জনগোষ্ঠীৰ প্ৰভাৱ পৰিছে তেনেকৈ চাহ জনগোষ্ঠীৰ সংস্কৃতিও অসমীয়া সংস্কৃতিৰ অঙ্গ হৈ পৰিছে। সেয়ে মাঘ বিহুৱেই নহয় সকলোকেইটি বিহুৱেই বিহু হিচাবে চাহ জনগোষ্ঠীয়ে পালন কৰা দেখা গৈছে। মাঘ বিহুত গাঁও-ভূঁই আদিত থকা চাহ জনজাতিসকলে ঢেৰাঘৰ সজাই ভোজ-ভাত খোৱা দেখিবলৈ পোৱা যায়। বহুদিন একেটা পৰিৱেশত বসবাস কৰিলে সংস্কৃতিৰ ৰূপান্তৰ ঘটাটো স্বাভাৱিক।

চাহ জনগোষ্ঠীৰ লোকসকল সকলো ফালৰ পৰা অসমীয়াই গ্ৰহণ কৰা অসমীয়া সংস্কৃতিৰ বহল পথাৰখনত ক'ব নোৱাৰাকৈ নিজে নিজেই সোমাই গৈছে। নিজৰ সংস্কৃতি, নৃত্য-গীতৰ মাজত বিচৰণ কৰিলেও অসমৰ জাতীয় উৎসৱ বিহু সংস্কৃতিৰ মাজত দ্বিধাহীনভাৱে সোমাই যোৱা পৰিলক্ষিত হয়। সেয়েহে কাষৰীয়া অঞ্চল বা নিজ গাঁৱৰ বিহু মেলাবোৰত ধন-জন-মন সকলো ফালৰ পৰা সহায়-সহযোগ আগবঢ়াই আহিছে। জাতি-ধৰ্ম নিৰ্বিশেষে মিলনভূমিত পৰিণত হোৱা বিহুথলীবোৰ আজি এক সমন্বয়ৰ ক্ষেত্ৰ। এই সমন্বয়ৰ প্ৰতীক বিহু এনাজৰীয়ে সকলোকে একেলগে বান্ধি ৰাখিবলৈ প্ৰয়াস কৰিছে আৰু অনৈক্যৰ মাজত ঐক্যৰ সৃষ্টি কৰাত সহায় কৰিছে, যাৰ পৰশ চাহ জনগোষ্ঠী সমাজখনতো নপৰাকৈ থকা নাই। এই পৰশৰ কথা বহু ঝুমইৰ গীত আৰু বিহু গীতৰ মাজত ফুটি উঠা দেখিবলৈ পোৱা যায়।❑

সাহিত্য

দেউৰী সমাজত ইবাঁকু বিচু (ৰঙালী বিহু) উদ্‌যাপন

ষড়ানন দেউৰী

দেউৰীসকল সাধাৰণতে প্ৰাচীন অসমৰ মঙ্গোলীয় গোষ্ঠীৰ এটি খিলঞ্জীয়া জনজাতি। দেউৰীসকলে বৰ্তমানে প্ৰধানকৈ অসমৰ ধেমাজি, লখিমপুৰ, শোণিতপুৰ, যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ আৰু তিনিচুকীয়া জিলাত গাঁও পাতি বসবাস কৰি থকা দেখা যায়। সেইদৰে অৰুণাচল প্ৰদেশত চাংলাং আৰু লোহিত জিলাতো দেউৰী জনগোষ্ঠীৰ কেইবাখনো গাঁও থকা প্ৰত্যক্ষ কৰা যায়। ইয়াৰ উপৰিও আজিকালি অসম আৰু অৰুণাচল প্ৰদেশৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকে ধৰি বিভিন্ন নগৰ-চহৰতো দেউৰী জনগোষ্ঠীৰ লোক কম-বেছি পৰিমাণে সিঁচৰতি হৈ আছে। ২০০১ চনৰ ভাৰতৰ লোকপিয়ল অনুসৰি অসমত তেওঁলোকৰ মুঠ জনসংখ্যা ৪১,১৬১ জন। কিন্তু এই তথ্য দেউৰী জাতীয় সংগঠনসমূহে আদৰি নোলোৱাত শেহতীয়াকৈ ২০০৩ চনত অসম দেউৰী ছাত্ৰ সন্থাই অসম চৰকাৰৰ সহযোগত বিশেষভাৱে চলোৱা এটি জৰীপৰ পৰা দেউৰী লোকৰ মুঠ জনসংখ্যা ২,১৭,০৬৩ জন বুলি তথ্য পোৱা গৈছে। সংখ্যাগত পৰিমাণত অসমৰ দেউৰীলোকৰ সংখ্যা অতি তাকৰ হ'লেও তেওঁলোকৰ স্বকীয় পৰম্পৰাগত চহকী লোক-কলা কৃষ্টি, ভাষা-সংস্কৃতি, ৰীতি-নীতি আদিৰ সংৰক্ষণ আৰু ইয়াৰ বৰঙণিৰ জৰিয়তেই বৃহত্তৰ অসমীয়া সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংশীদাৰ স্বৰূপ জনগোষ্ঠীৰে বৰ্তি থাকিবলৈ সক্ষম হৈছে।

দেউৰীসকল মূলত ঃ এক স্বকীয় নৃগোষ্ঠী ও জনজাতীয় পুৰোহিত শ্ৰেণীৰ জনগোষ্ঠী বুলিও তেওঁলোকৰ কৰ্মৰাজী তথা নামৰ ব্যাপ্ততাই উমান দিয়ে। বিভিন্ন জনগোষ্ঠীৰ উপৰি চুতীয়াসকলৰ ৰাজত্বৰ কালছোৱাতো দেউৰীসকলে ৰাজপুৰোহিতৰ কাম কৰিছিল বুলি বুৰঞ্জীয়ে কয়। চুতীয়া ৰাজ্য পতনৰ পিছত আহোম ৰাজত্বৰ কালছোৱাতো দেউৰীসকলে ৰাজপুৰোহিতৰ মান অখুন্ন ৰাখিছিল। প্ৰকৃততে দেউৰীসকল বিভিন্ন ঐতিহাসিক কাৰণত বৰ্তমানে থকা ঠাইসমূহত সিঁচৰতি হৈ পৰাৰ আগৰ কালছোৱালৈকে শদিয়া আৰু শদিয়াতীত পাদদেশত তেওঁলোকে বসবাস কৰিছিল। তাৰ প্ৰমাণ স্বৰূপে উক্ত স্থানসমূহৰ নামৰ স'তে দেউৰী শব্দৰ ওচৰ সম্বন্ধ থকা দিশ আৰু দেউৰীসকলৰ বিহুনামসমূহৰ কোঁহে কোঁহে বিজড়িত হৈ থকা তেনে স্থানবাচক পদসমূহৰ নামাদিকো উনুকিয়াব পাৰি।

দেউৰীসকল প্ৰধানত ঃ চাৰিটা খেলত বিভক্ত। যেনে— দিবঙীয়া, টেঙাপনীয়া, বৰগঞা আৰু পাটৰগঞা। দিবাং নদীৰ পাৰত থকা দিবঙীয়া খেলে গিৰা-গিৰাচি (বুঢ়া-বুঢ়ী) আৰু পিচা-পিচাচি, টেঙাপানী নদীৰ পাৰত বসবাস কৰা টেঙাপনীয়া খেলে 'পিচা-দেমা' (বলিয়াবাবা), বৰগাং নদীৰ ওচৰত থকা বৰগঞা খেলে 'পিচাচি-দেমা' বা কেঁচাইখাতী (তাম্ৰেশ্বৰী)ক উপাস্য দেৱ-দেৱী ৰূপে গণ্য কৰি দেওঘৰত পূজা-পাতল দি আহিছে। সেইদৰে বৰ্তমান লুপ্ত হৈ থকা পাটৰগঞা খেলে পাটৰশাল বা হেমতাশালত পূজা-পাতল দিছিল বুলি জনা যায়। কিছুলোকৰ মতে এই পাটৰগঞা খেলেই দেউৰীসকলৰ ৰাজ্য শাসনৰ ভাৰ বহন কৰিছিল।

দেউৰীসকলে বিহুক 'বিচু' বুলি কয়। 'বিচু'ৰ পৰাই বিহু (বিচু< বিসু< বিহু) হৈছে বুলি ধাৰণা কৰিব পাৰি। দেউৰী ভাষাত 'বি' মানে ভাৰ বোৱা, 'চু' মানে ওখ অৰ্থাৎ 'বি-চু' মানে ওখ ঠাইলৈ ভাৰ বৈ নিয়া। সেয়েহে তেওঁলোকৰ ভিতৰপকীয়া অনুষ্ঠানসমূহত 'বিচু'ক 'বিবা-বচু' (বিবা-বচু > বিবাচু > বিচু) বুলিও আখ্যা দিয়া শুনা যায়। 'বিচু' উদ্‌যাপনৰ বাবে দেউৰীসকলে গাঁওখনৰ বসতি অঞ্চলৰ নাতিদূৰত ওখ (পাহাৰীয়া) ঠাইত স্থাপিত দেওশাল বা দেওঘৰলৈ 'বিচু-পূজা'ৰ নৈবেদ্যসমূহ ভাৰ বৈ নি পূজা-সেৱা সমাপন কৰিছিল। কাৰণ দেউৰীসকলৰ 'বিচু' উৎসৱ 'বিচু-পূজা' কৃষি ভিত্তিক হোৱাৰ লগে লগে দেওশাল বা মিদিকু (ধৰ্মানুষ্ঠান)ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকাটো অতি তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য।

ৰঙালী বিহু বা ইবাঁকু বিচু উদ্‌যাপনৰ প্ৰস্তুতি দেউৰীসকলৰ লোক সমাজত ফাগুন মাহৰ শেষৰ দিনৰ পৰাই আৰম্ভ হয়। ফাগুন-চ'তৰ এনে প্ৰস্তুতিমূলক বিহু ৰাতিহে মৰা নিয়ম। এই ৰাতিবিহু ব'হাগ বিহুৰে এটা পূৰ্ণ পৰিবেশ্য দেউৰী লোকজীৱনৰ অনুষ্ঠান বুলিব পাৰি। তেওঁলোকে এনে ৰাতিবিহু সুবিধা অনুসৰি গাঁৱৰ মধ্যস্থানত বিশেষকৈ বৰদেউৰী বা চাৰিদেউৰীৰ এঘৰৰ চোতালত মাৰে। খেল ভেদে ডেকা-গাভৰু ভাগে ভাগে অথবা লগে-ভাগে ৰাতিবিহু মৰা দস্তুৰ। দেউৰীসকলৰ মুখত বিহু মৰা ঠাইক 'বিচুকলা' বুলি কোৱা শুনা যায়। এই ৰাতি বিহুৰ 'বিচুকলা'কেই দেউৰীসকলৰ এক প্ৰকাৰৰ বিহু আখৰাৰ সাংস্কৃতিক অনুষ্ঠান বুলি আখ্যা দিব পাৰি। এনে ৰাতিবিহু মাৰিবলৈ আৰম্ভ কৰা দিনা ডেকা-গাভৰু সমন্বিতে বয়োজ্যেষ্ঠ সকলো গঞা ৰাইজ দেওঘৰলৈ গৈ সেৱা জনোৱা নিয়ম। সেইদৰে যি ঘৰৰ চোতালত 'বিচুকলা' হিচাপে পাতে সেইঘৰৰ গৃহস্থকো যথোচিত মান-সন্মানেৰে তামোল পাণৰ শৰাই যঁচা এক সামাজিক দস্তুৰ। এনে বিহুৰ মূল বাদ্য যন্ত্ৰৰ ভিতৰত বাঁহৰ টকা, গগণা, ঢোল, পেঁপা, তাল আদিয়েই প্ৰধান। বাদ্যযন্ত্ৰ আৰু নাচৰ লহৰে লহৰে হাত চাপৰি আৰু কিৰিলিও মৰা শুনা যায়। ফাগুন-চ'ত মাহৰ পৰা আৰম্ভ কৰা এনে ৰাতিবিহু ব'হাগ বিহুৰ উৰুকা নিশাৰ আগদিনালৈকে ক্ৰমাগতভাবে প্ৰকোপ বাঢ়ি গৈ বিহুৰ উৰুকা নিশা ডেকা-গাভৰুৱে গোটেই ৰাতি 'বিচু কুলা'ত বিহু গাই নাচি ৰাতি পুৱাই দিয়ে। উক্ত নিশা ডেকা-গাভৰুজাকৰ লগতে গাঁৱৰ বোৱাৰী আদহীয়া চামেও আনকি এটা সময়ত মন মতলীয়া হৈ বিহুত যোগদান কৰা প্ৰত্যক্ষ কৰা যায়। উক্ত দিনা ডেকা-গাভৰুজাকে নিজৰ নিজৰ 'বিচুকুলা'ত বিহু মৰাৰ উপৰি ওচৰ চুবুৰীয়া চুবা বা গাঁৱৰ 'বিচুকুলা'লৈ জুম বান্ধি বিহু মাৰিবলৈ বা চাবলৈ যায়। এনে বিনিময়ৰ বিহু মৰা বা চোৱা কাৰ্যই দেউৰী লোকসমাজত সমন্বয় আনি দিয়াৰ লগতে সংস্কৃতিকৰণত সহায়ক উপাদান হিচাপে ভূমিকা পালন কৰে বুলি গণ্য কৰিব পাৰি।

দেউৰীসকলে ৰঙালী বিহু বা ইবাঁকু বিচু ব'হাগৰ প্ৰথম বুধবাৰ আৰু বৃহস্পতিবাৰে আৰম্ভ কৰে। কিন্তু তেওঁলোকে কোনো কাৰণতে ব'হাগৰ বিহু চ'তত নকৰে। বুধবাৰৰ দিনটো তেওঁলোকৰ বাবে অতি পৱিত্ৰ বা শুভবাৰ বুলি গণ্য কৰি উক্ত বাৰৰ পৰাই দেওঘৰত 'বিচু-পূজা' আগবঢ়াই 'বিচু'ৰ শুভাৰম্ভ কৰে। মূল বিহুৰ আগে আগে দেউৰীসকলৰ লোকজীৱনৰ কৃষিকৰ্মৰ মূল সম্বল গৰু-ম'হক দেৱতা জ্ঞান কৰি পূজা অৰ্চনা কৰে। দোকমোকালিতে গৰু-ম'হৰ গাত মাহ-হালধি সানি মাখিয়তি-দীঘলতিৰে মহ-ডাঁহ খেদি নৈ বা খালত গা ধুৱাবলৈ লৈ যায়। গৰু-ম'হ গা ধুওৱাৰ ঠিক আগে আগে দেৱতাৰ নামত পানী যুৱলীত গৰখীয়াৰ সমন্বিতে ল'ৰা-বুঢ়া-আদহীয়া সকলো সমবেত গঞা ৰাইজে আগলি কলপাতত তামোল-পাণ আগবঢ়ায়। তাৰ পিছত ৰাইজৰ হৈ ডেকা ল'ৰা দুজনে নতুন বছৰটোৰ মঙ্গল কামনা কৰি দেৱতাৰ ওচৰত প্ৰাৰ্থনা জনাই হিলৈ ফুটাই গৰু-ম'হৰ গা ধুৱায়। গা ধুওৱা সময়ত লাও, বেঙেনা, হালধি, থেকেৰা আদি দলিয়াই। সেইদিনাই সন্ধিয়ালৈ গাঁৱৰ প্ৰত্যেক ঘৰ গৃহস্থই তৰাজৰী দিয়া নতুন পঘাৰে গৰু-ম'হক বান্ধে আৰু মহ-ডাঁহৰ পৰা পৰিত্ৰাণ পোৱাবৰ নিমিত্তে গোহালিত তুঁহৰ জাগ দিয়ে। গৰু-ম'হ গা ধুৱাই আহি দেউৰীসকলে পালন কৰা এটা আকৰ্ষণীয় লোক অনুষ্ঠান হ'ল 'ইকুঁ-গেনেমা' (চুৰীয়া পিন্ধোৱা) প্ৰথা। এই

প্ৰচলিত লোক প্ৰথানুসৰি সদ্য ডেকা প্ৰাপ্ত একোজন চেমনীয়া ল'ৰাক সমবেত ডেকা চামৰ মাজৰ পৰা ভিনিহি সম্পৰ্কীয় (যাৰ মাক-দেউতাক জীৱিত) লোক এজনে প্ৰথমবাৰৰ বাবে চুৰীয়া পিন্ধাই সামাজিকভাবে ডেকা হ'ল বুলি স্বীকৃতি দিয়ে। অৱশ্যে এই অনুষ্ঠান বৰ্তমান দুষ্প্ৰাপ্য।

দেউৰীসকলৰ লোক উৎসৱত বিশেষকৈ ৰঙালী বিহুৰ অন্য আকৰ্ষণীয় তথা মনোৰঞ্জক অনুষ্ঠানৰ ভিতৰত 'দুজাঁ চ্চুজুৰাবা' (কণী-যুঁজোৱা), 'দু চ্চুজুৰাবা' (কুকুৰা যুঁজোৱা), 'মচি চ্চুজুবা' (মল্লযুঁজ) আদি প্ৰধান। যিহেতু কণী কৃষক সমাজৰ বাবে প্ৰজননৰ প্ৰতীক, সেয়েহে প্ৰজনন ও উৰ্বৰতাৰ লগত জড়িত থকা ব'হাগ বিহুত দেউৰীসকলে প্ৰতীক ৰূপত কণী যুঁজ প্ৰথা বৰ্তাই আহিছে। প্ৰথম বিহুদিনা দেউৰীসকলে গা-পা ধুই নতুন কাপোৰ-কানি পিন্ধি সাজি কাচি লৈ সৰুৱে ডাঙৰক সেৱা জনাই আশীৰ্বাদ গ্ৰহণ কৰে আৰু ডাঙৰেও সৰুক মৰম-চেনেহ যঁচা নিয়ম। উক্ত দিনাই গৃহস্থই ঘৰৰ পিছপিনে সাতপুৰুষৰ মৃতকৰ বাবে বিশেষ অনুষ্ঠান 'মৰা-লেবা' বা 'মিম লেবা' সমাপন কৰে। এইবিলাকৰ উপৰি বিহুৰ কেইদিন গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে বয়োজ্যেষ্ঠ আপোনজনক 'চুজেঁ তেকেলি' (বিশেষ সন্মানসূচক দৃষ্টিভঙ্গীত আগবঢ়োৱা বস্তু যেনে বিশেষ মদৰ স'তে কেইপদমান খাদ্য সামগ্ৰী আদি) আগবঢ়োৱা প্ৰথাটো এক তাৎপৰ্যপূৰ্ণ সামাজিক দস্তুৰ হিচাপে পৰিগণিত হৈ আহিছে। তাৰ লগে লগে প্ৰথম বিহুৰ দিনাৰ পৰাই জাকে জাকে সৰু ল'ৰা-ছোৱালীয়ে প্ৰতি ঘৰতে 'বিচু-কাজি' খোৱা নিয়ম। 'বিচু-কাজি' খাই ফুৰোতে গৃহস্থই কণ কণ ল'ৰা-ছোৱালীক বিভিন্ন সামাজিক শিক্ষাও দিয়া প্ৰত্যক্ষ কৰা যায়। তেনেবোৰ প্ৰক্ৰিয়াই দেউৰী সমাজৰ উঠি অহা চামক উচিত সামাজিকীকৰণৰ প্ৰক্ৰিয়াত সহায় কৰা যেন অনুভৱ কৰা যায়।

দেউৰীসকলে ৰঙালী বিহুত 'বিচু-পূজা' সমজুৱাৰ বাবে দেওঘৰত উদ্‌যাপন কৰাৰ উপৰি ঘৰুৱা ভাবেও কিছু পূজা-পাৰ্বন আগবঢ়ায়। তাৰ ভিতৰত টোপনীয়া খেলৰ দেউৰীসকলে সুবাচনী বা ঘৰদেও পূজা আৰু দিবঙীয়া খেলৰ দেউৰীসকলে 'যাঁ-তেঁমা' বা 'চুৰা লাবিবা' আদি পাৰ্বন আয়োজন কৰা উল্লেখযোগ্য। সেইদৰে বৰগঞা খেলৰ দেউৰীসকলে ৰাতিয়েই উঠি ডাকুৱা কুকুৰা এটা আগবঢ়াই বিহুৰ এনে প্ৰস্তুতি পূজা সামৰণি মাৰে। তাৰ পিছতহে দেওঘৰত মূল পূজা আৰম্ভ হয়। 'বিচু-পূজা'ৰ সময়ত দিবঙীয়া খেলৰ লোকসকলে ১৬ টা (১২টা মতা আৰু ৪টা মাইকী) কুকুৰাৰে দেওঘৰত ৰাজহুৱাভাবে পূজা আগবঢ়ায়। তাৰোপৰি কোনো লোকে (দেউৰীয়েই হওক বা অনাদেউৰীয়েই হওক) ব্যক্তিগত মনোবাঞ্ছা পূৰণৰ বাবে ঘৰুৱা 'মেতুৱা' ৰূপত ছাগলী, পাৰ, ফুল আদি আগবঢ়াই আশীৰ্বাদ লয়। এনেধৰণৰ 'বিচু-পূজা' সমূহত ছাগলী, কুকুৰা, পাৰ আদিৰ লগতে কল, মাহ, চাউল, তংলতি, শলিতা, মন্ত্ৰ-স্তোত্ৰ জল আদি নৈবেদ্যৰ অতীব প্ৰয়োজন। উল্লেখযোগ্য যে এই সকলোবোৰ পূজা-পাৰ্বন দেউৰীসকলৰ পূজাৰী পৰিষদ (বৰ দেউৰী, সৰু দেউৰী, বৰ ভৰালী, সৰু ভৰালীকে মুখ্য কৰি)ৰ বিষয়াবৰ্গই পৰিচালনা কৰে।

'বিচু-পূজা'ৰ লগে লগে ৰাতিবিহু গাঁৱৰ পৰা নি দেওঘৰত থৈ অহাৰ নিয়ম। উক্তদিনাৰ পৰাহে প্ৰকৃতাৰ্থত বিহু আৰম্ভ হয় বুলি ক'ব পাৰি। উক্তদিনাৰ পৰাহে ডেকা-গাভৰুৱে মুকলি মুৰীয়াকৈ বিহু কৰা দেখা যায়। খেল ভেদে ডেকা-গাভৰুৱে পৃথকে পৃথকে বিহু কৰে যদিও কিছু ক্ষেত্ৰত দিবঙীয়াসকলে একেলগে বিহু কৰা দেখা যায়। ব'হাগৰ 'বিচু-পূজা'ৰ লগতে দেওঘৰত দেওধনি আৰ্বিভাৱ হয়। ই দেউৰীসকলৰ বাবে এটি পৱিত্ৰ মাংগলিক অনুষ্ঠান। দেওধনিৰ অনুমতি সাপেক্ষে তথা পূজাৰী পৰিষদৰ সিদ্ধান্ত অনুসৰিহে গাঁৱৰ ৰাইজে হুঁচৰি গাই নিৰ্দিষ্ট দিনত শেষ কৰিব পৰাকৈ প্ৰয়োজন অনুসৰি হুঁচৰি দল কেইবাটাও ভাগতো বিভক্ত হৈ যায়। এনে বিহু হুঁচৰি দেওঘৰতে শুভাৰম্ভ কৰি ক্ৰমে বৰদেউৰী, সৰুদেউৰী, বৰভঁৰালী, সৰুভঁৰালী, বৰা, বাৰিক আদিকে ধৰি গাঁৱৰ ধনী-দুখীয়া প্ৰত্যেক ঘৰতে মাগি ফুৰা দেখা যায়। হুঁচৰি গীতৰ উদাহৰণ এনেধৰণৰ—

(১) মালতী এ মলে মলাই
কেতেকী ঐ বাঁহে বলাই
সেউতী মালতী তগৰ দুৱামালী কেতেকী ঐ..........।

সাহোন

(২) এলে চেলেং সৰু সূতাৰ চেলেং
কোনে বৈ দিব পাৰে লৈ আহ
ৰূপৰে শৰাইতে চেলেং নাইকীয়া কোনে বৈ..........।

দেউৰীসকলৰ বিহুগীতসমূহ অতি সুন্দৰ আৰু দাৰ্শনিক তথ্য সম্বলিত ৰূপত ধৰা পৰে—

দামাই চেঁকুনা লেবেম আঁনা পিৰচেইবা
মতংনাকে মতমায়া বা-না
চিগা-চাৰ্কঁকুৰে আগুঁজুনি কুন্দিনা
ননা আঁ নিমাজেঁই নিনা।

(মোক কিয়নো তুমি ইমান ভাল পালা চেনাই, তাক পাহৰো বুলিও পাহৰিব পৰা নাই। পুৱা-গধূলি তোমাক পাবলৈ মই ভগৱানক প্ৰাৰ্থনা কৰো।)

হুঁচৰি লোৱা বছৰ দেউৰীসকলে 'বহুৱা লেহেদুৱা' (বহুঁৱা এৰা) নামৰ এক বিশেষ আকৰ্ষণীয় অনুষ্ঠান পাতে। ইয়াৰ তাৎপৰ্য বিশ্লেষণৰ গুৰিতে গাঁৱৰ তথা বিশ্ব ব্ৰহ্মাণ্ডৰ পৰা মাৰিমৰক, ভূত-পিশাচ আদি নিৰাময় আৰু উছন হ'ব বুলি অনুধাৱন কৰা যায়।

দেউৰীসকলে ৰঙালী বিহু যেনেদৰে বিশেষ 'বিচু-পূজা'ৰে আৰম্ভণি কৰে, ঠিক তেনেদৰে তেওঁলোকে দেওশালত পূজা-সেৱা আগবঢ়াই নিজস্ব পম্পৰাগত ৰীতি-নীতিৰে বিহুটিকে উৰুৱায়। এই 'বিচু-উৰাবা' (বিহু উৰুৱা) কাৰ্য সাধাৰণতে দেওঘৰৰ পৰা আৰম্ভ কৰি গাঁৱৰ নামনিলৈ নৈ, জান, জুৰিৰ পাৰলৈ নি সমাপন কৰা হয়। বিহু-উৰুৱা দিনাখন গাঁৱৰ ডেকা-গাভৰু, বুঢ়া-বোৱাৰী সকলোৱে বিহু গাই নাচি বিহু উৰুৱা কাৰ্যত যোগদান কৰে। এই অনুষ্ঠানতে দেওধনিৰো আৱিৰ্ভাৱ হৈ বাতৰি চলোৱাৰ উপৰি নৃত্যতো ভাগ লয়। ডেকা-গাভৰু জাকে ঢোল, তালৰ ছেৱে ছেৱে নাচি-বাগি, গীত গাই, হাত চাপৰি বজাই মন মতলীয়া হৈ পৰে। এনেদৰেই দেউৰীসকলে তেওঁলোকৰ অতিকে আপোন মৰমৰ ৰঙালী বিহুটি বছৰেকলৈ সামৰে। বিহু উৰুৱাই সকলো ঘৰা-ঘৰি ঘূৰি আহোতে কোনেও পিছলৈ ঘূৰি চাব নেপায় বুলি লোকবিশ্বাস। চালে বিহুখন উভতি আহে বুলি দেউৰীসকলে বিশ্বাস কৰে।□

বিহুৰ অতীত আৰু বৰ্তমান

শ্ৰী গোপেশ মজুমদাৰ

অতি পুৰণি কালৰে পৰা অসমীয়া মানুহে 'বিহু' অসমৰ জাতীয় উৎসৱ হিচাপে পালন কৰি আহিছে। বিহু তিনিটা— কাতি বিহু বা কঙালী বিহু, মাঘ বিহু বা ভোগালী বিহু আৰু ব'হাগ বিহু বা ৰঙালী বিহু। অৱশ্যে বিহু কেতিয়াৰ পৰা অসমীয়া মানুহে পালন কৰিবলৈ ললে, অৰ্থাৎ বিহুৰ উৎপত্তি সম্পৰ্কে সঠিককৈ ক'ব পৰা নাযায় যদিও বিহু কৃষিভিত্তিক উৎসৱ হোৱা হেতুকে, অসমীয়া মানুহে কৃষি কাৰ্যক জীৱিকাৰ প্ৰধান অৱলম্বন হিচাপে লোৱাৰে পৰা বিহুৰ উৎপত্তি হৈছে বুলি অনুমান কৰা হৈছে। মানুহৰ জীৱনত চলা চিন্তা-চৰ্চাবোৰ সাধাৰণতে জীৱিকাৰ উপায় বা জীৱিকাৰ সন্ধানক কেন্দ্ৰ কৰিয়েই চলে। কিয়নো প্ৰথমে জীয়াই থকাৰ চিন্তা, জীয়াই থাকিবলৈ হ'লে খাবই লাগিব আৰু খাবলৈ হ'লে খাদ্য বস্তু যোগাৰ কৰিবলৈ কিবা এটা জীৱিকাৰ উপায় উলিয়াবই লাগিব। গতিকে মানুহে জীয়াই থকাৰ তাড়নাতে কৃষিকাৰ্য আৰম্ভ কৰে আৰু তেতিয়াৰ পৰাই অসমীয়া মানুহৰ সকলো চিন্তা-চৰ্চা বা আবেগ-অনুভূতি কৃষিভিত্তিক হৈ পৰিল।

অসমৰ জলবায়ু কৃষিৰ বাবে বিশেষকৈ ধান খেতিৰ বাবে অতি উত্তম হোৱাত, ধানৰ উৎপাদন ভাল হয়। ধানৰ উৎপাদন ভাল হয় বাবে মানুহৰ মন আনন্দ-উলাহৰে ভৰি থাকে। আঘোণ-পুহ মাহত ধান চপাই ভড়ালত থোৱা হয় আৰু কৃষিকাৰ্যত কৃতকাৰ্য হোৱাৰ আনন্দতে মাঘ বিহু বা ভোগালী বিহু পালন কৰা হয়। মাঘ বিহুৰ তিনি-চাৰি মাহলৈ মানুহৰ কোনো অভাৱ-অনাটন দেখা নিদিয়ে বাবে মন আনন্দেৰে ভৰি থাকে। এইফালে চ'তত বছৰ শেষ হয় আৰু নতুন বছৰৰ আগমন ঘটে। এই সময়ছোৱাতে কৃষকে জিৰণি লৈ ঘৰতে থাকিব পাৰে। নতুন বছৰৰ আগমন ঘটা মানেই আকৌ কৃষি কাৰ্যৰ আৰম্ভণি কৰিবলৈ সাজু হ'ব লাগে। নতুন বছৰত কৃষি কাৰ্য আৰম্ভ কৰাৰ আগমুহূৰ্তত, আগন্তুক বছৰটিত যাতে কোনো অপায়-অমংগল নোহোৱাকৈ কৃষি কাৰ্যত কৃতকাৰ্যতা লাভ কৰিব পাৰি, তাৰেই কামনাৰে ব'হাগ বিহু বা ৰঙালী বিহু পালন কৰা হয়। ব'হাগ বিহুতে গাঁৱৰ ডেকা-গাভৰুৱে আনন্দ উলাহৰে নাচি-বাগি যৌৱনৰ বতৰা বিলায়। সেয়ে, ব'হাগ বিহু মানেই যেন ডেকা-গাভৰুৰ মন ৰঙালী হৈ উঠাৰ বতৰ। আহিন মাহৰ সংক্ৰান্তিৰ দিনা কাতি বিহু পালন কৰা হয়। এই সময়ত কৃষক ৰাইজে কৃষিকাৰ্য শেষ কৰি আজৰি হয়। কৃষি কাৰ্যত লাগি

লাগি গা-মন ভাগৰুৱা হৈ থাকে। এইফালে ভঁড়ালৰ ধানো শেষ হওঁ হওঁ অৱস্থা হয়গৈ। সেয়ে এই সময়চোৱাত কৃষকৰ মনত উৎসাহ-উদ্দীপনা নাইকীয়া হয়। কিন্তু ধানৰ উৎপাদনক লৈ মনৰ চিন্তা-ভাৱনা চলি থাকে। আহিনৰ শেষৰ ফালে পথাৰত ধান গছবোৰত গেঁৰ ধৰে, অৰ্থাৎ ধান গছবোৰ গৰ্ভৱতী হয়। গৰ্ভৱতী হোৱা ধন গছবোৰৰ পৰা যাতে সুস্থ-সবল থোক পৰে তাৰ কামনাৰে অৰ্থাৎ ধানৰ উৎপাদন বৃদ্ধিৰ কামনাৰে আহিনৰ সংক্ৰান্তিৰ দিনা কৃষক ৰাইজে পথাৰত, ভঁড়ালৰ গুৰিত আৰু চোতালৰ তুলসীৰ তলত চাকি জ্বলাই। ধানগছৰ গেঁৰবোৰত পৰা পোক-পৰুৱাবোৰ যাতে চাকিৰ জুই লৈ আহি পুৰি মৰে, তাকো কামনা কৰা হয়। কাতি বিহুত কৃষকৰ মনত উৎসাহ-উদ্দীপনা নাথাকে যদিও; অন্তৰত এটাই আশা কৃষিৰ উৎপাদন ভাল হোৱাতো। অভাৱ-অনাটনৰ সময়ত পালন কৰা হয় বাবে কাতি বিহুক কঙালী বিহু বুলি কোৱা হয়।

অতীজৰে পৰা এই তিনি বিহু পালন কৰি অহা হৈছে যদিও ব'হাগ বিহু বা ৰঙালী বিহুৰ প্ৰতি অসমীয়া ৰাইজৰ গুৰুত্ব বেছি। ব'হাগ বিহু মানেই যেন কৃষিকাৰ্যৰ আখৰা, ব'হাগ বিহু মানেই যেন কৃষিকাৰ্যত কৃতকাৰ্যতাৰ কামনা কৰি প্ৰকৃতিৰ আশীৰ্বাদ বিচৰা আৰু ডেকা-গাভৰুৰে যৌৱনত প্ৰেম-ভালপোৱা নিবেদন কৰাৰ বতৰা। কৃষিকাৰ্যৰ সৈতে যিহেতু বতৰ বা জলবায়ুৰ প্ৰভাৱ জড়িত হৈ থাকে, সেয়ে বিহুত প্ৰকৃতিৰ আশীৰ্বাদ কামনা কৰাও হয়। মুকলি পথাৰ, গছৰ তল বা নৈৰ পাৰৰ নৈসৰ্গিক পৰিৱেশতে ব'হাগ বিহু পালন কৰা হয়। লাহে লাহে বিহু উৎসৱে অসমীয়া মানুহৰ মনত সংস্কৃতিৰ বীজ অংকুৰিত কৰি অসমীয়া মানুহক সংস্কৃতিবান কৰি তুলিলে। বিহুৰ প্ৰসঙ্গক লৈ অসমীয়া মানুহে অন্য সংস্কৃতিৰো সৃষ্টি কৰিব ধৰিলে আৰু বিহু হৈ পৰিল বাপতি সাহোন। প্ৰত্যেকজন অসমীয়াৰ তেজত বিহু সোমাই পৰিল আৰু শিৰা-উপশিৰাই দি বিহু সংস্কৃতি প্ৰবাহিত হ'বলৈ ল'লে। বিহু হৈ পৰিল অসমীয়া সমাজৰ মূল সংস্কৃতি।

সময় আহি আহি একবিংশ শতিকা পালেহি। মানৱ সমাজৰ বহু পৰিৱৰ্তন ঘটিল। মানুহ সম্পূৰ্ণৰূপে বিজ্ঞানৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। কিন্তু বিহু? অসমীয়া মানুহৰ বিহুৰ প্ৰতি থকা আদৰ-চেনেহৰ কোনো পৰিৱৰ্তন নঘটিল। আজিৰ যন্ত্ৰৰ যুগতো প্ৰত্যেকজন অসমীয়াই অনুভৱ কৰে বিহু সংস্কৃতিয়ে অসমীয়াক সংস্কৃতিবান হিচাপে গঢ়ি তোলা বুলি আৰু বিহু সংস্কৃতিয়ে অসমীয়া জাতিক বিশ্ব দৰবাৰত এটি সু-সভ্য জাতি হিচাপে পৰিচয় কৰি দিয়া বুলি।

সময় আগবাঢ়ে আৰু পৰিৱেশ পৰিস্থিতিৰ পৰিৱৰ্তন ঘটে। সময়ে অনা পৰিৱৰ্তনৰ বাবেই মানৱ সভ্যতা বৰ্তমানৰ অৱস্থাত উপনীত হৈছেহি। অতীতৰ অসমীয়া সমাজৰ যি পটভূমিত বিহুৰ উৎপত্তি হৈছিল, সমাজৰ সেই পটভূমি সলনি হ'ল। বৰ্তমান যুগত অসমীয়া সমাজ একমাত্ৰ কৃষি নিৰ্ভৰশীল হৈ থকা নাই। মানুহৰ জনসংখ্যাও বৃদ্ধি হ'ল। জীৱনৰ সকলো দিশতে যন্ত্ৰৰ প্ৰভাৱ আহি পৰিল। অতীতৰ সেই আহল-বহল মুকলি পথাৰ, নৈৰ পাৰৰ নৈসৰ্গিক ৰূপ আজি আৰু পাবলৈ নাই। অসমীয়া মানুহো বিশ্বায়ন নামৰ ধুমুহাত উটি-ভাহি গ'ল। সমাজৰ এনে পৰিৱৰ্তনৰ সৈতে খাপ খাব পৰাকৈ মানুহে বিহুৰো কিছু পৰিৱৰ্তন সাধিলে। অৱশ্যে বিহুৰ পৰিৱৰ্তন আৰম্ভ হয় ছয়শ বছৰীয়া আহোমৰ ৰাজত্বৰ দিনৰে পৰা। আহোম ৰজাসকলে বিহু উৎসৱক জনসাধাৰণৰ উপভোগ্য কৰি তুলিলে। ৰংঘৰ, কাৰেংঘৰ আদি বিহু উৎসৱ পালন কৰিবলৈ বা উপভোগ কৰিবলৈ বুলিয়েই নিৰ্মাণ কৰা হৈছিল। বিহু উৎসৱত ম'হ যুঁজ, কুকুৰা যুঁজ আদি খেল আহোম ৰাজত্বৰ দিনতে আৰম্ভ হৈছিল। অতীতৰে পৰা বিহুগীতত ব্যৱহাৰ হোৱা ম'হৰ শিঙৰ পেঁপা, বাঁহেৰে তৈয়াৰ কৰা টকা, মাটিৰে তৈয়াৰ কৰা সুতুলি আজিও ব্যৱহাৰ হৈ আছে যদিও পৰিবৰ্তিত পৰিস্থিতিত বিহুগীতত কিছু নতুন বাদ্যযন্ত্ৰও ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। প্ৰকৃততে বিহুগীতত নতুন বাদ্যযন্ত্ৰৰ সংযোজনে বিহু সংস্কৃতিৰ উত্তৰণতহে সহায় কৰিছে। তেনেদৰে, আজিকালি বিহু নৃত্য,

বিহুগীতক প্ৰতিযোগিতাৰ দিশলৈ টানি আনি বিহু জাতিষ্কাৰ কৰাৰ চেষ্টা কৰা হৈছে আৰু ইয়াৰ বাবে বিহুক মঞ্চলৈ অনা হৈছে। অতীতৰ সেই নৈসৰ্গিক পৰিৱেশ নাইকীয়া হোৱাত, বিহু মঞ্চলৈ অহাৰ ফলতে বিহু আজিৰ যান্ত্ৰিক যুগতো সকলোৰে মনত উপভোগ্য উৎসৱ হিচাপে বৰ্তি থকাতো সম্ভৱ হৈছে।

দুৰ্ভাগ্যৰ কথা যে, আজিকালি বিহু প্ৰতিযোগিতামূলক হোৱা আৰু মঞ্চলৈ উঠাত বিহু সংস্কৃতিৰ বৈশিষ্ট্যত আঘাত হানা বুলি এচাম লোকে সমালোচনা কৰা দেখা যায়। সময়ৰ গতিত সকলোৰে পৰিৱৰ্তন হোৱাতো এক প্ৰাকৃতিক নিয়ম। গতিকে বিহুৰো পৰিৱৰ্তন অৱশ্যম্ভাবী। মন কৰিব লাগে যাতে পৰিৱৰ্তনৰ নামত বিহুৰ যি স্বকীয় বৈশিষ্ট্য, তাক যেন বিকৃত কৰা নহয়। বিহুৰ যিয়েই পৰিৱৰ্তন নহওক কিয়, অতীজৰে পৰা বিহুৰ প্ৰতি থকা অসমীয়া ৰাইজৰ যি মৰম-চেনেহ আজিও অটুট আছে আৰু আগলৈও যে থাকিব তাত অকনো সন্দেহ নাই। অৱশ্যে বিহু সংস্কৃতি ৰক্ষাৰ নামত জোৰ-জুলুম কৰি চান্দা আদায় কৰা আৰু মানুহক হাৰাশাস্তি কৰা কাৰ্যইহে বিহু সংস্কৃতিৰ ক্ষতি কৰাৰ সম্ভাৱনা থাকে। সেয়ে জোৰ-জুলুমভাৱে চান্দা তোলা কাৰ্য বন্ধ হোৱা উচিত।❑

কৃষ্ণধৰ্মৰ সোঁতৰ গতিধাৰা

✍ কামেশ্বৰ হাজৰিকা

শ্ৰীমন্ত শংকৰদেৱে কৃষ্ণক পূৰ্ণব্ৰহ্ম আৰু সেই পূৰ্ণব্ৰহ্মাতে চৰাচৰ জীৱ আৰু ভূত বৰ্তমান বুলি মানে। তেৰাই ঈশ্বৰক স্বামী আৰু জীৱক দাস বুলি মানে। তেৰাই একেশ্বৰবাদ স্বীকাৰ কৰে। ইয়াৰ মূল হৈছে উপনিষদ আৰু বিশেষকৈ বেদান্তহে। শ্ৰীমন্ত শংকৰ গুৰুজনাই কৰ্মকাণ্ড নামানে। পৰমব্ৰহ্মৰ মহাশক্তি আৰু বিষ্ণুতত্ত্ব— এই দুয়োটাৰ ৰূপ-গুণৰ সমষ্টি হৈছে ভগৱান কৃষ্ণ। পৰমাত্মা বা পৰমেশ্বৰেই হৈছে ব্ৰহ্ম। এক অব্যক্ত ঈশ্বৰৰ ব্যক্তৰূপ ভগৱান কৃষ্ণই হৈছে উপাস্য। ৰাম, হৰি কৃষ্ণ, নাৰায়ণ, অনন্ত, অচ্যুত, সনাতন আদি এক পৰমব্ৰহ্মৰ নামান্তৰ মাথোন আৰু একেটা ব্ৰহ্মৰূপী সনাতনৰেই অভিব্যক্তি। ইয়াৰ পৰাই শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই পৰমপুৰুষ পৰমেশ্বৰেই একমাত্ৰ এজন ঈশ্বৰ তথা "এক দেৱ এক সেৱ একত বিনে নাই কেৱ" বুলি বিজ্ঞানসন্মত বিশুদ্ধ সিদ্ধান্তত উপনীত হৈ একেশ্বৰবাদ বুলি প্ৰচাৰ কৰি গৈছে। এই ভগৱান কৃষ্ণই শিষ্য আৰু ভকতৰ সৃষ্টি কৰি গৈছে। উদ্ধৱেই আছিল ভগৱান কৃষ্ণৰ পৰম ভকত। শ্ৰীমন্ত শংকৰ গুৰুজনায়েও ভকত আৰু শিষ্যৰ সৃষ্টি কৰি এক শৰণ নামধৰ্ম প্ৰচাৰ ও প্ৰসাৰ কৰি গৈছে।

"শ্ৰীমন্ত ঈশ্বৰ কৃষ্ণ ভকতৰ গুৰু
তাহান পৰম কৃপা ৰস কল্পতৰু।
তাহাৰ উত্তম ফল সৎসঙ্গ প্ৰধান
ভাগৱত শাস্ত্ৰে অভিপ্ৰায় এহিমান।।"

তথাঃ ২৯৬১

ভকতনো কাক কৈছে—

ভ— শব্দই ভগৱন্ত ভৱ বিমোচন ভজন ভক্তিত পূৰ্ণ হোৱন্ত সিজন

ক— শব্দই, কৃষ্ণক ভজিয়া হোৱে পৰম পৱিত্ৰ সমস্ত প্ৰাণীক দেখে পৰম আত্মা কৃষ্ণ।

ত— শব্দই, তৰণৰ উপায় হোৱে কৃষ্ণৰ শৰণ হৃদয় পদ্মত ধৰে কৃষ্ণৰ চৰণ।

অৰ্থাৎ ভগৱন্তক ভজা জনেই হৈছে ভকত।

আকৌ

ভ শব্দই— ভৱ সাগৰত
ক শব্দই— কীৰ্তি কাম কৰি
ত শব্দই— তৰি যায় সিজন এই সংসাৰত।

অৰ্থাৎ এই ভৱসংসাৰত পৰম কীৰ্তি কাম কৰি যি তৰি যায় সেইজনেই হৈছে ভকত।

ভকতৰ লক্ষণ কেনে হোৱা উচিতঃ ১। অস্পৃশ্যতা বৰ্জন ২। মাদকতা নিবাৰণ, ৩। অহিংসা শিক্ষা, ৪। আন ধৰ্মক বন্দিবাকু নুহি, নিন্দি বাকু নুহি, ৫। কৰ্মকাণ্ড ত্যাগ, ৬। সৰ্ব সাধাৰণৰ উপযোগী নাটৰ প্ৰৱৰ্তন, ৭। উচ্চ গীত-বাদ্যৰ প্ৰচলন, ৮। পৰিস্কাৰ-পৰিছন্নতা, ৯। সমদৰ্শী, ১০। সত্যৰ অপচয়, ১১। শান্ত প্ৰকৃতি, ১২। দয়ালুবান, ১৩। ক্ৰুতিহীন, ১৪। উদাৰ

মনোভাৱ, ১৫। মৃদুভাষা, ১৬। ভগৱান কৃষ্ণৰ শৰণাগত হৈ শৰণ-ভজন লোৱা, ১৭। অনাসক্ত, ১৮। শুভাকাঙ্খ্যা, ১৯। ঈশ্বৰ সম্বন্ধীয় শাস্ত্ৰত দক্ষ, ২০। লালসা ৰহিত, ২১। নিৰহঙ্কাৰ, ২২। সহজ-সৰল, সংযত, ২৩। প্ৰকৃতিস্থ, ২৪। গহীন-গম্ভীৰ, ২৫। কপতীয়া স্বভাৱ নোহোৱা, ২৬। মৈত্ৰী ভাৱাপন্ন, ২৭। প্ৰাণী হত্যাৰ পৰা বিৰত থকা, ২৮। শাস্ত্ৰ সন্ধিৎসু, ২৯। ধৰ্মত একাগ্ৰতা, ৩০। স্থিতপ্ৰজ্ঞ, ৩১। বহু বন্ধী নোহোৱা, ৩২। দাস্যভাৱ অটুত ৰখা, ৩৩। বিশ্বাসী, ৩৪। মনক পবিত্ৰ কৰি ৰখা। ভকতসকল এইবোৰ গুণেৰে বিভূষিত হোৱা উচিত। ইয়াৰ উপৰিও ইন্দ্ৰিয় দমন, আত্মজ্ঞান, অন্যৰ প্ৰতি দয়া, জিভা সংযত; কাৰণ জিভাই হৈছে, সমস্ত ইন্দ্ৰিয়ৰ ভিতৰত ভয়ংকৰ শত্ৰু। জিভা সংযত হ'লেই ইন্দ্ৰিয় সংযত হয়। এইবোৰ মানি চলিলে জীৱৰ এই সমস্ত দিব্য গুণ বিকশিত হয়। ভগৱানেও তেৰাৰ প্ৰতি সুপ্ৰসন্ন হয়। ৰাম, কৃষ্ণ, হৰি, এক মহামন্ত্ৰ— এই দিব্য ধ্বনি উচ্চাৰণৰ ফলত ভৌতিক ও আধ্যাত্মিক সমস্ত বস্তুৰ অৰ্থ প্ৰকাশিত হয়। কিয়নো এই মহামন্ত্ৰ পৰমেশ্বৰ ভগৱানৰ পৰা অভিন্ন। নাৰায়ণ সৰ্বব্যাপ্ত হৈ জীৱৰ অন্তৰে বাহিৰে অৱস্থিত। এই মহামন্ত্ৰই বদ্ধ জীৱবোৰক ভৱবন্ধনৰ পৰা উদ্ধাৰ কৰে। জীৱই যিকোনো স্থানতে নাথাকক কিয় মুক্তি পাবই। সেয়ে ভগৱান শ্ৰীকৃষ্ণৰ সেৱা কৰাই হৈছে পৰম সিদ্ধি। পৰমেশ্বৰ বা ভগবানৰ বিভিন্ন অংশৰূপে জীৱনৰ কৰ্তব্য হৈছে ভগৱান শ্ৰীকৃষ্ণৰ কথা সদায় চিন্তা কৰি মনক দমন কৰিব পৰা যায়।

ভকতৰ শ্ৰেণীবিভাগ

(কেৱল এফাঁকি শাস্ত্ৰৰ বাণী লিপিবদ্ধ কৰা হ'ব)

১। মহন্ত সব ঃহৰিৰ চৰিত্ৰ কহে মহন্ত সকলে
অতি মহা শুদ্ধ চিত্তে অমৃত কেৱলে।।
নদীৰূপে বহে যিটো সকলো দিশক।
সাৱধানে পিয়ে কৰ্ণে সিটো অমৃতক।।
নোচোৰে তাহাক ক্ষুধা, তৃষ্ণা আদি যত।।

ৰত্নাকৰ ডা ঃ ১০৩৫

২। গুৰু ঃ আমাৰ এই মনুষ্য শৰীৰ হৈছে এখন অতি সুন্দৰ নৌকা। এই নাৱৰ কৰ্ণধাৰ হৈছে শ্ৰীগুৰু। শ্ৰীগুৰুৱে ভালদৰে জানে কেনেধৰণেৰে নাৱত পাল তৰিব আৰু শেষত তেওঁ নাৱৰ গুৰি ধৰি গন্তব্য স্থানলৈ লৈ যায়। এনে সুযোগ যিবোৰ ভক্তই সদ্ব্যৱহাৰ কৰিব জনা নাই তেওঁলোকে মনুষ্য জীৱন বৃথাই নষ্ট কৰিছে। এইদৰে সময় ও জীৱন অপচয় কৰি আত্মহত্যাৰ পথ প্ৰশস্ত কৰি লৈছে। ভগৱান শ্ৰীকৃষ্ণৰ উপদেশবোৰেই হৈছে অনুকূল বায়ু। সেয়ে ভগবান শ্ৰীকৃষ্ণও জগতৰে গুৰু।

"জগতৰে মহাগুৰু কৃষ্ণ ভগৱন্ত
ব্ৰহ্মাদিও যাৰ পাদ পদ্মক সেৱন্ত"।।

ৰত্নাকৰ ৭৫৮

৩। উত্তম ভকত ঃ"নকৰে আপোন-পৰ বুদ্ধি, ধন বিত্তে
সমস্তৰে একে আত্মা জানে যিটো চিত্তে।।
সকলোকত সম শান্ত নিৰূপম
চিনিবা নৃপতি সিটো ভকত উত্তম।।

নিমি নৱসিদ্ধি— ৯০-৯১

৪। পণ্ডিত ঃ(কলিৰ যুগত)
"কহিবে নপাৰে একো বেদ শাস্ত্ৰতত্ত্ব
মহা জ্ঞানশূন্য পৰমাৰ্থ বিচাৰত।।
একোৱে নজানে কিছু নপাৰে খণ্ডিব
বহুবন্ধী ভৈলে তাক বুলিব পণ্ডিত।।"

তথা— ২৮

৫। প্ৰাকৃত ভকত ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই প্ৰতিমা পূজা একেবাৰে নিন্দা কৰা নাই যেন লাগে।

অতি নিকৃষ্ট ভকতে প্ৰথমতে বিষ্ণুমূৰ্তি উপাসনা কৰি ভক্তি মাৰ্গত এখোজ দিব পাৰে। এইদৰে আগুৱাই গৈ গৈ, শেষত ভক্তি যোগত উন্নতি লাভ কৰিব পাৰিলে শেষত গৈ শ্ৰেষ্ঠ ভকতো হ'ব পাৰে। তলৰ কথাফাঁকিয়ে কি বুজায় মন কৰকছোন এবাৰ?

"গুৰুক ঈশ্বৰ আত্মা বুলি মানি মনে
কৰিব ভকতি এক কৃষ্ণৰ চৰণে।।
প্ৰতিমা স্বৰূপ ভক্ত ৰূপ মাধৱৰ
দুই হাঙ্কে প্ৰণামে শিৰে সিসে শ্ৰেষ্ঠতৰ।।
ইটো দুই ৰূপক কৃষ্ণৰ যিটো দেখে
চক্ষু বুলি তাকেসে মহন্ত সবে লিখে।।

ৰত্নাৱলী— ৫২৭

ইয়াত ভক্তকে প্ৰতিমাৰ লগত তুলনা কৰা হৈছে। প্ৰতিমা পূজা নিন্দা নকৰিলেও মহাপুৰুষে প্ৰতিমা পূজাৰ ব্যৱস্থা কৰা নাই। কোনো সত্ৰতে মহাপুৰুষে প্ৰতিমা স্থাপন কৰা নাই। বিষ্ণুৰ প্ৰতিমা ভকতকহে সেৱা কৰিব কৈছে। এইটো ঠিক যে মহাপুৰুষে প্ৰতিমা পূজাৰ ব্যৱস্থা কৰি থৈ যোৱা নাই।

প্ৰধান ভকত ঃ"এতেকে ত্ৰৈলোক্য পদ তুচ্ছ জানি মনে
কৃষ্ণৰ চৰণ সেৱা নেড়য় যতনে
প্ৰধান ভকত এহি জানিবা নিশ্চয়ে।।

ৰত্নাকৰ ডাঃ— ৫৬৪-৬০

মধ্যম ভকত ঃ"ঈশ্বৰক দেখি যিটো নমে সমস্তক
সমানত মৈত্ৰী কৰে প্ৰীতি উত্তমত।।
বিপক্ষত ক্ষমা কৰে কৃপা দুঃখিততে
জানা ৰাজা সেহিজন মধ্যম ভকত।।"

(নিমিৰ প্ৰতি হৰি সিদ্ধ) ৰত্নাকৰ ডাঃ— ৬১০-১১

মহা ভকত ঃ"মহাভকতৰ পৰম আশ্ৰয়
ভগৱন্ত আত্মাৰাম।
যিটোজনে এক শৰণ ধৰিয়া
সুমৰৈ তাহানে নাম।।"

প্ৰথম— ৩১৮

পৰম ভকত ঃ"নুগুছে ক্ষণেকো হৰি স্মৰণ মনত
জানিবাহা সেহিজন পৰম ভকত।।

ৰত্নাকৰ ডাঃ— ৫৫৪

একান্ত ভকত ঃ"হে কৃষ্ণ তযু কথা অমৃত সাগৰ ক্ৰীয়া
কৰৈ যিটো আনন্দে পৰম।
সেহিতু একান্ত ভক্ত, ধৰ্ম অৰ্থ কাম মোক্ষ
চাৰি বৰ্গ কৰে তৃণ সম।।"

ৰত্নকাৰ, ডাঃ— ৪৮৩

সাধুসঙ্গ ঃমহাভক্তিৰ বলত সাধুসঙ্গই ভগৱন্তক বশীভূত কৰিব পাৰে। সাধুসঙ্গ নহ'লে ভক্তি নোপজয়। সাধুসঙ্গ মোক্ষতো অধিক।

"ভগবন্ত বাক্য থওঁ সংহৰি সম্প্ৰতি।
স্বৰ্গাদিতো কৰি শ্ৰেষ্ঠ সাধুৰ সঙ্গতি।।"

ৰত্নাৱলী— ৩০২

১।নামাচাৰ্য্য ঃ সৰ্বপ্ৰথমে নামাচাৰ্য্যজন একাশৰণীয়া ভজনীয়া হোৱাৰ উপৰিও সঙ্গীত বিষয়ৰ সাধক হোৱাটো বাঞ্চনীয়। উচ্চ গীত-বাদ্যৰ প্ৰচলন অতীব প্ৰয়োজন। কৰ্মকাণ্ডত লিপ্ত হ'ব নালাগে। সমাজৰ ক্ষেত্ৰত নামাচাৰ্য্যৰ আচৰণ মাৰ্জিত হোৱাটো বাঞ্চনীয়। মিছা কথাৰ আশ্ৰয় ল'ব নালাগে। উদ্ধৱ, বিদুৰ, ব্যাস, নাৰদৰ পৰস্পৰ ব্যৱহাৰে একশৰণ নামাচাৰ্য্যৰ গ্ৰহণীয়। নামাচাৰ্য্যজন সদায় বাহিৰে ভিতৰে পৱিত্ৰ; গুৰু-গম্ভীৰ, সকলোৰে প্ৰতি সহানুভূতিসম্পন্ন, সহিষ্ণু হ'ব লাগে। ধৰ্মাচৰণ হৈছে নামাচাৰ্য্যৰ এটি বিশেষ কাৰ্য। ধৰ্ম অনুষ্ঠানৰ যোগেদিয়েই নামাচাৰ্য্যই আত্মজ্ঞান লাভ কৰি ভগৱন্তৰ নাম-কীৰ্তনৰ জৰিয়তে ভগৱানৰ লগত জীৱৰ নিত্য সম্পৰ্কৰ কথা ভকত বা সাধুসৱক অৱগত কৰাই ঈশ্বৰমুখী কৰিবলৈ যত্নপৰ হ'ব লাগে। শুদ্ধ নাম-কীৰ্ত্তনৰ জৰিয়তে মানুহক ভগৱত ধামলৈ পুনৰ ঘূৰি যাবলৈ উপযুক্ত কৰি গঢ়ি তোলাটোৱেই নামাচাৰ্য্যৰ মূখ্য উদ্দেশ্য হ'ব লাগে। আত্ম উপলব্ধি নোহোৱা বা পৰমাত্মাৰ লগত সম্বন্ধ নৰখা অথবা ভগৱান কৃষ্ণ চৰণ

পঙ্কজত সেৱা নকৰা, কৰ্মকাণ্ডত যোগ দিয়া, শংকৰদেৱ গুৰুজনাৰ নামৰ আৰ্হি নজনা, সদায় ধৰ্মাচৰণ নকৰা ব্যক্তিক নামাচাৰ্য্য পতাটো উচিৎ নহয় বা নামাচাৰ্য হোৱাটো উচিৎ নহয়।

ধৰ্মশীল, আত্মসংগমী, অহংকাৰবিহীন, দৃঢ়তাৰে একশৰণ নামধৰ্মৰ বিধি-বিধান পালন কৰি সমস্ত ব্যক্তিৰ লগত মিত্ৰতা স্থাপন কৰি দম্ভহীন, সহনশীল হৈ পাৰিপাৰ্শ্বিক জীৱন কিভাৱে উন্নতি সাধন কৰিব পৰা যায় সেই বিষয়ে চিন্তা কৰি ঈশ্বৰ সম্বন্ধীয় প্ৰামাণিক শাস্ত্ৰবোৰ অধ্যয়ন কৰি সহিষ্ণুতাৰে কৃষ্ণ ভাৱনাৰ উন্নত দিশবোৰ ভকতৰ মাজত পৰ্যালোচনা কৰি নিজে ব্ৰহ্ম হৈ আনকো ব্ৰহ্ম দেখি ভকতি পন্থাত "এক দেৱ নাৰায়ণ"— এই মন্ত্ৰ অনুসৰি মনুষ্য ব্ৰহ্ম হৈ বৈকুণ্ঠলৈ যাবলৈ সহায়ক হ'ব পাৰে নামাচাৰ্য্যজন। শাস্ত্ৰৰ বিধি অনুসৰি একশৰণ নামধৰ্মৰ নামাচাৰ্য্যজনক এজন সাধাৰণ মানুহ বুলি গণ্য কৰা উচিৎ নহয়। সমস্তই নামাচাৰ্য্যজনক সৰ্বশ্ৰেষ্ঠ সন্মান প্ৰদৰ্শন কৰা উচিত। কিয়নো ধৰ্মৰ নিয়ম অনুসাৰে নামাচাৰ্য্যই জীৱন-যাপন কৰি থাকে।

মেধী, দেউৰী ঃ শৰণীয়া আৰু ভজনীয়া হ'ব লাগিব। অংগক্ষয় হ'ব নোৱাৰিব। ঘোৰ ৰুগীয়া হ'ব নোৱাৰিব।

নামঘৰীয়া ঃ কোনো গুৰুৰ ওচৰত বা শৰণাচাৰ্য্যৰ ওচৰত এক মনে-প্ৰাণে-বাক্যে ভগৱান কৃষ্ণৰ চৰণত শৰণ-ভজন ল'ব লাগিব। ৰাগ, তাল, সুৰ, মান ৰাখি কীৰ্ত্তন ভাগ চলাব পাৰিব লাগিব। একশৰণত মতি থাকিব লাগিব। শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ, ৰীতি-নীতি মানি চলিব লাগিব। গুৰুজনাৰ বাণীবোৰ মনত থাকিলে ভাল। পৰিষ্কাৰ-পৰিচ্ছন্নতা মন দিব লাগিব। কৰ্মকাণ্ড সংযত কৰি চলিব লাগিব। উপদেশী গুৰুক ঈশ্বৰ জ্ঞানে অকপট ভক্তি কৰিব লাগিব। স্বভাৱ-চৰিত্ৰ বজাই ৰাখিব লাগিব।

ৰান্ধনী ঃ শৰণীয়া, ভজনীয়া হ'ব লাগিব। অশৰণীয়া হাতে অন্নাদি অগ্ৰহণীয়। চিৰৰোগী, নখমৰা, কণা, কেলেঙ্কাৰী লোক, মেধী, দেউৰী, ৰান্ধনী আদিৰ পৰা বিৰত থাকিব লাগিব।

গায়ন, বায়ন আৰু সুত্ৰধাৰ, আতৈ আদি কৰি শৰণীয়া, ভজনীয়া হ'ব লাগিব। খোল, তালত তথা বৰগীতত বিশেষ পাৰদৰ্শিতা থাকিব লাগিব।

একশৰণীয়া ভক্তৰ বাবে দেৱ-দেৱীৰ উপাসনা কৰাটো শাস্ত্ৰৰ সিদ্ধান্ত পোৱা নাযায়। গতিকে এই সাত পালন কৰা মানেই ভক্তিৰ বিৰোধিতা কৰাহে। সেয়ে অম্বুবাচী বা সাত পালনীয় নহয়।

শ্ৰীমন্ত শংকৰ গুৰুজনাই ভক্তিকহে জাতিৰ স্বীকৃতি দিছে। মই ভকত, মই মহন্ত, মই নামাচাৰ্য্য বুলি কালৰ প্ৰভাৱে প্ৰচলিত হৈ আছে। সেয়া শংকৰদেৱ, মাধৱদেৱৰ লেখনীতে পোৱা যায় যে কেনে দাস্য ভক্তিৰে আত্মশোধন কৰিলে "কৃষ্ণৰ কিঙ্কৰ, মুৰুখ মাধৱ" এই শব্দবোৰ চালেই ওলাই পৰে।

"সমস্ত প্ৰাণীক দেখিবেক আত্মসম
উপায় মধ্যত ইটো অতি মুখ্যতম।।"

—১১শ ভাগৱত।

গতিকে আত্মগৌৰৱী ভাববোৰ কালৰ সাগৰতে উটাই দি দাস্যভাৱ গ্ৰহণে ভকতৰ সৌষ্ঠৱ কেতিয়াও নকমায়। আপুনি, মই কি সেৱা কৰি আছো সেয়া প্ৰাণী সমাজেহে স্বীকৃতি দিব।

ভকতসৱে প্ৰথমতে শংকৰদেৱ মহাপুৰুষৰ বাণীবোৰ, আদৰ্শবোৰ হৃদয়ঙ্গম কৰিব লাগিব। একান্ত ভকত, পৰম ভকত, মহা ভকত, সাধুসঙ্গ সবে ভগৱানৰ ভক্তি লতাৰ বীজ মানুহৰ হৃদয়ত ৰোপণ কৰে আৰু তাতে শ্ৰৱণ-কীৰ্ত্তন ৰূপ জলসিঞ্চন কৰি বৈকুণ্ঠত প্ৰৱেশ কৰায় আৰু তাতেই বাঞ্ছিত ফল লাভ কৰে। লাগে মাথোন একাগ্ৰতা, ঈশ্বৰ সম্বন্ধীয় শাস্ত্ৰত দক্ষতা।

ভকতসৱে কৃষ্ণৰ লীলা ৰস শ্ৰৱণ কৰে, ভগৱান কৃষ্ণৰ কাৰ্যকলাপৰ কথা নাম-কীৰ্ত্তন কৰে আৰু কৃষ্ণৰ শাশ্বত সুন্দৰ ৰূপ স্মৰণ কৰে। ৰীতি-নীতিৰ মাজেদি ভক্তি পন্থা গ্ৰহণ কৰি ভগৱানক সেৱা কৰে। সেৱক হৈ সকলো দ্ৰব্য, সকলো বস্তু মহিমা আদি নিগূঢ় ৰহস্যবোৰ সঠিক দিশত ব্যাখ্যা কৰে। ইয়াৰ ফলত আধ্যাত্মিক উন্নতি সাধন কৰে। অসীম মহিমাযুক্ত ভগৱান

কৃষ্ণৰ নাম। এইদৰেই বৈকুণ্ঠৰ আন চিন্তা নকৰে। হৃদয়ৰ পৰমাত্মাকে চৈতন্য কৃষ্ণ বুলি সবাকে ভক্তি কৰে। নিয়মিতভাৱে শ্ৰৱণ-কীৰ্ত্তন কৰি নিজৰ ইন্দ্ৰিয়বোৰ নিৰ্মল কৰি ৰাখে। ভগৱান কেৱল ভকতৰ ওচৰতহে দৃশ্যমান। ভকতসবে ব্ৰহ্মদৰ্শনৰ যোগেদি ঈশ্বৰৰ পৰমতত্ত্বক উপলব্ধি কৰি আত্মউপলব্ধি লাভ কৰে আৰু জীৱন সাৰ্থক কৰি তোলে। ভকতসৱেই হৈছে ভগৱান কৃষ্ণৰ সান্নিধ্যলৈ লৈ যোৱা বঠাস্বৰূপ। তেৱাসবেই হৈছে চৈতন্যস্বৰূপ ভগৱন্ত। ভকতৰ আশীৰ্বাদতে সেৱকীৰ সৰ্বসিদ্ধি লাভ হয়। আনকি মনুষ্য জীৱনৰ সমস্ত উদ্দেশ্য সফল হয়। ভকতসবেই আত্মবিস্মৃতি পৰায়ণ মানুহৰ হৃদয়ত কৃষ্ণভক্তি জাগৰিত কৰায়।

যেতিয়া সমস্ত ভকতসবে অবিচলিতভাৱে শ্ৰৱণ-কীৰ্ত্তনৰ যোগেদি ভগৱত ভক্তিত আপ্লুত হয় তেতিয়া হৰি নামৰ মহিমাতে শ্ৰেষ্ঠতম দেৱতাৰ সমস্ত সদগুণখিনি আপোনা-আপুনি ভকতসৱৰ শৰীৰত প্ৰকাশিত হয়। অন্তৰত ভক্তিৰ সঞ্চাৰ হয়— ইন্দ্ৰিয়বোৰ নিকা হয়— মনৰ মলিনতা দূৰ হয়। ভকতৰ শৰীৰত এই সমস্ত গুণখিনি কিভাৱে বিকশিত হয় তাক কোনেও ক'ব নোৱাৰে। কিন্তু প্ৰকৃতপক্ষে সেইটো নিশ্চয় হয়।

উদাহৰণস্বৰূপে ক'ব পাৰি যে এজন ব্যাধে পশু হত্যা কৰি খুব আনন্দ পাইছিল কিন্তু কেনেবাকৈ যেতিয়া তেওঁৰ ভগৱত ভক্তিত মন মজি গ'ল তেতিয়া তেওঁ সামান্য পৰুৱা এটাও বধ কৰিবলৈ ইচ্ছা নকৰা হ'ল। এয়াই হৈছে ভকতৰ গুণ।

গুণীৰ গুণ থাকিবই। যিজন লোক বা ভকত বাস্তবিকতে গুণহীন, সি গৰ্বত নিজৰ মিছা গুণৰহে প্ৰচাৰ কৰে। গুণবান লোক বিনয়ী আৰু গৰ্বশূণ্য। তেওঁ সজ আচৰণৰ দ্বাৰা সকলোৰে মনত সন্তোষ দিয়ে। প্ৰকৃত গুণবান ভকতে শত্ৰুৰ প্ৰতিও সদাশয়তা প্ৰকাশ কৰে। প্ৰকৃত ভকত সমদৰ্শী হয়। তেওঁৰ ভেদ বুদ্ধি থাকিব নোৱাৰে। আত্মজ্ঞ ভকতে কেতিয়াও কাৰো প্ৰতি বিদ্বেষ বা তুচ্ছ ভাব আচৰণ কৰিব নোৱাৰে।

বৰ্ত্তমান সময়ত মানুহৰ বিশেষ কৰ্তব্য হৈছে— সামাজিক স্থিতি নিৰ্বিশেষে শ্ৰীমন্ত শংকৰ গুৰুজনাৰ একশৰণ নামধৰ্মৰ আৰ্হিৰে কীৰ্ত্তন, ভাগৱতৰ নিৰ্দেশ অনুসাৰে মন, প্ৰাণ, লোভ, মোহ, অহংকাৰ আৰু ইন্দ্ৰিয় সংযমৰ অভ্যাস কৰাটো। ভগৱানৰ সেৱা আৰম্ভ হয় ভক্তসৱৰ জিভাৰ পৰা তাৰ পূৰ্ণতা লাভ হয় শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু প্ৰসাদ গ্ৰহণে। ভগৱন্তৰ প্ৰসাদ গ্ৰহণ কৰাৰ অৰ্থ হৈছে সমস্ত ইন্দ্ৰিয়বোৰক নিয়ন্ত্ৰণ কৰি ৰখাটো।

হৰিৰ শ্ৰৱণ-কীৰ্ত্তন হৈছে— "মহা ঔষধ" আৰু প্ৰসাদ হৈছে পথ্য। জিভাক ভগৱানৰ মহিমা কীৰ্ত্তনত আৰু ভগৱানৰ প্ৰসাদ গ্ৰহণত যুক্ত কৰা হয় আৰু তেতিয়া অন্য ইন্দ্ৰিয়বোৰ সংযত হৈ পৰে। সদৌ শেষত—

"স্বভাৱে ঈশ্বৰ কৃষ্ণ দেৱ সৰ্ব্বোত্তম
নাহি আন ধৰ্ম আন ভকতিক সম।।"❑

সহায়ক পুথি ঃ

⇨ *মহাপুৰুষ শংকৰদেৱৰ বাণী সংগ্ৰাহক*
—ৰায় বাহাদুৰ কালিৰাম মেধি।

⇨ *সন্তবাণী*

গল্প

অতৃপ্ত আত্মাৰ কাহিনী



রেৱতী মোহন হাজৰিকা

এটা বৰভুঁইকপৰ দৰে শ্বিলঙখনক ভাষা আন্দোলনে জোকাৰি যোৱা এবছৰেই হোৱা নাছিল। আন্দোলনৰ গইনা লৈ সন্ধিয়াৰ পাছত ঠায়ে ঠায়ে দুই এটা হিংসাত্মক বিক্ষিপ্ত ঘটনা ঘটিয়েই আছিল। আওহতীয়া কিছুমান গলিয়েদি মানুহে অকলশৰে অহা যোৱা কৰিবলৈ ভয় কৰিছিল। আন্দোলনৰ আগৰ পুলিচ বজাৰ, বৰ বজাৰ, ম'খাৰ, লাবান, লাইটুমোখ্ৰা, নংযীমাই আদি ঠাইবোৰৰ তিনি বা চাৰিআলিত জন সমাগমে সৃষ্টি কৰা সন্ধিয়াৰ উৎসৱমুখৰ পৰিৱেশ ম্লান পৰিছিল। ৰাতি এডোখৰলৈ ৰাস্তাত টহল দিয়া আৰু চাহ দোকানত আড্ডা দিয়া দন্দুৰা ডেকাবোৰো বাধ্যত পৰি ৰাতি আঠ বজাৰ অলপ আগে পাছে আহি ঘৰ অথবা মেচ সোমাইছিল। ৰাস্তাত টহল দিয়া আৰু চাহ দোকানত আড্ডা দিয়া অভ্যাস অৱশ্যে মোৰো আছিল।

মাৰ্চ মাহৰ মাজভাগৰ এদিনৰ কথা। ফুৰি আহি মেচ পাওঁতে ৰাতি চাৰে আঠ বাজি গ'ল। মেচ পাই নিজৰ ৰুমলৈ নগৈ একেটা ঘৰতে থকা কাষৰ মেচটোৰ এটা ৰুমলৈ সোমাই গ'লো। ৰুমটোত হৰকান্ত বৰা অকলে। বাকী অন্যটো ৰুমত লগৰ দুজন থাকে। হৰকান্ত বৰাই সেইবছৰ চেন্ট এন্থনীজ কলেজৰ ৰাতিৰ শাখাত বি. এ. পঢ়ি আছিল। তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। ৰুমত সোমাই বৰাৰ কাষত থিয় হৈ কৰ্তৃত্বৰ সুৰত ক'লো— "সন্ধিয়া সাত বজাতে পঢ়িবলৈ বহিছে। এতিয়া চাৰে আঠ বাজিল। এই ডেৰ ঘণ্টা সময়ে কিতাপৰ এটা পাতো লুটি খোৱা নাই। এনেকৈ নহ'ব দেই। সেই পুৰণি কথাবোৰকে ভাবি নাথাকিব। পঢ়া-শুনাত মন দিয়ক।" থত্ মত্ খাই মোৰ ফালে মূৰ তুলি বৰাই সুধিলে— "আপুনি কেনেকৈ জানিলে মই সাত বজাতে পঢ়িবলৈ বহা বুলি আৰু ডেৰ ঘণ্টা সময় ধৰি কিতাপৰ এটাও পাত লুটি খোৱা নাই বুলি। মই পুৰণি কথাবোৰ ভাবি আছো বুলি আপুনি কেনেকৈ জানিলে?" কথাখিনি কওঁতে বৰাক অলপ আবেগিক হৈ পৰা যেন লাগিল।

"অ বৰা, বেয়া নেপাব দেই। মই ধেমালিহে কৰিছো— এনেয়েহে কৈছো" কথাত আন্তৰিকতা সানি ক'লো। বৰাৰ ৰুমৰ পৰা ওলাই গৈ নিজৰ ৰুম সোমালোগৈ।

পিছদিনা পুৱা ন বজাত চাহ খাই থাকোঁতেই বৰা মোৰ ৰুম ওলালহি।

আপুনি পুৱা বৰ দেৰিকৈ উঠে নেকি?

দেৰি হয় অৱশ্যে। কওঁকচোন কি ক'ব?

আপোনাক মোৰ বিষয়ে কোনোবাই কিবা কৈছে নেকি?

নাই কোৱা, কোনেও একো কোৱা নাই।

অলপ ইতস্ততঃ কৰি বৰাই পুনৰ সুধিলে— আপুনি বাৰু হাত চাব জানে নেকি, জ্যোতিষ চৰ্চা কৰে নেকি?

নাই, সেইবোৰ একো নাজানো। হাত চাব নাজানো, জ্যোতিষ চৰ্চাও নকৰো।

আপুনি হাত চাব জানে, জ্যোতিষ চৰ্চাও কৰে আৰু কিবা কিবি বহুত জানে— বৰাই দৃঢ়ভাৱে ক'লে।

মই যে এইবোৰ একো নাজানো এই কথা কৈ বৰাক পতিয়ন নিয়াব নোৱাৰিলো। বৰাই জোৰ কৰা বাবে অগত্যা মই হাত চাবৰ বাবে ৰাজী হ'লো। মনতে ভাবিলো দিন পালে খেন পায়। গতিকে চিন্তা কৰিবৰ বাবে দুটা দিন লোৱাটো দৰকাৰ।

শুনক বৰা, আপুনি ইমান জোৰকৈ ধৰিছে যেতিয়া মই আপোনাৰ হাতখন চাম বাৰু। কিন্তু মই হাত চাব জানিলেও মানুহৰ হাত নাচাওঁ। হাত চাই ভাল নাপাওঁ। সেইটো মোৰ ব্যৱসায় নহয়। আপোনাক এটা কথা মই এতিয়াই কৈ থওঁ, মই আপোনাৰ হাত চোৱাৰ কথা কোনো মানুহে জানিব নোৱাৰিব। আপুনিও মই হাত চাব জানো বুলি কোনো মানুহকে ক'ব নোৱাৰিব। বৰা সন্মত হ'ল। মই পুনৰ ক'লো— এতিয়াটো ন বাজিলেই। অফিচলৈ যাবৰ হ'লেই। গতিকে আপুনি পৰহিলৈ ৰবিবাৰে পুৱা ন মান বজাত আহিব। হ'ব বাৰু বুলি শলাগি বৰা মোৰ ৰুমৰ পৰা ওলাই গ'ল। সেইদিনা ৰাতি শুৱতে বৰাৰ কথাকে চিন্তা কৰিলো। এটা কথা অনুমান কৰিলো যে আগদিনা সন্ধিয়া কোৱা কথাখিনিয়ে বৰাৰ অন্তৰৰ কোনোবাখিনিক স্পৰ্শ কৰিছেগৈ। কিন্তু প্ৰকৃত সমস্যাটোনো আছিল কি? এখন অনুন্নত অথবা এখন অৰ্ধ উন্নত গাঁৱৰ পৰিৱেশত ডাঙৰ-দীঘল হোৱা এটা নিম্ন মধ্যবিত্ত, কৃষিজীৱী পৰিয়ালৰ এজন যুৱকৰ বাবে কি এনে দুৰ্ঘটনা হ'ব পাৰে যিয়ে সেই ল'ৰাজনৰ মনত গভীৰ আঘাত হানিব পাৰে। লগতে ভাবিলো মানুহে সকলোতকৈ নিজকে বেছি ভাল পায় আৰু নিজৰ দুখ-দুৰ্দশাৰ প্ৰতি বেছি সজাগ। প্ৰকৃতাৰ্থত সুখৰ বিশেষ তেনে কোনো স্মৃতি নাথাকে, স্মৃতি থাকে মাথোঁ দুখৰ।

ৰবিবাৰে পুৱা ন বজাত বৰা মোৰ ৰুম ওলালেগৈ বিশেষ একো পাতনি নেমেলাকৈ হাত চাবলৈ আৰম্ভ কৰিলো। নিজৰ যৎসামান্য জ্ঞান, বুদ্ধি আৰু অভিজ্ঞতাৰে এটা গাঁৱলীয়া ল'ৰাৰ কৈশোৰৰ পৰা যৌৱনপ্ৰাপ্ত হোৱালৈ ঘটিব পৰা সম্ভাব্য ঘটনাক কৌশলেৰে অৰ্থময় কৰি কোৱাৰ পাছত অলপ পৰ ৰৈ পুনৰ আৰম্ভ কৰিলো— আজিৰ পৰা ছয় সাত বছৰমান আগতে আপোনাৰ এটা বিৰাট দুখ লগা ঘটনা ঘটিছিল। সেই ঘটনাত আপুনি মৰিবই লাগিছিল কিন্তু সেই সময়ত গুৰু বৃহস্পতি আপোনাৰ পক্ষত থকা বাবে আপুনি বাচি গ'ল। হ'লেও সেই ঘটনাই আপোনাৰ জীৱনত বৰ বেয়াকৈ প্ৰভাৱ পেলালে। মোৰ কথাৰ যতি পেলাই বৰাই ক'লে— আপুনি কোৱাৰ দৰে মোৰ জীৱনটোত তেনে ভীষণ দুৰ্ঘটনা ঘটা নাছিল। বৰাই কথাষাৰ ভয়ে ভয়ে কোৱা যেন লাগিছিল। সেইবাবে অলপ জোৰ দিয়েই ক'লো— ঘটিছিল। কি ঘটিছিল, কেনেকৈ ঘটিছিল আৰু কিয় ঘটিছিল সেই কথাও মই ধৰিব পাৰিছো। স্পষ্ট ছবিখনহে মোৰ চকুত ভাহি উঠা নাই। বৰাৰ মুখলৈ চাই দেখো তেওঁৰ মুখমণ্ডল দুখৰ ক'লা ডাৱৰে আবৰি পেলাইছে। পুনৰ দৃঢ় কণ্ঠৰে ক'লো— শুনক, আপোনাৰ সেই মৰ্মান্তিক দুখ লগা ঘটনাৰ উদ্ভৱ হৈছিল আপুনি এজনী ছোৱালীক গভীৰভাৱে ভালপোৱাৰ পৰা। অন্তৰত ভয় সোমোৱা মানুহৰ দৰে সেইবাৰো বৰাই কওঁ নকওঁ কৈ ক'লে— আপুনি এইবোৰ কি কথা কৈছে জানো। অলপ বিতৃষ্ণাৰ ভাব দেখুৱাই হ'ব বাৰু 'যাওঁক' বুলি বৰাৰ হাতখন এৰি দিলো। বৰা মোৰ ৰুমৰ পৰা ওলাই গ'ল।

দুদিন পাছতে আকৌ এদিন আবেলি বৰা মোৰ ৰুমলৈ আহিল।

কি হ'ল বৰা কওঁকচোন।

অলপ আফচোচ্ কৰি বৰাই ক'লে— আপোনাৰ লগত মোৰ কিছুমান বিশেষ ব্যক্তিগত কথা পাতিব লগা আছে। আপুনি বেয়া পাব নেকি?

কিয় বেয়া পাম। অলপো বেয়া নাপাওঁ। কওঁকচোন।

এনেকৈ ইয়াত মেচত ক'ব নোৱাৰি। আপুনি যদি আপোনাৰ সুবিধামতে এদিন মোৰ লগত ফুৰিবলৈ যায় তেতিয়া হ'লে ক'ৰবাত নিলগে বহি আপোনাক সকলো কথা কম।

কথাবোৰ জনাৰ মোৰ আগ্ৰহ আছিল। লগে লগেই ৰাজী হ'লো আৰু ক'লো— তেতিয়া হ'লে এটা কাম কৰক। অহা ৰবিবাৰে আবেলি চাৰিমান বজাত আমি পুলিচ বজাৰলৈ গৈ তাৰে লেকৰ পাৰত বহি কথা পাতিম। বৰা ৰাজী হ'ল।

ৰবিবাৰে আবেলি পাঁচমান বজাত আমি দুয়ো গৈ লেকৰ পাৰৰ এচুকে থকা বেঞ্চ এখনত বহিলোগৈ। অলপ পৰ ইটো-সিটো কথা পতাৰ পিছত ক'লো— কওঁক এতিয়া আপুনি ক'ম বুলি ভৰা কথাবোৰ। মোৰ ফালে নোচোৱাকৈয়েই বৰাই ক'বলৈ আৰম্ভ কৰিলে— আপোনাক আজি মই যিবোৰ কথা কম, সেয়া মোৰ সম্পূৰ্ণ ব্যক্তিগত কথা। কথাবোৰ শুনি আপুনি কি ভাৱে আৰু মোক কেনেভাৱে লয় ক'ব নোৱাৰো। আপুনি কিজানি বয়সত মোতকৈ দুই এবছৰৰ সৰুহে হ'ব। হ'লেও পঢ়া-শুনাৰ ক্ষেত্ৰত আপুনি মোতকৈ চাৰি পাঁচ বছৰৰ চিনিয়ৰ। জ্ঞান, বুদ্ধিতো মোতকৈ শ্ৰেষ্ঠ। সেই ফালৰ পৰা মই আপোনাক শ্ৰদ্ধা কৰো। বৰাৰ মুখৰ পৰা কথাখিনি কাঢ়ি লৈ মই ক'লো— বাদ দিয়ক সেইবোৰ চিনিয়ৰ, শ্ৰেষ্ঠ আদি কথা। মই আপোনাৰ বন্ধু। বন্ধু হিচাপে আপোনাৰ প্ৰতি মোৰ ভালপোৱা আৰু সহানুভূতি আছে। আপোনাৰ শুভ কামনা কৰো। তাতকৈ বেছি আপোনাক দিব পৰা মোৰ একো নাই। কওঁক এতিয়া আপোনাৰ আচল কথাখিনি।

এটা হুমুনিয়াহ কাঢ়ি বৰাই ক'লে— মই তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। বয়স এঐকশ বছৰ। আমাৰ গাঁৱৰে মোৰ ঘৰৰ পৰা এক ফাৰ্লংমান দূৰৰ এজনী ছোৱালীক মই ভাল পাইছিলো। তাইৰ বয়স তেতিয়া সোতৰ বছৰ। আমাৰ ভালপোৱা আবেগিক আৰু ঐকান্তিক আছিল। ইজনে সিজনক গোপনে লগ পাইছিলো। সৰু সৰু, মিঠা মিঠা কথাৰে ভালপোৱা যাঁচিছিলো। চিঠি-পত্ৰৰ আদান-প্ৰদানো হৈছিল। আমাৰ চিঠিৰ আমি নিজেই ডাকোৱাল আছিলো। আমাৰ এই গুপ্ত প্ৰেমৰ কথা কিছুদিনলৈ মোৰ অন্তৰংগ বন্ধু বিপিনৰ বাদে আন কোনোৱেই জনা নাছিল। মাধুৰী মানে মোৰ প্ৰেয়সীৰ মাকেও দেৰিকৈয়ে গম পাইছিল। মাকে কথাটো জানি এক প্ৰকাৰ ভালেই পালে। কাৰণ আমাৰ ঘৰুৱা অৱস্থা গাঁৱৰ বেছিখিনি মানুহতকৈ ভাল। দেউতাই এল. পি. স্কুলৰ শিক্ষক হিচাপে অৱসৰ লৈছিল। ককাইদেৱে বাগানত চাকৰি কৰে। নিজৰ মাটিৰ খেতিৰ ধানেৰে বছৰটো চলিব পাৰে। তাতে ময়ো পঢ়া-শুনাত উত্তম নহ'লেও মধ্যমীয়া। কোনো পৰীক্ষাতে ফেল নোহোৱাকৈ আহি আছিলো। আমি ভাই-ককাই দুজনেই। লাহে লাহে ইকাণ-সিকাণকৈ কথাটো মাধুৰীৰ খুৰাক-খুৰীয়েকৰ কাণত পৰিল। মাধুৰীৰ দেউতাক মাধুৰীৰ আঠ বছৰ বয়সতে ঢুকাইছিল। তেতিয়াৰ পৰা মাধুৰী আৰু মাক খুৰাকহঁতৰ লগতে আছিল। খুৰাক যেন তেন। কিন্তু খুৰীয়েক বৰ উগ্ৰ স্বভাৱৰ। মাধুৰী আৰু মাকক চকুপাৰি দেখিব নোৱাৰিছিল। হকে বিহকে সিহঁত দুজনীৰ কথা গিৰিয়েকক লগাইছিল। মোৰ আৰু মাধুৰীৰ মাজত ভালপোৱা ভাৱ আছে বুলি জানিব পাৰি খুৰীয়েক খঙত জ্বলি উঠিল। মোৰ লগত হলি-গলি নকৰিবৰ বাবে মাধুৰীক সতৰ্ক কৰি দিলে। মাককো মাধুৰীৰ ওপৰত চকু ৰাখিবৰ বাবে ক'লে। খুৰীয়েকৰ পৰামৰ্শ মতে খুৰাকে মাধুৰীৰ বাবে আলেঙে-আলেঙে দৰা বিচৰাত লাগিল। দুমাহমানৰ পাছত দৰা এজন পালেও। দৰা অভাৱচিয়াৰ। ঘৰৰ অৱস্থা ভাল। ককায়েক বি. এ. পাছ, চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলৰ শিক্ষক। ভায়েক এজন আছে। সি কটন কলেজত বি. এছ. চি. পঢ়ি আছে। বায়েক এজনী আৰু ভনীয়েক এজনী বিয়া দি উলিয়াই দিলে। ভাল ঘৰতে পৰিছিল বোলে। মাধুৰী আৰু মাকে আপত্তি কৰিছিল। খুৰাকৰ বুজনিত মাক সন্মত হ'ল। খুৰাকৰ মতে ইমান এটা ভাল সুবিধা সতকাই পোৱা টান। কিন্তু মাধুৰী বিয়াত বহিবৰ বাবে সন্মত নহয়। খুৰাক-খুৰীয়েকে তাইক বহুতো বুজালে, ধমক্‌ও দিলে কিন্তু তাই কোনোমতে ৰাজী নহয়। শেষত মাধুৰীৰ মতৰ বিপক্ষে খুৰাকে বিয়াৰ সিদ্ধান্ত লৈ পেলালে।

মাধুৰীৰ মাকক ক'লে— চোৱা নবৌ, ইমান এটা ভাল সুবিধা আমি এৰি দিয়া ভাল কথা নহ'ব। মাধুৰী এতিয়াও সৰু ছোৱালী হৈয়েই আছে। তাইৰ দৰে এজনী সৰু চঞ্চল ছোৱালীয়ে প্ৰেম-প্ৰীতি এইবোৰনো কি বুজি পায়? ভৱিষ্যত জীৱনৰ কথানো কিটো চিন্তা কৰিব পাৰে? বিয়াৰ পিছত দেখিবা সকলো ঠিক হৈ যাব। আমি কিবা তাইৰ অহিত চিন্তা কৰিমনে? জানো, তোমালোকে এইবোৰ কি কৰিবলৈ ধৰিছা? মোৰ কোনো কথা নাই। তাইক মন মাৰি থকা দেখিলেহে বেয়া লাগে। এই কেইদিনতে ছোৱালীজনী খীণাই খৰি শুকোৱা দিলে।

তুমি একো চিন্তা নকৰিবা। বিয়াৰ পাছত চব্ ঠিক হৈ যাব। কিমান দেখিলো তেনেকুৱা ঘটনা। বিয়াৰ বন্দৱস্ত হোৱাৰ পাছতো মাধুৰীয়ে মোলৈ গুপুতে দুখন চিঠি দিলে। দুয়োখন চিঠিৰে মূল কথা হ'ল মই তাইক বিপদৰ পৰা উদ্ধাৰ কৰিব লাগে। পলুৱাই হ'লেও ঘৰৰ পৰা ক'ৰবালৈ লৈ যাব লাগে। মই বৰ বিমোৰত পৰিলো। তাইক মই ক'লৈ লৈ যাম। মোৰ বিয়াৰ বয়সেই হোৱা নাই। বিয়া কৰাই আনি তিৰোতাক ভৰণ-পোষণ দিয়াৰ সামৰ্থটো একেবাৰেই নাই। মোৰ মা-দেউতাই তাইক আনি ঘৰ সুমুৱাৰ অনুমতি দিয়াৰ প্ৰশ্নই নুঠে। মনে মনে থকাৰ বাহিৰে কোনো উপায় বিচাৰি নাপালো।

দুদিনমানৰ পাছত এদিন সন্ধিয়া তাই আহি মোৰ ঘৰ ওলালহি। কোনো পাতনি নেমেলাকৈ তাই মোক সুধিলে— তুমি এতিয়া মোৰ বিষয়ে কি সিদ্ধান্ত ল'লা? সেই প্ৰশ্নৰ উত্তৰ মোৰ ওচৰত নাছিল। ভয়ে ভয়ে ক'লো— তোমাৰ এটা সুখৰ ভৱিষ্যত মই কামনা কৰো। তুমি মোক পাহৰি যোৱা। তোমাৰ ঘৰৰ সিদ্ধান্তকে তুমি মানি লোৱা। কঁকালত কোব খোৱা ফেঁটী সাপৰ দৰে তাই মূৰ তুলি মোৰ মুখলৈ চাই অন্তৰৰ ক্ষোভ ঢালি ক'লে— "শেষত তুমিও তাকেই কলা। নিষ্ঠুৰ ক'ৰবাৰ। দুয়ো হাতেৰে মুখ ঢাকি তাই লৰৰি আঁতৰ হ'ল। ৰাতি গম পালো দুদিনৰ পাছতে দৰাপক্ষৰ মানুহে মাধুৰীক আঙুঠি পিন্ধাবলৈ অহাৰ কথা। দুখত মনটো ভাগি পৰিল। ৰাতি টোপনি নাহিল।

পিছদিনা আবেলি স্কুলৰ পৰা আহি ভাত খাই উঠিছো মাত্ৰ। এনেতে আমাৰ ওচৰৰে ল'ৰা এজনে মোক ক'লে— যে মাধুৰীহঁতৰ ঘৰত কন্দা-কটা, হুৱাদুৱা লাগিছে, কিবা হৈছে নেকি? বুকুখন চিৰিং কৈ মাৰিলে। যেনেকৈয়ে আছিলো তেনেকৈয়ে লৰি গৈ মাধুৰীহঁতৰ ঘৰ ওলালোগৈ। গৈ পাই দেখো মাধুৰীৰ মাকে চোতালৰ ধূলিত বাগৰি হুৱাওবাৱে কান্দি আছে। চাৰিজনী ওচৰৰে তিৰোতা মানুহে সাৱটি ধৰি, গালে-মূৰে হাত বুলাই সান্ত্বনা দিয়াৰ চেষ্টা কৰিছে। অলপ আঁতৰতে মাটিত লেপেটা কাঢ়ি বহি খুৰীয়েকেও কান্দি আছে। দুজনী মানুহে তেওঁকো সান্ত্বনা দিয়াৰ চেষ্টা চলাইছে। চোতালত প্ৰায় পোন্ধৰ বিশজন মানুহ গোট খাইছে। সকলোৰে মন মৰা। মোক দেখা পাই দুজনমানে দুখ আৰু কৌতূহলী দৃষ্টিৰে মোলৈ চালে। মাধুৰীৰ ৰুমৰ দৰ্জাখন ভাগি মাটিত পৰি থকা দেখা পাই মই দৌৰি গৈ ৰুমত সোমালো। দেখিয়েই মোৰ মূৰ ঘূৰাই গ'ল। ঘৰৰ চটিত ৰচী লগাই মাধুৰী ওলমি আছে। ভয়ত চিঞৰি মই মাটিত বাগৰি পৰিলো। তাৰ পাছৰ কোনো কথাই মোৰ মনত নাই।

কেইমাহ মানৰ পিছৰ পৰা ক'ত কি হৈছিল সেই ঘটনাবোৰ মোৰ অন্তৰংগ দুজনমান বন্ধু আৰু পৰিয়ালৰ মানুহৰ পৰা জানিব পাৰিছিলো। মাধুৰীৰ ফাঁচি লাগি ওলমি থকা শটো দেখা পাই মই বোলে অচেতন হৈ পৰি গৈছিলো। তাত থকা পাঁচ ছয়জন মান মানুহে মোক ডাংকোলাকৈ ঘৰলৈ আনি বিছনাত শুৱাই দিলে। সন্ধিয়ালৈ ডাক্তৰ আহিল। বেজী এটা দি চিন্তাৰ কাৰণ নাই বুলি ক'লে। পুৱালৈ যদি জ্ঞান ফিৰি নাহে তেতিয়াহ'লে পুনৰ খবৰ দিবলৈ ক'লে। ৰাতিৰ শেষৰফালে পুনৰ এটা অঘটন ঘটিল। বেমাৰী পৰ দিয়া মানুহজন টোপনি আহিছিল। সাৰ পাই দেখে বেমাৰী বিছনাই নাই। হুৱা দুৱা লাগিল। ঘৰৰ চুক-কোণ, বাৰী-খাল-ডোং সকলোতে বিচাৰি চলাথ কৰা হ'ল। ওচৰে-পাজৰেও বিচৰা হ'ল। নাই, বেমাৰীৰ কোনো শুং-সূত্ৰ নাই। কেইজনমান মানুহ শেষ ৰাতিয়েই গৈ শ্মশান পালেগৈ। তাত গৈ দেখে যে বেমাৰী ল'ৰাটো মাধুৰীৰ চিতাৰ নুমাবলৈ ধৰা আঙঠাবোৰৰ অলপ আঁতৰতে অচেতন

হৈ পৰি আছে। তাৰ পৰা ল'ৰাটো তুলি আনি আকৌ বিছনাত শুৱালেহি। পুৱালৈ পুনৰ ডাক্তৰ আহিল। আগৰ দৰেই বেজী এটা দি সন্ধিয়ালৈ জ্ঞান আহিব বুলি ক'লে। দৰবৰ প্ৰেচ্‌ক্ৰিপচন্‌ এখনো লিখি দি গ'ল। দুপৰীয়া এজন বেজেও বোলে জৰা-ফুঁকা কৰিলেহি। সন্ধিয়ালৈ মই চকু মেলিলো। কিন্তু মোৰ স্মৃতিশক্তি অত্যন্ত দুৰ্বল। কি হৈছিল, কি ঘটিছিল কোনো কথাই মোৰ মনত নপৰে।

লাহে লাহে মই আৰোগ্য হ'লো। এসপ্তাহমানৰ পাছত মই লাহে-ধীৰে খোজকাঢ়িব পৰা হ'লো। সম্পূৰ্ণ সুস্থ হৈ উঠোতে চাৰি মাহ মান সময় ল'লে। মই এটা শিক্ষাবৰ্ষ হেৰুৱালো। পিছৰ বছৰ আকৌ দশম শ্ৰেণীত যোগ দিলো। প্ৰথম বছৰ মেট্ৰিক ফেল কৰিলো। দ্বিতীয় বছৰহে পাছ কৰিলো। যোৱা বছৰ নগাঁও কলেজৰ পৰা আই. এ. পাছ কৰি শ্বিলঙলৈ গুছি আহিলো। অফিচত চাকৰি কৰি ৰাতিৰ কলেজত বি. এ. পঢ়াৰ উদ্দেশ্যে। অলপ পৰ মৌনতাৰ পাছত ময়ে ক'লো— বৰা, মই আপোনাৰ কথাবোৰ ভালদৰে অনুভৱ কৰিব পাৰিছো। আপোনাক সান্ত্বনা দিবৰ বাবে ভাষা বিচাৰি পোৱা নাই। তথাপিও কওঁ শুনক— দুখ, দৈন্য, বিভ্ৰাট মানুহৰ জীৱনলৈ আহেই। সময় আৰু পৰিৱেশৰ পৰিপ্ৰেক্ষিতত ই কাৰোবাৰ বাবে গভীৰ যন্ত্ৰনাদায়ক হৈ পৰে। হ'লেও যিকোনো পৰিস্থিতিতে ধৈৰ্য সহকাৰে কাম কৰি যোৱাটোহে মূল কথা ভাগি পৰাটো নহয়। Time is the best healer সময়ত সকলো ঠিক হৈ যাব। জীৱনৰ দুখ-দৈন্যৰ মাজতো ঈশ্বৰৰ আশিস নিহিত হৈ থাকে। মোৰ কথা শুনি বৰাই কি ভাবিলে ক'ব নোৱাৰিলো। কিন্তু একো নুসুধিলে।

তাৰ কেইমাহমান পাছত ছদিনৰ ছুটী লৈ ঘৰলৈ গৈছিলো। ঘৰৰ পৰা ঘূৰি অহাৰ পিছদিনাই পুৱাই মোৰ মেচৰ শইকীয়াই মোক ক'লে— হেৰা, এটা কথা ক'ব পাৰানে নোৱাৰা? তুমি ঘৰলৈ যোৱাৰ পিছদিনা ৰাতি দুই বজা মানত সিটো মেচৰ হৰকান্ত বৰাই মৰিলো ঐ, খালে ঐ চিঞৰি-বাখৰি, কান্দি কাটি হুলস্থুল লগালে। কি হৈছে, কিয় কান্দিছে সুধিলে কাকো একো নকয়। কিবা ভয় লগা সপোন দেখিছিল বোধহয়। কথাটোত বিশেষ গুৰুত্ব নিদিয়াৰ দৰে মই ক'লো। তাৰ পাছতো আকৌ এদিন এমাহমানৰ পাছতে সেই একে ঘটনাকে ঘটিল। মই দুদিনৰ বাবে গুৱাহাটীলৈ আহিছিলো। ঘূৰি যোৱাৰ পিছদিনাই শইকীয়াই মোক ঘটনাটো ক'লে।

বৰাই এনেকৈ শেষ ৰাতি চিঞৰ-বাখৰ আৰু কন্দা কটা কৰাৰ মূলতে কিবা বিশেষ ৰহস্য আছে যেন পাওঁ— শইকীয়াই ক'লে।

থাকিবও পাৰে। কেনেকৈনো ক'বা? নিজে নক'লে সেইবোৰ ব্যক্তিগত কথা সুধিবও নোৱাৰি নহয়। কথাবোৰ সহজভাৱে কৈছিলো যদিও সেই ঘটনাই মোৰ মনত প্ৰতিক্ৰিয়া নকৰাকৈ নাথাকিল। কেইদিনমান পাছত এদিন সুবিধা বুজি বৰাক ক'লো— বৰা আপোনাৰ লগত মোৰ অলপ ব্যক্তিগত কথা আছে। আপোনাক মই সুকীয়াকৈ কেতিয়া লগ পাব পাৰিম।

জানো আপোনাৰ কেতিয়া সুবিধা হয়।

তেতিয়া হ'লে শুনক, অহা দেওবাৰে চাৰিমান বজাত আমি ফুৰিবলৈ ওলাই গৈ নিৰলে ক'ৰবাত বহি কথা পাতিম। হ'ব বাৰু বুলি বৰাই সন্মতি জনালে।

দেওবাৰৰ দিনা আবেলি চাৰে চাৰি বজাত আমি দুয়ো লেডী হাইদৰী পাৰ্কৰ এচুকৰ বেঞ্চ এখনত বহিলোহি। ক্ষন্তেক নীৰৱে থাকি বৰাক সুধিলো— বৰা, আপোনাক এটা কথা সোধো বেয়া পাব নেকি? আপোনাৰ মনত দুখ দিবৰ বাবে কোনো কথা মই আপোনাক সুধিব খোজা নাই। মই কেৱল আপোনাৰ মনৰ দুখ আঁতৰাব নোৱাৰিলেও পাতলাব পাৰো নেকি সেই চিন্তাহে কৰিছো। মই মেচত নাথাকোতে আপুনি যে দুদিন শেষৰাতি চিঞৰিছিলে আৰু কান্দিছিলে সেই ঘটনাৰ বিষয়েহে মই জানিব বিচাৰো। আমি যেতিয়া কোনো এক ঘটনা বা সমস্যাৰ কাৰণ বিচাৰি পাওঁ তেতিয়াহ'লে তাৰ সমাধানৰ উপায় উলিয়াটোও সম্ভৱ হয়। বৰাই এক কৰুণ দৃষ্টিৰে মোৰ ফালে চাই তলমূৰ কৰিলে। একো নামাতিলে। পুনৰ ময়ে ক'লো— শুনক বৰা, আপুনি শেষ ৰাতি ভয়লগা

সাহোন

সপোন দেখাৰ পাছত সপোনৰ জাল নৌ মাৰ যাওঁতেই চকুমেলি যি দৃশ্য দেখিছিল সেয়া কোনো বাস্তৱ নাছিল। সেয়া আছিল আপোনাৰ অন্তৰত থূপ খাই থকা গভীৰ দুখ আৰু অনুশোচনাৰ ছঁয়া-ময়া বৰ্হিপ্ৰকাশ মাত্ৰ। ইয়াৰ পৰা হাত সৰাৰ নিশ্চয় উপায় আছে। আপুনিটো মোক বহু কথাই ক'লে। এই বিষয়েও আপুনি কওঁকচোন। কিজানি আপোনাক কিবা উপায়ে সহায় কৰিব পাৰো? বৰাক অলপ পৰ কিবা চিন্তা কৰা যেন লাগিল। তাৰ পাছত মূৰ তুলি মোৰ ফালে চাই পুনৰ তলমূৰ কৰি লাহে লাহে ক'বলৈ আৰম্ভ কৰিলে— আপোনাকটো মই আগৰ সকলোখিনি ক'লোৱেই। শুনিব খুজিছে যদি আপুনি শেষ ৰাতিৰ যি হৃদয় বিদাৰক দৃশ্য তাৰ কথাও শুনক। শেষ ৰাতি মই সপোন দেখিছিলো। সপোনত দেখিছিলো মাধুৰীয়ে আউলি-বাউলি চুলিৰে আহি মোক সাৱটি ধৰি উচুপি উচুপি কান্দি মোক কৈছে— তুমি মোক মাৰি পেলালা, জীয়াই থাকিবলৈ নিদিলা। মাধুৰীৰ গাটো বৰফৰ দৰে চেঁচা। মোৰ গাটো সিৰসিৰাই বৰফ হৈ যোৱা যেন লাগিল। চাট্‌কৰে মনত পৰিল মাধুৰীটো কেতিয়াবাই মৰিল। ভয় খাই সাৰ পালো। চকু মেলি দেখিলো দুৱাৰ মুখৰ পৰা মাধুৰীয়ে মোলৈ এক করুণ অপলক চাৱনিৰে চাই আছে। ভয়ত মোৰ সৰ্বশৰীৰ শিয়ৰি উঠিল। চকু মুদি চিঞৰি দিলো। মেচৰ বাকী দুজন উঠি লাইট জ্বলাই মোৰ ওচৰলৈ অহাত মই বেজাৰ লাগি কান্দিছিলো। দ্বিতীয় দিনাও সেই একে ঘটনাকে ঘটিছিল। দুয়ো অলপ পৰ মৌন হৈ বহি ৰোৱাৰ পাছত মই ক'লো— বৰা, মোক মাত্ৰ দুদিন সময় দিয়ক। আপোনাক এই অৱস্থাৰ পৰা কিবা সকাহ দিব পাৰো নেকি চিন্তা কৰি চাওঁ।

দুদিনৰ পাছত মেচৰ অন্য কেইজন ল'ৰা নথকা সময়ত বৰাক মোৰ ৰুমলৈ মাতিলো। বহাই লৈ কোনো পাতনি নেমেলাকৈ ক'লো— বৰা, আপোনাক মই দুটামান কথা কওঁ আপুনি বাৰু মানিবনে? বৰাই কেৱল এটা অনুসন্ধিৎসু দৃষ্টিৰে মোলৈ চালে। একো নক'লে।

শুনক, আপুনি দেখা সপোনটো যিদৰে বাস্তৱ নাছিল সপোনৰ শেষত আপুনি দেখা দৃশ্যটোও সেইদৰে বাস্তৱ নাছিল। অথচ সপোনটো দেখি থকা সময়খিনিত তাক বাস্তৱ যেনেই লাগিছিল। চকু মেলি আপুনি দুৱাৰমুখত যি নাৰীমূৰ্তি দেখা পাইছিল সিও বাস্তৱ নাছিল। সি আছিল আপোনাৰ অন্তৰত লুকাই থকা গভীৰ দুখ, শংকা আৰু অপৰাধবোধৰ এক বৰ্হিপ্ৰকাশ। ই কেৱল ভ্ৰান্তিৰ বাদে আন একো নহয়। আপুনি এটা কাম কৰক। আপুনি এটা ব্যস্ত জীৱন-যাপনত অভ্যস্ত হওঁক। তাৰ বাবে দৈনিক কাৰ্যক্ৰম তৈয়াৰ কৰি লওঁক। আপোনাৰ কাৰ্যক্ৰম কেনে হ'ব লাগিব ময়েই কৈ দিছো শুনক। আপুনি নিচেই পুৱাতে মুখ-হাত ধুই অলপ সময় ব্যায়াম বা আসন কৰিব। লগতে প্ৰাণায়ামো কৰিব। প্ৰাণায়ামৰ পাছত এগিলাছ কুহুমীয়া গৰম পানী খাই পঢ়াত বহিব। তাৰ মাজতে চাহো খাব। অফিচলৈ গৈ মনোযোগেৰে অফিচৰ কাম কৰিব। সন্ধিয়া ক্লাছ কৰি আহি হাত-মুখ ধুই পঢ়াত বহিব। লেপৰ তলত সোমাই পঢ়া অভ্যাসটো বাদ দিয়ক। ৰাতি ভাত খাই উঠি ইচ্ছা কৰিলে পঢ়িব পাৰে। কিন্তু লেপৰ তলত সোমাই নহয়। চকীত বহিহে। শোৱাৰ আগতে দুৱাৰ-খিৰিকী মাৰি শুব। টোপনি ধৰিলে মিছাকৈয়ে টেবুলৰ ওচৰত বহি নেথাকিব। ৰাতি টোপনি নাহিলে অলপ আগতে পঢ়া কথাখিনি কিমান মনত ৰ'ল চিন্তা কৰিব। ভালদৰে পঢ়া-শুনা কৰি অন্ততঃ বি. এ. টোকে পাছ কৰক। আৰু এটা কথা আপোনাক কওঁ বেয়া নাপাব। বি. এ. পাছ কৰি আপুনি ঘৰলৈকে যাবগৈ। তাতে স্কুল বা অন্য ক'ৰবাত চাকৰি কৰিব। তাৰ পাছতো ছমাহমান মই বৰাৰ কাষৰ মেচতে আছিলো। সেই ছমাহে ৰাতি বৰাই একো চিঞৰ-বাখৰ, কন্দাকটা কৰা নাছিল।

ছমাহমানৰ পাছত মই ভাৰতীয় খাদ্য নিগমৰ চাকৰি পাই শ্বিলং এৰিলো। বৰাৰ একো খা-খবৰ ৰখা নাছিলো। ছবছৰৰ পাছত শ্বিলঙলৈ ঘূৰি গৈ খবৰ কৰি গম পালো যে চাৰি বছৰৰ আগতেই বৰাই বি. এ. পাছ কৰি শ্বিলং এৰিলে। ঘৰৰ ওচৰৰে চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলত চাকৰি কৰে। বিয়াও কৰালে বোলে। মনটো ভাল লাগিল।

তাৰ আঠ বছৰমান পাছত বৰাক লগ পালো দিছপুৰৰ অসম সচিবালয় চৌদহত। মোক দেখি বৰাই এটা মিচিকিয়া

হাঁহি মাৰি ওচৰ চাপি আহিল। প্ৰথমে ময়েই সুধিলো— কি খবৰ বৰা, কেতিয়া আহিল? কালি আহিলো। ডি. পি. আই. অফিচত অলপ কাম আছিল। কাম হ'ল। কাইলৈ যামগৈ। ইয়ালৈ এজন মানুহ লগ পাবৰ বাবেহে আহিছিলো। আপোনাৰ ভাল নহয়? চিনাকি মানুহ লগ পালে আপোনাৰ খবৰ বাতৰি লওঁ।

ভাল বাৰু। এতিয়া আপোনাৰ খবৰ বাতৰি কওঁকচোন। আপুনিটো স্কুলতে চাকৰি কৰে। আপোনাৰ পৰিয়াল একা?

পৰিয়াল মানে মোৰ পৰিবাৰ আৰু ল'ৰা দুটা। পৰিবাৰে ওচৰৰে এল. পি. স্কুল এখনত শিক্ষকতা কৰে। ল'ৰা দুটাই এল. পি. স্কুলতে পঢ়ি আছে।

বৰ ভাল কথা। সৰু পৰিয়াল সুখী পৰিয়াল বৰাৰ চকুৰে মুখে এটা হাঁহি বিৰিঙি উঠিল। সেই হাঁহি মই আগেয়ে কোনোদিন বৰাৰ চকু-মুখত দেখা নাছিলো। মনটো ভাল লাগিল। অনুভৱ কৰিলো মই হাঁহি যেন মোৰ চকু-মুখটো বিৰিঙি উঠিছে।□

With Best Compliments from

BHAGABAN CHANDRA DAS

Govt. Regd. Contractor Class-I (A)
Jayanagar, Khanapara
Guwahati-781022
Phone No.: 98640-23430

শিখা

✍ দীনবন্ধু বৈশ্য

অস্তগামী সূৰ্যটোৱে পশ্চিম আকাশত বহি বিদায় বেলাৰ ক্ষণ গণিছে, অপৰূপ সৌন্দৰ্যৰে উপচাই পেলাইছে পশ্চিম আকাশ, কিযে হেঙুলীয়া ৰহণ, চালে চাই থাকিবৰে মন। গোটেই দিনটোৰ অবিশ্ৰান্ত পৰিশ্ৰমৰ শেষত যেন জিৰণি ল'ব দিনমণি সূৰ্যদেৱতা। কিন্তু আহৰি পোৱা নাই তাই, ভাবিবই পৰা নাছিল যে তাইৰ জীৱনত এনেকুৱা দিন আহিব। এনে কি ফুল কঁলি যেন তাইৰ শিশুটোকো বুকুৰ গাখীৰ খুৱাব পৰা নাই, এধানি মৰম কৰিবলৈ আহৰি পোৱা নাই, তথাপি তাইৰ ভ্ৰূক্ষেপ নাই কাৰণ জীয়াই থাকিব লাগিব শিশুটোক ডাঙৰ কৰিব লাগিব। আজি দুবছৰ আগতে শিখাৰ বিয়া হৈছিল দীপৰ লগত। মাক-বাপেক নোহোৱা শিখাও যথেষ্ট সুখী হৈছিল দীপক লৈ। সাধ্যানুসৰি ককায়েকে শিখাক দীপৰ হাতত গতাই ঋণমুক্ত হৈছিল।

চহৰত ভাড়া ঘৰত থাকি সৰু-সুৰা ব্যৱসায় কৰি দীপে নিজৰ সৰু সংসাৰখন সুন্দৰকৈ চলাই নিয়াৰ সপোন ৰচিছিল। কিছুদিন পিছত সিহঁতৰ মাজলৈ আহিল এটি শিশু, দেৱশিশুৰ হাঁহিয়ে গোটেই ঘৰখন পোহৰাই তুলিছিল। শিশুটিক লৈ সিঁহতে যে কিমান কল্পনা কৰিছিল!

মনে খোজে ৰজা হ'ব, বিধাতাই নিদিয়ে খুজি খাব। শিখাৰো যেন সেয়াই হ'ল। ব্যৱসায়ৰ তাগিদাত ৰাতিপুৱাই ওলাই গ'ল দীপ, গ'ল যে গ'লেই সি আৰু ঘূৰি নাহিল। বহু পলমকৈ শিখাই গম পালে যে দুষ্কৃতিকাৰীৰ বোমা বিস্ফোৰণত দীপ ক'ৰবাত হেৰাই গ'ল। কেঁচুৱাটি বুকুত বান্ধি হিয়া ঢাকুৰি কান্দিলে। চকুৰ পানীৰে বাট নেদেখা হ'ল। তাই এতিয়া কি কৰিব, শিশুটিৰে বা কি হ'ব।

শেষত তাই স্থিৰ কৰিলে যে ঘৰত ককায়েকৰ ওচৰলৈকে যাব। তাই তাত কিবা কৰি চলিব। কাৰণ চহৰৰ মানুহৰ লোলুপ দৃষ্টিত তাই ইয়াত থকাটো সম্ভৱপৰ নহ'ব। সেয়েহে এদিন তাই গৈ ককায়েকৰ ঘৰত উপস্থিত হ'ল। প্ৰথম অৱস্থাত ককায়েক বৌয়েকে তাইক যথেষ্ট মৰম কৰিছিল। কিন্তু যিমানেই দিন গ'ল সিমানেই তাইৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিবলৈ ধৰিলে বৌয়েকে। ঘৰখনৰ সমস্ত কাম তাইৰ ওপৰত জাপি দি বৌয়েকজনীয়ে ঘূৰি ফুৰিব ধৰিলে। বৌয়েকৰ চলাহী কথাত ককায়েকেও তাইক আগৰ দৰে মৰম-সাদৰ নকৰা হ'ল। যিজন ককায়েকে তাইক এৰি একো নাখাইছিল সেইজন ককায়েকে আজি তাইৰ খবৰ নোলোৱা হ'ল, কি কৰিছে, কি খাইছে।

এতিয়া ৰাতি ডেৰ বাজিছে। সকলো খাই বৈ শুইছে। তাইৰ পেটতহে এটি খুদকণো পৰা নাই। জীৱনৰ প্ৰতি তাইৰ মমতা নাইকীয়া হৈ গৈছে। শিশুটিক বুকুত সাৱটি ক'ব নোৱৰাকৈয়ে দুটোপাল চকুপানী আহি শিশুটিৰ গালত পৰিল। শিখাই লগে লগে শেষ সিদ্ধান্ত লৈ পেলালে। ৰাতি পুৱাবলৈ তেতিয়াও কিছু সময় বাকী আছে, কোনেও গম নোপোৱাকৈ শিশুটিক বুকুত সাৱটি লৈ ওচৰৰে নৈখনলৈ বুলি খোজ পেলালে। নৈৰ পাৰত শিশুটিৰ গালত অজস্ৰ চুমা আঁকি দি ক'ব নোৱৰাকৈ দুয়ো নৈৰ বুকুত জাঁপ দিলে।❑





হিয়াৰ ৰঙেৰে ৰঙিলি

✍ ড° মামনি বৰুৱা

বন্ধুবৰ শ্ৰীসত্যজিত বৰা আহি যেতিয়া এইবাৰ ৰঙালী বিহুত প্ৰকাশ পাবলগীয়া আলোচনীৰ বাবে লেখনী বিচাৰিলে, মনটো উৰা মাৰিছিল আজিৰ পৰা ঊনত্ৰিশটা বছৰ আগৰ ৰুক্মিণী নগৰ অঞ্চললৈ। চাওতে চাওতে সময়বোৰ কেনেদৰে বাগৰি গৈছে আৰু লগে লগে পৰিৱেশ-পৰিস্থিতিবো কিমান সলনি হৈছে। একোখন ঠাই অথবা অঞ্চলৰ সাংস্কৃতিক পৰিৱেশ তৈয়াৰ কৰিবৰ বাবে সদায় এটা স্থায়ী মঞ্চৰ বৰ প্ৰয়োজন; ৰুক্মিণী নগৰ অঞ্চলৰ ৰাইজে ইয়াৰ প্ৰয়োজনীয়তা কেৱল অনুভৱ কৰিয়েই ক্ষান্ত নাথাকি ব্যৱহাৰিক দিশত কাৰ্যকৰী ব্যৱস্থাও গ্ৰহণ কৰা কাৰ্যই আমাক আপ্লুত কৰে।

অসমত মঞ্চবিহু প্ৰৱৰ্তনৰ বাটকটীয়া 'গুৱাহাটী বিহু সন্মিলনী'ৰ পথ অনুসৰণ কৰিয়েই বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনেও বছৰবোৰ অতিক্ৰম কৰি আজি ঊনত্ৰিংশতিতম বিহু সন্মিলনৰ আয়োজন কৰিছে।

"মৰমৰ দীঘ চেনেহৰ বাণী লৈ
হেঁপাহৰ আঁচুৰে বোৱা
সপোনৰ ফুলেৰে ফুলাম মোৰ বিহুৱান
মনেদি এফেৰি লোৱা"

— ৰাইজ মোৰ ৰুক্মিণীনগৰৰে ঐ, মোৰ এই বিহুৱান হিয়াৰ ৰঙেৰে ৰঙিলি.........।

কিয় জানো, বিহু মঞ্চৰ কথা ওলালেই আমাৰ শৈশৱ-কৈশোৰ আৰু যৌৱনৰ দুৱাৰডলিত ভৰি দিয়াৰ সময়ছোৱা অতিবাহিত কৰা, তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলং চহৰৰ হাইডুৰি পাৰ্কৰ বিহুমঞ্চত বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাদেৱ, জয়ন্ত হাজৰিকা, অনিমা চক্ৰৱৰ্তী, প্ৰতিমা পাণ্ডে বৰুৱা, দোস্ত হবিবুৰ ৰহমান, ৱাহিদুৰ ৰহমানকে আদি কৰি যাঠি-সত্তৰ দশকৰ প্ৰখ্যাত বহুকেইগৰাকী শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ স্মৃতিয়ে আমনি কৰে। সেই দিনবোৰত আমাৰ কাৰণে মঞ্চবিহুৰ মুখ্য আকৰ্ষণ আছিল ভূপেন দা আৰু জনা-নজনাকৈয়ে যেন বুজিছিলো 'ভূপেন দা'ৰ গানসমূহেই বিহু।

ভৈয়ামৰ বিহুমঞ্চৰ আনন্দ উপভোগ কৰিছিলো পোন প্ৰথমবাৰৰ বাবে দিছপুৰৰ (তেতিয়াৰ জনতা ভৱন) খেলপথাৰত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ জৰিয়তে। আনৰ মুখত শুনি শুনিয়েই লতাশিলৰ বিহুমঞ্চৰ ছবি এখন মনত আঁকি লৈছিলো। গুৱাহাটীলৈ অহাৰ পিছত চাক্ষুস অভিজ্ঞতাৰে অনুভৱ কৰিছিলো এইখন বিহুমঞ্চৰ সুকীয়া মাদকতা ভৰা আকৰ্ষণৰ কথা। ঢোলৰ যাদুকৰ মঘাই ওজাৰ ঢোল বাদন পৰিৱেশন এই মঞ্চতেই উপভোগ কৰাৰ সুযোগ পাইছিলো। লাহে লাহে দিছপুৰ বিহুতলীৰ বিহুমঞ্চয়ো আমাক আকৰ্ষিত কৰিবলৈ আৰম্ভ কৰিলে আৰু ঘোষিকাৰ দায়িত্ব পালনেৰে

সম্পৰ্ক ক্ৰমাৎ নিবিড় হৈ পৰিল। আনকি এবাৰ দিছপুৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদিকা হিচাবেও দায়িত্ব মূৰ পাতি লৈছিলো আৰু মঞ্চবিহু সংস্কৃতিৰ গুৰি ধৰোতা বহুজন গুণী-জ্ঞানী ব্যক্তিৰ সান্নিধ্যলৈ অহাৰ সৌভাগ্য আমাৰ হৈছিল এই সময়ছোৱাত। নিশা এপৰলৈ মঞ্চত বাৰেৰহণীয়া অনুষ্ঠান উপস্থাপন কৰোৱাৰ বাবে ঘোষিকাৰ দায়িত্ব পালন কৰিবলগীয়া হোৱাৰ বাবেই মঞ্চৰ প্ৰতিটো অনুষ্ঠান উপভোগ কৰাৰ সুযোগ ঘটিছিল। অৱশ্যেই তেনে দায়িত্বত থকাৰ বাবেই অন্যহাতেদি কাষৰে গণেশগুৰি অথবা ৰুক্মিণীনগৰ বিহুমঞ্চৰ অনুষ্ঠন পৰিৱেশনৰ কাৰ্যসূচী চোৱাৰ পৰা বঞ্চিত হৈছিলো। বিগত তিনি-চাৰি বছৰৰ পৰা অন্যান্য বিহুমঞ্চৰ অনুষ্ঠান উপভোগ কৰিছো। যদিহে লোকবন্ধু ডাঃ ভুৱনেশ্বৰ বৰুৱা, সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা, নাট্যকাৰ প্ৰবীণ ফুকনদেৱৰ দৰে সংস্কৃতিবান দূৰদৰ্শী ব্যক্তিসকলে মঞ্চবিহুৰ সূচনা নকৰিলেহেঁতেন, তেনেহ'লে বাপতি সাহোন ৰঙালী বিহুটিয়ে আমাৰ সন্মুখত কি ৰূপত ধৰা দিলেহেঁতেন নাজানো; এইসকল আদৰ্শ পুৰুষৰ মাৰ্গ দৰ্শন অবিহনে 'বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন'ৰো প্ৰয়োজন আহিলেহেঁতেন নে নাই নাজানো; কিন্তু অতি সঁচা কথা এইটোৱেই যে মঞ্চবিহু প্ৰৱৰ্তন কৰা কাৰণেই অঞ্চল বিশেষে বিহু পতাকাৰ তলত সৰ্বসাধাৰণ ৰাইজে একত্ৰিত হৈ বিহু উৎসৱ পালনৰ লগতে অসমৰ গণ্য-মান্য শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত অনুষ্ঠান উপভোগ কৰিব পাৰিছে।

তথ্য-প্ৰযুক্তিৰ উত্তৰণৰ যুগত মঞ্চবিহু আজি কেৱল অসমতে আৱদ্ধ হৈ থকা নাই। বিশ্বৰ চুকে-কোণে এই বিহুৱে প্ৰসাৰতা লাভ কৰিছে। গতিকেই মঞ্চবিহুৰ উদ্যোক্তা আৰু অনুষ্ঠান পৰিৱেশন কৰা প্ৰতিগৰাকী নমস্য শিল্পীয়েই গভীৰভাৱে উপলব্ধি কৰিব পাৰিব লাগিব যে বিহু অসমীয়া জাতিৰ সংস্কৃতিহে। এই বিহুখন মঞ্চ বা প্ৰতিষ্ঠান মাথোঁ নহয়। অসমীয়াৰ অতি আদৰৰ ৰঙালী বিহুটিয়ে জাতিটোক একত্ৰিত কৰিবহে বিচাৰে; বিহুটিক লৈ ব্যৱসায়-বাণিজ্যৰ লাভালাভ, হিচাপ-নিকাচ কৰাটো নিবিচাৰে। সেয়েহে বোধহয় মঞ্চবিহুৰ উদ্যোক্তাসকলৰ দায়িত্ব আজিৰ পৰিৱৰ্তিত পটভূমিত যথেষ্ট বৃদ্ধি পাইছে।

নেভাবো, নকওঁ বুলি থাকিলেও দেখোন কলমটোৱে ঘূৰি ঘূৰি কয়—

"ভূপেন্দ্ৰ সংগীতৰ মিঠা মিঠা আবেগ
গীতৰ শৰাইৰ মধুৰ সমাবেশ
মুঠিয়ে মুঠিয়ে কঢ়িয়াই আনে ৰঙীন স্বপ্ন
ৰঙালী বিহুত বিদ্যমান ভূপেন হাজৰিকাৰ সুধাকণ্ঠ।"

—এইদৰে কোনো কবিয়ে আৰু বিহুৰ মুখপত্ৰত কবিতা নিলিখে কাহানিও।

সামৰণিত জনাব বিচাৰিছো যে বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ এইবাৰৰ নিমন্ত্ৰণী পত্ৰৰ কাৰ্যক্ৰমণিকা আমাৰ বাবে "বিশেষ আকৰ্ষণ"।❑

মহৎ লোকৰ বাণী

১/ মাতৃৰ হৃদয়খনেই হৈছে সন্তানৰ শ্ৰেণীকোঠা। —হেনৰী ৱাৰ্ড
২/ এটা সুন্দৰ হাঁহি ঘৰত পৰা ৰ'দ চেৰেঙাৰ দৰেই। —থাকৰে
৩/ অসৎ লোকৰ লগত ফুৰাতকৈ অকলে ফুৰাই ভাল। —হজৰত মহম্মদ
৪/ যদি সুখী হ'বলৈ বিচৰা; তেন্তে ক্ষমা কৰিবলৈ শিকা। —মাদাৰ টেৰেছা
৫/ ধৈৰ্য তিতা কিন্তু ফল মিঠা। —ৰুছো
৬/ মিঠামাত ব্যৱহাৰ প্ৰণালীৰ ঘাইমন্ত্ৰ। —সত্যনাথ বৰা
৭/ প্ৰত্যেক দিন জীৱনৰ শেষ দিন বুলি কাম কৰি যোৱা। —জিম কৰবেট
৮/ শিক্ষা হৈছে; সুখ-দুখ বিচাৰ কৰিব পৰা ক্ষমতা। —প্লেটো

আন্দামানত কেইদিনমান

✍ নিলীমা শইকীয়া দাস

সুদূৰ নীল সাগৰৰ মাজত সৰু বৰ বহুতো দ্বীপ লগলাগি আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ গঠিত হৈছে। সৰু বৰ সকলো দ্বীপ একেলগ কৰিলে ৫৭২ টা দ্বীপৰ সমষ্টি হয়। তাৰে বহু দ্বীপত এতিয়াও মানুহ নাই। বহু দ্বীপত আকৌ মানুহ বা জীৱ-জন্তু থাকিব নোৱাৰে। কিয়নো আয়তনত তেনেই সৰু। চাৰিওফালে পানীৰে আগুৰা।

আমাৰ কল্পনাৰ আন্দামানখনিলৈ ২০১১ চনৰ অক্টোবৰ মাহৰ ৫ তাৰিখে কাহিলি পুৱাতে আকাশীযানেৰে ঢাপলি মেলিলো। গুৱাহাটীৰ পৰা কলিকতা হৈ দিনৰ ১১ বাজি ২০ মিনিটত পোৰ্টব্লেয়াৰত পদাৰ্পণ কৰিলো। আমাৰ ভাগ্য ভাল আছিল। আমাক আগবঢ়াই নিবলৈ আমাৰ লগতে যোৱা জুৰি বৰঠাকুৰৰ ভনীজোঁৱাই কমল শৰ্মা আহি বিমান বন্দৰত গাড়ী লৈ উপস্থিত আছিল। সঁচাকৈ কমল আৰু তেওঁৰ পত্নী মুনৰ প্ৰতি আমি কৃতজ্ঞ। তেওঁলোকৰ ঘৰত আমাৰ কাৰণে অসমীয়া এসাজ ভাতৰ ব্যৱস্থা কৰি থৈছিল। ঔ টেঙা দি দালি, ঢেকীয়া শাকৰ ভাজি, পনীৰ আৰু কত কি যে বনাই থৈছিল। বৰ তৃপ্তিৰে ভাত-পানী খাই অলপ জিৰণি লৈ ফুৰিবলৈ বুলি ওলাই গৈছিলো। তেওঁলোকে আমাৰ কাৰণে আলহী ঘৰ বন্দৱস্ত কৰি থৈছিল। অলপো কষ্ট নোপোৱাকৈ আমি বাকী কেইদিন তাতে কটালো।

৫ তাৰিখে আবেলি পোন প্ৰথমে তেওঁলোকক লগত লৈ পিছদিনা 'হেভলক' নামৰ অন্য এটা দ্বীপলৈ যাবৰ কাৰণে পানী জাহাজৰ টিকট বিচাৰি এটা পৰিভ্ৰমণ এজেঞ্চীলৈ গৈছিলো। এনেকুৱা ট্ৰেভেল এজেঞ্চী তাত বহুতো পোৱা যায়। তাৰ পাছত আমি আহি উপস্থিত হৈছিলো "Anthropological" ত। সেইঠাইত আমি দেখিবলৈ পাইছিলো আন্দামানৰ মানচিত্ৰ, আয়তন, জনসংখ্যা আৰু কি কি ধৰ্মাৱলম্বীৰ লোক কিমান শতাংশ তাত বাস কৰে ইত্যাদি। পৰিসংখ্যা বিভাগৰ বহু তথ্য তাত দাঙি ধৰা আছে। পুৰণিকালত তাৰ মানুহৰ জীৱন প্ৰণালী কেনে আছিল আদি বহু তথ্যচিত্ৰ তাত আলোকপাত কৰোৱা আছে। সোমাই যাওঁতে সন্মুখতে এখন দোকান আছে। তাত নানা তৰহৰ মণি-মুকুতা আৰু অনেক হাতেৰে বনোৱা বস্তু সজাই থোৱা আছে বিক্ৰী কৰিবৰ বাবে।

তাৰ পৰা আহি আমি Auqarium চালো। নানা তৰহৰ মাছ তাত আমি দেখা পালো, যিবিলাক মাছ আমি আগতে অসমত দেখা পোৱা নাছিলো।

তাৰপিছত সাগৰৰ পাৰে পাৰে আমাক গাড়ীৰে লৈ গৈছিল 'ডেনভেনকোভ' নামৰ সাগৰীয় বিছ্‌টোলৈ। যাওঁতে বাটে বাটে গাড়ী ৰাখি সমুদ্ৰৰ লীলা-খেলা চাই আমি অফুৰন্ত তৃপ্তিৰ বাসনা পূৰ্ণ কৰিছিলো। কোনো ঠাইত সাগৰৰ ঢৌৰে

শিলবিলাকৰ গাত সজোৰে খুন্দা মৰাত পানীবিলাক চিটিকি বহু দূৰত পৰিছিল। কোনো ঠাইত সাগৰৰ ঢৌৱে ঢৌৱে চুমা-চুমী কৰি সাবটা-সাবটি কৰিছিল। কেনে এটি অপূৰ্ব নিদৰ্শন তাক মই বৰ্ণাব নোৱাৰো। মাত্ৰ মনৰ ভিতৰত উপলব্ধিহে কৰিব পাৰো। সন্ধ্যা সময় হৈছিল। পশ্চিম দিশত ৰঙা বেলিয়ে ডুব মাৰিব খুজিছে। আকাশৰ পৰা বেলিটো যেন সাগৰত সোমাই গৈছে। সাগৰতে যেন আকাশ লাগি গৈছে। এনে লাগিছিল যেন চালে চাই থাকিবৰ মন। আমি ডেনভেনকোভৰ পৰা ঘূৰি আহোতে সম্পূৰ্ণ আন্ধাৰ নামিছিল। আন্ধাৰৰ মাজে মাজে সাগৰৰ পাৰে পাৰে বিজুলী বাতিয়ে অপৰূপ সৌন্দৰ্য বিলাইছিল। তেনে ৰূপ-লাৱণ্য চকুৰে নেদেখিলে বৰ্ণনা কৰিব নোৱাৰি। সাগৰৰ পাৰবিলাক ওলোৱা-সোমোৱা একাঁ-বেঁকা। ঠিক তাৰ আকাৰেৰে ৰাস্তাটোও সুন্দৰকৈ পকা কৰি বনাইছে আৰু পদপথৰ কাষে কাষে ঘূৰণীয়া ঘূৰণীয়া লাইটৰ বাল্ব লগোৱা আছে। দূৰৈৰ পৰা দেখিলে স্বৰ্গৰ কল্পনাৰ অমৰাৱতী যেন ভাৱ হয়। লাইটৰ শাৰীবিলাক সঁচাকৈয়ে মনোমোহা। এই দৃশ্য চাই চাই আহি আমি ৰাস্তাৰ দাঁতিতে থকা এখন হোটেলত চাহ কফি আৰু বিস্কুট খালো।

ইয়াৰ পাছত কাষতে থকা 'Marina Park' ত সোমালো। তাত এপাক ঘূৰি আমি গেষ্টহাউচ পালোহি। ঘূৰি আহোতে গাড়ীতে আলোচনা হ'ল পিছদিনা বাৰটাং নামৰ ঠাইলৈ যাব লাগিব। সেই ঠাইলৈ যাবলৈ হ'লে ৰাতি ৩ টা বজাতে উঠিব লাগিব। ৰাতিতে গা-পা ধুই ৪ টা বজাত গাড়ীৰে ৰাওনা হ'ব লাগিব। পুৱা ৬ বজাত চেক্ গেট পাৰ কৰি পুলিচে আমাক সুৰক্ষা দি লৈ যাব। ১৩০ কিলোমিটাৰ বাট কেৱল মাত্ৰ অৰণ্য, তাত অন্য মানুহ নাই। সেইমতেই পিছদিনা আমি যাত্ৰা কৰিলো। চেক্ গেটতে আমাৰ গাড়ীচালকজনক আৰক্ষীয়ে গাড়ীৰ হৰ্ণ নবজাবলৈ ও অভাৰটেক্ নকৰিবলৈ সতৰ্ক কৰি দিছিল। লগতে যাত্ৰীসকলক সেই হাবিত থকা আদিম নঙঠা মানুহ দেখিলে ফটো নুতুলিবলৈ সকিয়াই দিছিল।

কিছু দূৰ যোৱাৰ পিছত এঠাইত এটা আদিম মানুহ দেখা পালো। সি হাত দুখন ওপৰলৈ তুলি দি আমাৰ গাড়ীৰ আগত ঠিয় দিলে। গাড়ীখন ৰখাই সি যেন আমাক স্বাগতম জনালে। আমি মনে মনে অনুভৱ কৰিলো। ক্ৰমান্বয়ে আমাৰ গাড়ী আগবাঢ়িল ডাঠ হাবিৰ মাজলৈ। দুয়োকাষে ডাঠ হাবিৰ মাজেদি গাড়ী যোৱা পকী ৰাস্তাটো। আমাৰ নীৰৱতা ভংগ কৰি হঠাৎ আকৌ ওলাল কেইটামান নঙঠা মতা-মাইকী আৰু ল'ৰা-ছোৱালী। এইদৰে যাওঁতে আমি বহু ঠাইত আদিম মানুহক দেখা পালো। মানুহবিলাক চুটি-চাপৰ, চুলিবিলাক চুটি চুটি আৰু গাৰ ৰং ক'লা। এঠাইত দেখা পাইছিলো ছোৱালী দুজনীয়ে চকুৰ কাষে কাষে মাটিৰে দীঘল আঁচ আঁকি গাললৈ বোৱাই দিছিল। গাটো মাটিৰে আঁকিছিল। সঁচাকৈয়ে কি বুজাব নোৱাৰা দৃশ্য। এই হাবিত এনে ধৰণৰ পাঁচবিধ আদিম মানৱৰ প্ৰজাতি আছে বুলি জানিব পাৰিছো। আমি কিন্তু এটা প্ৰজাতিকহে দেখা পাইছিলো। তেওঁলোক এতিয়াও অজ্ঞান আন্ধাৰতে আছে। ভাবি চালে সঁচাকৈ সিহঁতলৈ সহানুভূতি জাগে। এই জাতিটোৰ মানুহক জৰোৱা বোলে।

এই হাবিখনৰ মাজেৰে ৩ ঘণ্টা সময় গাড়ীৰে যোৱাৰ পাছত দিনৰ ৯ বজাত বাৰটাং পালোগৈ। তাত গাড়ী আৰু মানুহ সকলো ফেৰীৰে পাৰ হৈ সিপাৰ পালোগৈ। এখন হোটেলত চাহ, ৰুটি খাই পুনৰ মটৰব'টত সাগৰেৰে কিছু দূৰ যোৱাৰ পাছত ৰেইন ফৰেষ্টৰ মাজেদি সৰু লুংলুঙীয়া জলপথেৰে বহু দূৰ যোৱাৰ পাছত মটৰব'ট ৰাখি দিলে আৰু আমাক ১ কিলোমিটাৰ পথ খোজকাঢ়ি লাইমষ্টোন, গুহা চাবলৈ ক'লে। সেই ১ কিলোমিটাৰ পথ অতি দুৰ্গম যদিও লাইমষ্টোন কেভ উপভোগ কৰি ঈশ্বৰৰ সৃষ্টি যে মহান সেই কথাত পতিয়ন গ'লো। ইয়াৰ পাছত পুনৰ সাগৰীয় পথেৰে বাৰটাং পালোহি। তাৰপৰা গাড়ীৰে গৈ Mudvolcano চাই পুনৰ ফেৰীৰে উভতিলো। ৰাতিৰ সাজ "ব্লু-চি" নামৰ হোটেলত খাই আহি গেষ্ট হাউচতে ৰাতি জিৰণি ল'লো। ভাত সাজ বৰ তৃপ্তিৰে খালো। কাৰণ গোটেই দিনটো যাত্ৰা কৰি আমি ক'তো ভাত খোৱা নাছিলো।

তাৰ পিছদিনা মানে তৃতীয়দিনা আমি ব্ৰেকফাষ্ট কৰি Navelock নামৰ অন্য এটা দ্বীপলৈ যাবলৈ জাহাজঘাট পালোগৈ। জাহাজঘাটলৈ আমাৰ গাড়ী নিবলৈ দিয়া নাছিল। সিহঁতৰ গাড়ীৰে আমাক সাগৰৰ কিছু মাজলৈকে লৈ গৈছিল বিশেষভাৱে নিৰ্মিত ব্ৰিজৰ ওপৰেৰে। সৰু বাছখনৰ পৰা নামি

কেইখোজমান গৈয়ে আমি জাহাজত উঠিলো। আমি আগতে এনে জাহাজত উঠা নাছিলো। এই জাহাজখনৰ নাম আছিল "মেক-ৰুজ"। প্ৰথম সোমাই যাওঁতে আমাৰ প্ৰত্যেককে একোটাকৈ আধা লিটাৰৰ পানী বটল দিছিল। জাহাজখন আছিল অত্যাধুনিক মানে শীত-তাপ নিয়ন্ত্ৰিত। জাহাজৰ ভিতৰতে দোকান আছিল। চাহ, কফি, বিস্কুট, চকলেট ইত্যাদি সকলো ধৰণৰ বস্তু পোৱা গৈছিল। জাহাজৰ ভিতৰখন বৰ ভাল লগা। এনেদৰে তিনিজনীয়া তিনি ভাগ চকী আছিল উৰাজাহাজৰ দৰে। তিনিটা ছিটৰ মূৰে মূৰে দীঘলকৈ জাহাজৰ ইমূৰৰ পৰা সিমূৰলৈ মানুহ অহা-যোৱা কৰিবলৈ বাট। জাহাজৰ সন্মুখৰ ফালে বেৰত এখন ধুনীয়া ৰূপালী পৰ্দা। জাহাজ চলিবলৈ আৰম্ভ কৰাৰ লগে লগে, সেই ৰূপালী পৰ্দাত নিজকে নিৰাপদে ৰাখিবৰ কাৰণে নিজৰ বহা চকীৰ তলত থকা নিৰাপদ জেকেটৰ কথা কৈ গ'ল।

তাৰ পাছত আন্দামানৰ মানচিত্ৰখন দেখুৱাই কোন ঠাইত কি আছে, কি ক'ত কিয় বিখ্যাত ইত্যাদি সকলো বুৰঞ্জীৰ কথাছবি হিচাবে যাত্ৰীসকলৰ আগত দাঙি ধৰিলে। মোৰ এইখন চাই সঁচাকৈয়ে মনটো আনন্দৰে ভৰি পৰিছিল। তাৰ লগে লগে সাধাৰণ যাত্ৰা "ডেৰ ঘণ্টা" সময় যোৱাৰ পাছতহে "হেভলক" নামৰ দ্বীপত অৱতীৰ্ণ হ'ব পাৰিছিলো। পাৰাপাৰ নোহোৱা সাগৰখন আগতে কল্পনাতে আছিল। কিন্তু সেইদিনা ঈশ্বৰৰ কৃপাত বাস্তৱতে পাইছিলো। কেনে এটি স্মৰণীয় দিন তাক মই ভাষাৰে বৰ্ণাব নোৱাৰো। পৃথিৱী গোলাকাৰ বুলি স্কুলত পঢ়া বাক্যটো, সেইদিনা নিজ চকুৰে দেখিলো। আকাশখন যেন সাগৰতে লগ লাগিছে। সাগৰখনৰ মাজটো যেন অলপ ওখ, চাৰিওফালে চাপৰ, গৈ থাকিলে অন্ত নাই। সীমাহীন সাগৰত পাৰ বিচাৰি নাপায়। জাহাজ চালক, নাবিকজনেহে জানিছিল আমি কোন দিশত গতি কৰিছিলো। 'হেভলক'ত নমাৰ পাছত আমাক নিবলৈ এখন গাড়ী আহিল। গাড়ীৰে ১৫ নে ১৮ কিলোমিটাৰ যোৱাৰ পিছত আমি দ্বীপটোৰ সিটো পাৰ পালো। সেইটো এটা ডাঙৰ বিচ্। এই বিচ্‌টোৰ নাম "ৰাধা নগৰ বীচ্"।

এই বিচ্‌ত দেশী-বিদেশী বহুলোকেই নামিছে। বহুতকে সাগৰৰ ঢৌৱে উটুৱাই নিছে দুৰলৈ আকৌ আনি পাৰত থৈছে। কিছুমানক বুৰাই পেলাইছে। সাগৰৰ এনে অপূৰ্ব মনোমোহা দৃশ্য চাই থাকিলে এৰি আহিবৰ মন নাযায়। আমাৰ ছোৱালী দুজনীয়ে এই সুনীল সাগৰত ঢৌৰ লগত বহুপৰ খেলিলে। মই গছৰ তলত বহি বহি সৌন্দৰ্য উপভোগ কৰিলো। গছবিলাকৰ যে কিমান বয়স হৈছে ক'ব নোৱাৰো। সাগৰীয় বতাহ খাই সিহঁত হয়তো এশ বছৰৰ ওপৰত জীয়াই আছে। সেই গছৰ ছাঁত বহি মানুহে সমুদ্ৰৰ অপৰূপ লাৱণ্য উপভোগ কৰে। আকাশতকৈয়ো বিশাল যেন লাগে সমুদ্ৰ। এই বিশাল সমুদ্ৰৰ মাজে মাজে দ্বীপবিলাক আছে। আমি তাক পৰিভ্ৰমণ কৰি ফুৰিছো। এই দ্বীপটোত আমাৰ অসমৰ দৰে বহু পৰিচিত গছ-গছনি দেখিবলৈ পালো। বগৰী, মধুৰী, তামোল আৰু নানা ধৰণৰ ফুল অসমৰ সৈতে একে দেখিলো। ধান খেতিও দেখিলো। এইবিলাক চাই পুনৰ হেভলক এৰি আন্দামানলৈ ঘূৰিলো।

পোৰ্টব্লেয়াৰ পাওঁতে আমাৰ সন্ধ্যা লাগি পাৰ হৈছিল। সেই সময়ত চাহ একাপ খাই আমি ক'লীয়া পানী বা চেলুলাৰ জেলৰ Show চাবলৈ গ'লো। Show আৰম্ভ কৰিছিল আন্দামান দ্বীপপুঞ্জবিলাকৰ জন্মৰ পৰা। ৰামে যেতিয়া সীতাদেৱীক লংকাৰ পৰা উদ্ধাৰ কৰিবলৈ গৈছিল; সেইফালে গৈ লংকাত প্ৰৱেশ কৰা কথা ভাবি এই দ্বীপবিলাক সৃষ্টি কৰিছিল কালৰ গতিত বৃটিছে যেতিয়া ভাৰতবৰ্ষত ৰাজত্ব কৰিছিল। সেই সময়তে আন্দামানখনিও ইংৰাজে নিজৰ অধীনলৈ আনে। ১৮৯৩ চনত এই জেলৰ কাম সম্পূৰ্ণ হয়। এই জেল নিৰ্মাণ কৰোতে ইংৰাজবিলাকৰ সেই সময়ত বহুত ডলাৰ খৰচ হৈছিল। আমাৰ ভাৰতীয় মুদ্ৰাৰ হিচাপত ৫,১৭,৩৫২ টকা সেই সময়ত খৰচ হৈছিল।

এইখন জেলৰ নাম দিছিল চেলুলাৰ জেল। মুঠতে এই জেলত ৬৯৩ টা চেল আছিল। এই জেলৰ এটা ছেল বা কোঠাৰ দৈৰ্ঘ্য আছিল ১৩'/৬'' আৰু বহল আছিল ৭'/৬''। একে জোখতে সকলো ছেল সজা হৈছিল। বৰ্তমান সময়ত

চেলুলাৰ জেলৰ পাঁচটা ব্লক আজিও সাক্ষী হৈ থিয় দি আছে। বাকী দুটা ব্লক প্ৰাকৃতিক দুৰ্যোগত ধ্বংস হৈছে। তাৰে এটা ব্লক মিউজিয়াম হিচাবে ৰাখিছে। স্বাধীন ভাৰত গঢ়িবলৈ যাওঁতে যিসকলে এই জেলত দিন কটাবলগীয়া হৈছিল, দেশ মাতৃৰ কাৰণে ডিঙিত ফাঁচী লৈ প্ৰাণ আহুতি দিছিল, সেইসকলক মহান আত্মাৰ নাম, ছবি বেৰত আঁৰি থোৱা আছে। জেলৰ সন্মুখৰ পাৰ্কখনত বহু কেইজন ভাৰতীয় কয়দীৰ প্ৰতিমূৰ্তি সাজি থোৱা আছে।

আমাৰ অসমৰ বহু কেইজন শ্বহীদৰ নাম তাত দেখিলো। সেইসকলৰ ভিতৰত বাহাদুৰ গাঁওবুঢ়া, দুটিৰাম বৰুৱা, শেখ ফৰমুদ আলি, মধু মালিক।

এই চেলুলাৰ জেলৰ আন এটা নাম "ক'লীয়া পানী"। ভাৰত বুৰঞ্জীত ক'লীয়া পানী নামটো শুনিলেই ভয়লগা আছিল। যাক এবাৰ ক'লীয়া পানীত দিয়া হৈছিল, তেওঁ আৰু কোনোদিন ঘূৰি অহা নাছিল। ৰবাৰ্ট বেৰি সেই সময়ত জেলৰ গৰাকী আছিল। তেওঁৰ আদেশত সকলো চলিবলগীয়া হৈছিল। চাৰিওফালে সাগৰে আগুৰা দ্বীপ এটাৰ পৰা পলাই কোনো ক'তো যাব পৰা নাছিল। জেইলাৰ ডেভিদে নিজকে ঈশ্বৰ বুলি অভিহিত কৰিছিল। কয়দীবিলাকক কৈছিল— "মই জেলৰ সীমাৰ বেৰবিলাক কিয় ইমান চাপৰ কৰি দিছো। জানানে? জেলৰ পৰা পলাই তোমালোক ক'তো যাব নোৱাৰা। চাৰিওফালে হাজাৰ হাজাৰ মাইল পানী আৰু পানী।" সকলোৱে "বন্দে মাতৰম" শ্লোগান দি আই মাতৃৰ স্বাধীনতা বিচাৰিছিল।

১৯৭৯ চনত ভাৰতৰ প্ৰধান মন্ত্ৰী মোৰাৰজী দেশায়ে চেলুলাৰ জেলখনিক "ভাৰতীয় জাতীয় স্মৃতি" (National Memory) হিচাবে ঘোষণা কৰে। তাত ৰাতি চোৰা শ্ব'খনি সঁচাকৈয়ে বৰ মৰ্মান্তিক আছিল। স্বদেশপ্ৰেম জাগি উঠিছিল। কেনে কঠোৰ শাস্তি ভোগ কৰি আমাক স্বাধীন কৰি গ'ল। পিছদিনা ৰাতিপুৱাতে সূৰ্যৰ পোহৰত সেই জেলখন চাবলৈ গ'লো। সেই কয়দী বিলাকক কাম কৰিলেহে খাবলৈ দিছিল। এজন কয়দীয়ে নাৰিকল কাটি চেপি তাৰপৰা এক নিৰ্দিষ্ট পৰিমাণৰ তেল উলিয়াব লগা হৈছিল। যি কয়দী বৃটিছৰ অবাধ্য হৈছিল সেইবিলাকক তাতে একেলগে তিনিজনকৈ ফাঁচী দিয়া হৈছিল। মৃত দেহবোৰ সাগৰত পেলাই দিছিল।

চেলুলাৰ জেলৰ পৰা ওলাই আমি ৰচ্ (Ross Island) দ্বীপলৈ গৈছিলো। সেই দ্বীপ বৃটিছবিলাকৰ ৰাজধানী আছিল। পুৰণি ঘৰবিলাকৰ ধ্বংসাৱশেষ এতিয়াও স্পষ্ট হৈ আছে। ঘৰবিলাক সাগৰৰ প্ৰবল জোৱাৰত ভাগি-ছিগি গৈছিল। এতিয়াও বেকাৰী ঘৰ এটা দেখিবলৈ পালো। দ্বীপটোৰ ওপৰলৈ যথেষ্ট ওখ। তাত ম'ৰা চৰাই, হৰিণবিলাকে আপোন মনে বিচৰণ কৰি থাকে। মানুহৰ ওচৰলৈ আহে ভয় নকৰে। সেইটো এটা মোৰ বাবে বৰ আকৰ্ষণীয় দৃশ্য। পুৰণি ঘৰবিলাকত গছৰ শিপা, লতা আদিয়ে ছানি ধৰিছে। বৃটিছবিলাকৰ এখন কবৰ স্থান দেখা পালো। এই দ্বীপটো ৰাজধানী হোৱা হেতুকে লাগতিয়াল সকলো বস্তুৰ ধ্বংসাৱশেষ দেখা পালো।

ৰচ দ্বীপৰ পৰা কৰেল দ্বীপলৈ বুলি পানী জাহাজেৰে ঢাপলি মেলিলো। সমুদ্ৰৰ বুকুত কিনকিনীয়া বৰষুণৰ মাজেৰে বুকুত বহু অফুৰন্ত আশা বান্ধি কৰেল দ্বীপ পালোগৈ। কিন্তু আমাৰ কি দুৰ্ভাগ্য আমি কৰেলবিলাক চাবলৈ নাপালো। কৰেল দ্বীপৰ কাষলৈ জাহাজ নিব পৰা নাছিল। দ্বীপৰ অলপ আগত মানে সাগৰতে জাহাজখন ৰাখিছিল। তাৰ পৰা সৰু সৰু ব'টত দহ-পোন্ধৰ জনকৈ দ্বীপলৈ যোৱা হয়। সেই সৰু সৰু ব'টবোৰৰ তলিখন গ্লাছেৰে নিৰ্মিত। সেই গ্লাছেৰে মানুহে সাগৰৰ তলত থকা কৰেলবিলাক চায়। বৰষুণ দি থকাৰ কাৰণে আমাৰ সেই সৌভাগ্য নিমিলিল। কিয়নো বৰষুণৰ কাৰণে কৰেলবিলাক দেখা নাপায়। সেয়ে আমি পুনৰ ৰচ্ দ্বীপ হৈ পোৰ্ট ব্লেয়াৰলৈ ঘূৰি আহিলো।

পিছবেলা অলপ বজাৰ কৰিলো আৰু জাতীয় জাহাজ ঘাট (National Ship Port) মানে সাগৰেৰে সকলো ঠাইলৈ যাব পৰা যিটো ডাঙৰ জাহাজঘাট আছে, সেইটো চালোগৈ। আন্দামানলৈ সকলো বয়-বস্তু এই জাহাজ ঘাটেদি অনা নিয়া কৰে।

৯ তাৰিখে ৰাতিপুৱা আন্দামানৰ পৰা বিমানেৰে কলিকতালৈ ৰাওনা হ'লো। মুন আৰু কমলে বিমান বন্দৰলৈ আগবঢ়াই দিলে। সেই সময়ত মনটো সেমেকি উঠিছিল। আন্দামানৰ লগতে এই পৰিয়ালটিক এৰি মনটো দুখতে ভাগি পৰিছিল। প্ৰায় দুঘণ্টা বিশ মিনিটৰ পিছত আমি কলিকতাত পদাৰ্পণ কৰিলো। পদাৰ্পণ কৰিয়ে গাড়ী লৈ আসাম হাউচলৈ বুলি আগবাঢ়িলো। তাতে থকা আৰু খোৱাৰ দিহা কৰি পিছবেলা নিউ মাৰকেটলৈ আহি দুই এপদ বস্তু কিনি ক্লান্ত হৈ কোঠালৈ উভতিলো।

তাৰ পিছদিনা মানে দহ তাৰিখে পুৱা চাহ-তাহ খাই কলিকতা চহৰখন চাবলৈ ওলালো। পোনপ্ৰথমে হাওৰা দলঙৰ ওপৰেৰে পাৰ হৈ ৰামকৃষ্ণ মিচনৰ লগতে গঙ্গা দৰ্শন কৰি ব'টানিকেল গাৰ্ডেন পালোহি। বিৰলা মন্দিৰ গৈ পাওঁতে গেট বন্ধ কৰিছিল। সেয়ে ভিতৰখন সোমাই চাবলৈ নাপালো। বাহিৰৰ পৰা প্ৰণাম জনাই ঘূৰি আহিলো। তাৰ পাছত বিদ্যাসাগৰ সেঁতু পৰিভ্ৰমণ কৰিলো। Birla Technical and Industrial Meuseum চালো। এইটো চাই বহু কথা শিকিলো।

এইবাৰ আহি পালো Science City, Science City ত ৰুফ্ ৱে মানে ৰচীৰে ৰাস্তা আৰু কিবাকিবি বহুতো বস্তু চালো। তাৰ পৰা National Library and museum পালোগৈ।

অৱশেষত গধূলি Market আৰু New Market হৈ বজাৰ-সমাৰ কৰি ৰাতি ন মান বজাত আসাম হাউচ পালোহি। দিনৰ দিনটো টলৌ টলৌকৈ ঘূৰি ফুৰি অৱশ দেহা আৰু মন লৈ ক্লান্ত শৰীৰে ৰাতিটো চৰাইৰ দৰে জিৰণি লৈ, কাহিলী পুৱাতে উঠি গা-পা ধুই নিজৰ ঘৰলৈ বুলি টালি-টোপোলা বান্ধি বিমান বন্দৰত যথা সময়ত উপস্থিত হ'লোগৈ। বিমান উৰা এক ঘণ্টাৰ পিছতে অসম পালোহি। সঁচাই ভাবিলে বৰ আচৰিত লাগে। এক ঘণ্টাৰ আগত কলিকতাত আছিলো এঘণ্টাৰ পিছত অসমত। বিজ্ঞানৰ কি অৱদান। কবিয়ে কোৱাৰ দৰে—

"ফুৰি-চাকি ঘৰমুৱা হৈ জ্বলা নাই হিয়া যাৰ,

স্বদেশ প্ৰেমেৰে আছেনে কোনোবা এনে ঐ।"

আমাৰ অসমৰ মাটিৰ গোন্ধেই বেলেগ। বিমান বন্দৰৰ পৰা অলপ আহিয়ে দেখিলো ধুনীয়া কঁহুৱা বন এডৰা বতাহত নাচি আছে। দেশৰ মাটিত ভৰি দি আনন্দত হৃদয়-মন কঁহুৱা বনৰ দৰে নাচি উঠিল।□

সাহোন

অসমীয়া সাজপাৰ, সংস্কৃতিৰ অমূল্য সম্পদ

ৰ্ষ স্নেহময়ী বৰঠাকুৰ

অসমীয়া সাজপাৰ এটা জাতীয় সংস্কৃতিৰ অমূল্য সম্পদ। এটা জাতি হিচাবে চিনাকি দিবলৈ হ'লে সাজ-পোছাকযোৰেও বহুখিনি গধুৰ দায়িত্ব বহন কৰে।

অসমীয়া সমাজত অসমীয়া নাৰীৰ সাজ-পোছাকৰ দিশটোত এক নতুন দিশৰ সূচনা কৰি থৈ গৈছে। অসমৰ জীয়ৰী-বোৱাৰীসকল একোজনী শিপিনী ছাঁতে শুকোৱা মুঠিতে লুকোৱা কাপোৰ ব'ব পাৰে। ৰাতিৰ ভিতৰতে কপাহ ধুনি, সূতা কাটি 'কবচ' কাপোৰ বৈ উলিয়াই, সেই কাপোৰ যুদ্ধলৈ 'কবচ' ৰূপে ৰণুৱাক পিন্ধাই পঠোৱাৰ কথা বুৰঞ্জীয়ে কয়।

অসমৰ প্ৰতিঘৰ অসমীয়া মানুহৰ ঘৰতে দুই তিনিখনকৈ তাঁত শাল আছিল। অসমীয়া তিৰোতাৰ সাজপাৰত প্ৰধানকৈ তিনিখন বস্ত্ৰ আছিল— চেলেং চাদৰ, ৰিহা আৰু মেখেলা। মেখেলাৰ ওপৰত ৰিহা, তাৰ ওপৰত গুণা দিয়া চেলেং লৈছিল। পুৰুষৰ সাজপাৰত চুৰিয়া, চোলা, চেলেং কাপোৰ, খনীয়া কাপোৰ, এৰিয়া কাপোৰ প্ৰধান। ৰিহা, চাদৰৰ তলত থৈছিল। ৰিহা কেবাবিধৰ আছিল। গাৰী দিয়া ৰিহা, ফুল দিয়া ৰিহা, কেচ বছা ৰিহা, মেজান্টৰ ৰঙেৰে আঁচু বুলোৱা ৰিহা, কিংখাপৰ বনকৰা ৰিহা। অসমীয়া নাৰীৰ কৰ্ম নিপুণতাত মুগ্ধ হৈ জাতিৰ পিতা মহাত্মা গান্ধীয়ে "অসমীয়া নাৰীয়ে তাঁতশালত সপোন ৰচে" বুলি প্ৰশংসা কৰি গৈছে।

অসমীয়া নাৰীয়ে খেতি পথাৰৰ আজৰি সময়ত বৈ কাটি উলিয়াইছিল পাট-মুগাৰ কাপোৰ। তেওঁলোক অপূৰ্ব শিল্প কৌশলৰ অধিকাৰী আছিল। সেয়েহে হুঁচৰি, বিহুনামত গোৱা হয়—

"স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ
দুলিয়াই পাতিলে দোলা,
কাণত জিলিকিলে মকৰে কুণ্ডলে
গাতে গোমছেঙৰ চোলা।"

এই গোমছেঙৰ চোলা নাৰীয়ে বহুত কষ্ট কৰি বৈ দিছিল।

ৰজা-মন্ত্ৰীৰ জীয়াৰীৰ লগত তাঁতশাল, সোণখটুৱা টুলোঠা, হাতীদাঁতৰ মাকোঁ যৌতুকত দিয়া হৈছিল। ৰজাঘৰৰ কুঁৱৰীসকলৰ নিজাকৈ একোখন তাঁতশাল আছিল। আগৰ অসমীয়া সমাজত জীয়ৰী-বোৱাৰীৰ ৰিহা, মেখেলা, চাদৰ, চোলাত থকা কাৰুকাৰ্য অন্য দেশত গৱেষণাৰ বিষয়। ৰিহা আজিকালি নোহোৱাই হ'ল। আজিৰ ল'ৰা-ছোৱালীয়ে ৰিহা কি বস্তু বুলি সোধে। আগৰ কিংখাপৰ, সাজযোৰ কইনাই বিয়াৰ দিনা পিন্ধি হোমৰ গুৰিত বহিছিল। আগৰ পুৰণা মানুহৰ ঘৰত মেজাংকৰী, কিংখাপ, কইনা সজোৱা সাজ আছিল।

অসমীয়া সাজপাৰ, তাঁতশালখনৰ কথা বিহুগীত, বনগীতত পোৱা যায়। অসমীয়া সাজযোৰ যদি জাতীয় সংস্কৃতিৰ অমূল্য সম্পদ হয় তেন্তে আমি এই সাজযোৰ গ্ৰহণ কৰিব নোৱাৰিম কিয় ?

পশ্চিমীয়া সভ্যতাৰ উতলা সোঁতত আমাৰ মনবোৰ আউল লাগিছে। নিজকে সাজপাৰহীন কৰি লোকৰ সাজপাৰ গ্ৰহণ কৰাটো লজ্জাৰ বাহিৰে একো নহ'ব। যদি আমি নিজকে অসমীয়া বুলি চিনাকি দিব লাগে তেন্তে আমাৰ নাৰীসকলে মুগা, পাট, কপাহী সাজপাৰ গ্ৰহণ কৰাটো নিতান্তই বাঞ্ছনীয়।

আমি জানো আজি আমি শিক্ষাৰ পোহৰত আগবাঢ়ি গৈছো। এই আগবাঢ়ি যোৱা পথত আমাক পাশ্চাত্য সভ্যতাই বহুখিনি চুই গৈছে। ফলস্বৰূপে আমি নিজৰ খিনি বাদ দি আনৰ সাজপাৰ গ্ৰহণ কৰাটোকে সভ্যতাৰ চিনাকি বুলি পৰিচয় দিছো। আনৰ সাজপাৰ গ্ৰহণ কৰিলেও তাৰ তুলনাত আমাৰ সাজপাৰৰ মূল্য অক্ষুণ্ণ ৰাখিব লাগিব।

সাজপাৰ যদি এটা জাতিৰ সংস্কৃতিৰ সম্পদ হয় তেন্তে এই সাজপাৰ গ্ৰহণ কৰিব নোৱাৰিম কিয় ?

অসমীয়া সাজ-পাৰ সংস্কৃতিৰ অমূল্য সম্পদ।□

'ঢোল' লোক-কৃষ্টিৰ ৰাজহাড় স্বৰূপ

অসমৰ লোক সমাজত ঢোলৰ নিজা নিজা ছেউ, চাপৰ, ঢোলৰ আকাৰ বেলেগ বেলেগ। কামৰূপীয়া ঢুলীয়া, গোৱালপৰীয়া ঢুলীয়া, দৰঙীয়া ঢুলীয়া ইয়াৰ উপৰি কাৰ্বি, ৰাভা, বড়ো, ডিমাচা, টাই-আহোম, মিছিং, দেউৰী আদিৰ মাজত ঢুলীয়া লোক কৃষ্টি-সংস্কৃতিৰ প্ৰধান অংগ।

অসমীয়া সমাজত বিশেষকৈ উজনি অসমৰ বিয়া ঘৰত ঢুলীয়া ওজাসকলে বজোৱা কেইখনমান বিশেষ হাত-মাননী, তেল টুপি, ঘিনঘিটা, বতাহ চৰাই, তেলেঙনা আদি ছয়খন বাদ্যক ওজা হাত ঢোল বাদন বোলা হয়। ইয়াৰ 'মলিতাই' হ'ল গুৰু বন্দনা। 'চুচনি' হ'ল ঢুলীয়াৰ পাৰদৰ্শিতাৰ বিশেষ চাপৰ। ইয়াৰ লগত আছে 'টোকৰ', 'লহৰ'। 'বান্ধনি', 'ঘেলনি', হ'ল ওজা সকলৰ যুঁজৰ এটা বিশেষ অনুষ্ঠান।

ঢোল সংস্কৃতিত ঘাইকৈ ২৪ খন হাত আছে। ইয়াকে 'ছঅঁৰা' বাদ্য বোলে। ৰত্ন ওজা, ৰং ওজা, মোহন ওজা, নৰাম ওজা, বগাই ওজা আৰু মঘাই ওজা এইসকল স্বনামধন্য ওজাৰ হাতত এই বাদ্যবিলাক শুনিব পোৱা গৈছিল।

বিহুতলীৰ বিহু ছেউ— 'খৰাঁ ছেউ, বুঢ়া ছেউ, দীঘলীয়া ছেউ, মিৰি ছেউ, কছাৰী ছেউ, ধেমেলীয়া ছেউ, হুৰালী ছেউ আদি।

এই ঢোল বাদ্যই আহোম স্বৰ্গদেউসকলৰ ৰাজচ'ৰাত বিশেষ স্থান অধিকাৰ কৰিছিল বুলি জনা যায়।

"আদিতে আছিল মাত্ৰ ঢোলৰ বাজনা।
সোধন ঢুলীয়াই বাদ্য কৰিলে ৰচনা।।"

সাহিত্য

বিহুনামত অসমৰ নদ-নদী

পাৰুল বৰুৱা

সৃষ্টিৰ আদিম কালৰে পৰাই নদী আৰু মানুহৰ এৰাব নোৱাৰা সম্পৰ্ক। নদীয়ে পৃথিৱীক উৰ্বৰা কৰি শস্য-শ্যামলা কৰি তোলে। নদী উপত্যকাতে গঢ় লৈ উঠে মানুহৰ সমাজ, সভ্যতা আৰু সংস্কৃতি। নদী বৈ যায় মানৱ সভ্যতা, সংস্কৃতি আৰু সমাজৰ অনেক ভঙা-গঢ়াৰ ইতিহাস বুকুত সামৰি। অসম নদী মাতৃক দেশ। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ নানা উপনদী তথা জান-জুৰিসমূহৰ নাম পাওঁ। বসন্তৰ পৰশত সজীৱ হৈ উঠে প্ৰকৃতি। বিহুৰ পৰশত প্ৰাণ পাই উঠে অসমৰ ভৌগলিক চিত্ৰ, পৰ্বত-পাহাৰ, নৈ, জান-জুৰি। বিহুনামবোৰত উল্লেখিত নদীসমূহত ইয়াৰ বৈশিষ্টতাও পৰিলক্ষিত হয়। বিহুনামত ব্ৰহ্মপুত্ৰক দেৱতাৰ স্থান দি গাইছে—

ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰহমৃথুৰি এজুপি
আমি খৰি লুৰা ঠাই
উটুৱাই নিনিবা ব্ৰহ্মপুত্ৰ দেৱতা
তামোল দি মাতোতা নাই।

ব্ৰহ্মপুত্ৰক লুইত বা চিৰি লুইত নামেৰেহে বিহুনামত বেছিকৈ নামাঙ্কন কৰা দেখা যায়—

লুইতৰে বালি বগী ঢকঢকী
কাছই কণী পাৰে লেখি
গাত জুই জ্বলিছে সৰিয়হ ফুটিছে
ধনক পানীঘাটত দেখি।

***

চিৰিপ্ চিৰিপ্ কৰি কাপোৰ ধুই আছিলো
চিৰিখ লুইতলৈ চাই
চিৰি লুইতলৈ চাই
চিৰি লুইতৰে ৰূপালী সোঁতত
চেনাই নাও মেলি যায়।

কিছুমান বিহুনামত আমি সেই সময়ৰ চিত্ৰখন দেখিবলৈ পাওঁ। এসময়ত দিখৌ নৈত গুম্‌গুমাই কোম্পানীৰ জাহাজ চলিছিল। তেনেদৰেই কোনোবা যৌৱন গাভৰুৰ বুকু প্ৰিয়জনক বিচাৰি গুম্‌গুমাইছিল—

দিখৌ গুমেগুমায় কোম্পানীৰ জাহাজ
ঢেকী গুমেগুমায় থোৰা
মনে গুমেগুমায় দেহাৰে ভিতৰত
জীয়ৰী হ'বৰে পৰা।

নদীসমূহৰ নামেই নহয়, বিহুনামবোৰত নৈৰ পাৰৰ নৈসৰ্গিক শোভা, প্ৰাকৃতিক বৈশিষ্ট্য তথা ঐতিহাসিক বৈশিষ্ট্যতাৰো উমান পোৱা যায়। বিহুনামৰ মূল কথাটোৰ লগত অংকন কৰা নৈ সমূহৰ চিত্ৰ কোনোবা স্বভাৱ কবিৰ ৰচনাত কাব্যিক ৰহনেৰে উজ্বলি উঠিছে। বিহুনামত ভোগদৈৰ লেতেৰা পানীখিনি ও মনোমহা হৈ চকুৰ আগত ধৰা দিয়ে। চেনাইৰ মৰমবোৰ লুইতৰ চাপৰিৰ সৰিয়হৰ মোৱা-পোকে খোৱাৰ দৰেহে মলঙে—

লুইতৰ চাপৰিত সৰিয়হ ফুলিছে
মোৰা পোকে বেৰি খায়
চেনাইৰে পথাৰত মৰমবোৰ ফুলিছে
মৰহি মলঙি যায়।

কেতিয়াবা ডেকা-গাভৰুৰ মিলনত সমাজ প্ৰাচীৰ ৰূপে থিয় হয়—

ধনশিৰি দলংখন ভেটিলে ঐ চেনাইকণ
লোহাৰে শলখা মাৰি
তোমাকে আমাকে ভেটিলে সমাজে
দুটি দেহা দুফালে কৰি।

নৈৰ সিপাৰে থকা চেনাইক লগ নাপাই চেনেহীয়ে গায়—

তোমাৰ ঘৰ সিপাৰে মোৰ ইপাৰে
কোনে দিয়ে যাব সাঁকো
কোনে দিয়ে যাব ৰাঁচে দোৰেপতি
কোনে দিয়ে যাব মাকোঁ।
সিপাৰত থকা চেনায়েও জুৰে—
ওলাই নামডাঙৰ সাঁকো ঐ লাহৰী
এলাই নামডাঙৰ সাঁকো
বাৰীৰ বাঁহে কাটি দি যাওঁ চিৰি-শলি
কলিয়া নাহৰৰ মাকোঁ।

বাৰিয়া দুপাৰ উপচি থকা লুইতখন খৰালি শুকাই শীৰ্ণ হয়। তেনেদৰেই শুকাই খীণাই যোৱা চেনেহীক চেনায়ে সোধে—

ৰঙানৈ শুকালে মাছৰে বেজাৰত
লুইতখন শুকাইছে কিয়
মই চেনাই শুকাইছো তোমাৰে বেজাৰত
তুমিনো শুকাইছা কিয়।

নৈৰ পাৰৰ ভলুকা নদীলৈ হালি পৰাৰ দৰে চেনাইৰ বাবে অন্তৰ হালি পৰা চেনেহীয়ে চেনাইৰ চিৰি-চটা হোৱা দেখি সোধে—

নৈ লৈ হালিলে ন ডালি ভলুকা
পথাৰলৈ হালিলে কাক
বুকুৰে কামিহাড় হল ডালি ডালি
কালৈ চিন্তা কৰি থাক।

নিলগত থকা চেনাইক লগ পাবলৈ মন আকুল হৈ উঠে। সেয়ে ওপৰেদি উৰি যোৱা চৰাই হাল দেখি গীত জুৰে—

ধনৰে বাতৰি বেয়াটো শুনিলো
কঠিয়াতলীলৈ গৈ
চৰাই হোৱা হ'লে উৰি গ'লোহেঁতেন
মাজত ধনশিৰি নৈ।।
সেইদৰে—

***

চমকত চাবলৈ নহওঁ মই বিজুলী
নহ'লো বোৰতী নৈ..............।
বহুদিন চেনাইক নেদেখি কোনোবা চেনেহীয়ে গায়—
দিহিঙৰ পাৰতে লাঙজাল পাতিলো
উভটি লাগিলে যোৱা
কিনো মায়াজালত পৰিলি চেনাই ঐ
নেদেখা গধূলী-পুৱা।

***

কলঙৰ পাৰতে কাপোৰ ধুই আছিলো
তোমালৈ ধাউতি কৰি
মনৰ হাবিয়াস মনত নেমাৰিবা
নিয়াহি ডিঙিতে ধৰি।

এনেদৰেই অসমৰ প্ৰায়বোৰ নৈয়েই বিহুনামবোৰত সোমাই আছে। তাৰে কিছুমান—

সাহোন

সৰুতে পিতাদেউ জকাই সাজি দিলা
নালতো বিন্ধিলে ঘূণে
দিখৌ পাৰে কৰি দিয়া বিয়া কৰি
সৰু মাছ মাৰিব কোনে।

***

ভোগদৈ নৈতে পল বাইছিলো
চাবত পাই গ'লো কাছ
একেজন ঈশ্বৰে তোমাক মোক স্ৰজিলে
কিনো ভাল বেয়া বাছ।

***

নৈৰে লেতেৰা খুলীয়া খুবীয়া
ভোগবৈ লেতেৰা পানী.....।

***

কাকডোঙাৰ বৰালি ডেৰছোৰাৰ বৰালি
কেনেকৈ মিহলি হ'ল
আমি নেঘেৰিয়াল তুমি যোৰহটীয়া
কেনেকৈ চিনাকী হ'ল।

***

নৈৰে সিপাৰে কোনে জুই দিলে
ওপৰে উৰি গ'ল ছাই
মোৰনো হিয়াতে কোনে জুই দিলে
বিচনী ধৰোতা নাই।।

এই বিহুনামবোৰত ফুটি উঠিছে অসমৰ মোহনীয়, কমনীয় সৌন্দৰ্য্যতা। লুইতৰ পাৰৰ জোপোহা শিমলু, শিহু-ঘৰিয়াল উজাই বুৰ দিয়া দৃশ্য, সোৱণশিৰিত বালিচন্দা ধুই সোণ কমোৱা, ৰঙাগড়া খহাদি মনৰ গড়া খহা, লুইতৰ শুৱনি মাজুলী চাপৰি, দিখৌ নৈ, জাঁজী নৈ এৰিব পাৰিলেও চেনাইক এৰিব নোৱাৰা, লুইতৰ পাৰৰ চাকৈ-চকোৱা ইত্যাদি বিহুনামবোৰত বিদ্যমান হৈ আছে। এনেদৰেই বিহুনামৰ নদীৰ বুকুতে আছে মানুহৰ জীৱনৰ বিচিত্ৰ ছবি।❑

হাঁহে আহ

মালিক ঃ ধনীৰাম, কালিলৈ ৰাতিপুৱা ৪.৩০ বজাত ৰেল ধৰিব লাগিব। তই মোক ৪ বজাত টোপনিৰ পৰা জগাই দিবি।

ধনীৰাম ঃ হ'ব দেউতা। পিছে মইতো ঘড়ী চাব নাজানো। আপুনি মোক কেতিয়া ৪ বাজে কৈ দিব, মই আপোনাক জগাই দিম।

ৰিংকি ঃ তোমাৰ কেতিয়া জন্ম হৈছিল?

পিংকি ঃ সোমবাৰ, ২০ জানুৱাৰী, আৰু তোমাৰ?

ৰিংকি ঃ দেওবাৰ, ২ মাৰ্চ।

পিংকি ঃ তুমি মোক বুৰ্বক বুলি ভাবিছা নেকি? দেওবাৰটো সকলোৰে কাৰণে বন্ধ থাকে।



কবিতা

প্ৰতিশ্ৰুতি- নতুন পুৱাৰ

✍ দেবেন্দ্ৰ নাথ তালুকদাৰ

নিৰঞ্জনা

যোৱা বহাগৰ প্ৰথম পুৱা
তোমাৰ খোপাত
আলফুলে গুজি দিয়া
কপৌফুল এপাহ
য'ত নিমজ্জিত হৈ আছে
আকণ্ঠ প্ৰেমৰ অনেক প্ৰতিশ্ৰুতি
সযতনে ৰাখিছা নে তুমি!
অচিৰে তাতেই এদিন
অঙ্কুৰিত হ'ব এটি নতুন পুৱাৰ।
জাগ্ৰত প্ৰকৃতিৰ বুকুত
নিনাদিত হব অনেক পখীৰ গাণ,
মন্দিৰত বাজিব দবা-বৰকাঁহ
এটি নতুন সূৰ্যই লৈ আহিব
কেবল প্ৰেম আৰু প্ৰেম
তোমাৰ-মোৰ-সকলোৰে বাবে।❑

জীৱনৰ অনুভৱ

✍ সত্যব্ৰত দাস

জীৱন এখন বোঁৱতী নৈ
মাথোঁ বৈ যায়,
চিঞৰি চিঞৰি মাতিলেও
ৰ'বলৈ সময়ে নাই।
এই নদীতে নাওঁ মেলি দিলো
বঠাখন হাতত লৈ
বঠা মাৰি মাৰি গতি কৰিলো
মোৰ লক্ষ্যস্থানলৈ।
মোৰ জীৱন পথত বাধা আছে বুলি
নাথাকিলো মই হাত সাৱটি।
অতি আবেগেৰে আগবাঢ়ি গ'লো
ঈশ্বৰক প্ৰাৰ্থনা কৰি।
দুখ-বেদনা সকলো সামৰি।
জীৱন নদীৰ নাৱৰীয়া মই
নাওঁ বাই বাই আহিলো আঁতৰি
যাবলৈ লাগিব যোজন বাট
জীৱন সফল এনেকৈয়ে হয়
নেওচিব পাৰিলে ঘাত-প্ৰতিঘাত।❑

বিভীষিকা

✍ মঞ্জুলা কাকতী

এয়াতো নহয় সময়,
প্ৰিয়াৰ চকুত,
দাপোন চোৱাৰ।
এইয়াযে সময়
আহিছে বন্ধু,
ইতিহাসৰ পাত লুটিওৱাৰ।।
সময়ৰ আহ্বান
নুশুনিলে তুমি
ইতিহাসে নকৰে ক্ষমা।
প্ৰিয়াৰ ওঁঠত
পাচতো দিবা
প্ৰতিশ্ৰুতিৰ হিয়া উজোৰা চুমা।।

সময়ৰ ঘোঁৰাত
আহিছে, এটি সূৰ্য
নতুন পুৰাৰ।
এইয়াযে মাথোন সময়
যুগৰ দাপোনত
নিজকে জুমি চোৱাৰ।।
বহু আজি বোৰ
কালি হৈ গ'ল
সময় যে নাথাকে বৈ
সুদা হাতে তুমি
নতুন পুৰুষক
মুখ, দেখুৱাবা কেনেকৈ।
ৰঙা সুৰাক জগালে

ৰঙালী বুঢ়ীয়ে
যুঁজলৈ সাজু কৰি
নতুন পুৰুষক
আমিও জগাওঁ
তেওঁৰেই চানেকী ধৰি।
নিৰুদ্যাম হৈ
নাথাকা বন্ধু
সময়ত পন লোৱা
ৰঙালী উৎসৱৰ
ৰঙালী ব'হাগতে
ন-প্ৰজন্মক আগুৱাই নিয়া।।❑

অভিমানী

✍ মামনী দাস

সোণ তুমি আছা গৈ ক'ত
বিৰহৰ বেদনাই বলীয়া কৰিছে মোক।
কিমান থগিবা কিমান আতৰি ফুৰিবা
তথাপিও নাপাহৰো মই।
বহুদিন যদিও তোমাক দেখা নাই লগ পোৱা নাই
তথাপিও তোমাক দুচকুতে লৈ আছো মই,
কিমান দুখ দিবা এদিন হ'লেও তুমি সুৰৰিবা মোক।
মই যেতিয়া তোমাক এৰি এদিন আনৰ হমগৈ
তথাপিও তোমাক নোৱাৰিম পাহৰিব
যেতিয়ালৈ চকু নুমুদো তেতিয়ালৈ ওৰে জীৱন
তোমাৰ তোমাৰ তোমাৰে........।
সোণ তুমি ইমানে নিষ্ঠুৰ ইমানে অভিমানী
মোক এবাৰো নুবুজিলা কিয়।
নে বুজিও দুৰে দুৰে মোক চাই থাকা
তুমি বহু বহু অভিমানী সোণ
বহু অভিমানী।❑

নিসঙ্গ ক্ষণ

✍ ডিম্বেশ্বৰ শৰ্মা

নিসঙ্গতাই আনে
অতীতৰ স্মৃতি
ক্ৰমস্থিত প্ৰতিচ্ছবি।
বলিয়াৰ বলিয়ালিত
পদুলিৰ সৰা নিমে সাঁজে দলিচা
স্মৃতিৰ মিঠা আকুলতাৰে ভৰা।
কিন্তু অজানিতে
এজাক মলয়াৰ বা লাগি
সকলো তন্ময়তা ভাঙি
নিশ্চুপতাৰে পেলাই দিয়ে
হৃদয়ৰ কোনো অক্ষয় স্থানত
গোপনে, নিবিড়তাৰে।❑



আহ্বান

শ্ৰী প্ৰতিমা বড়া

স্বাগতম, স্বাগতম
হে মোৰ দেশৰ সতীৰ্থগণ
মোৰ দেশলৈ আনিছো আদৰি
এজাক মৌচুমী (ব'হাগ মাহতে)
সৃষ্টি কৰিবই শাওনৰ কৃষ্টি
ৰঙে ৰূপে ৰসে
সেউজ হ'ব আই মাতৃ
হে মোৰ নমস্য সতীৰ্থগণ
জনালো সশ্ৰদ্ধ আহ্বান।।

অনেক ফুলৰ
এয়া যে মিলন
অনৈক্যৰ মাজত ঐক্য
ভিন্নতাৰ মাজত অভিন্ন
নাম যাৰ মহামিলন
হে সতীৰ্থ, আঁহাচোন আঁহা

সৃষ্টি কৰোঁ
ঐক্য সংহতিৰ মহা উদ্যান
সেয়ে জনালো সশ্ৰদ্ধ আহ্বান
প্ৰগতিৰ আজিৰ শুভক্ষণত
মিলনৰ মহা লক্ষ্য
আমাক প্ৰগতিৰ অহংকাৰ লাগে
চিৰ সেউজ ঐতিহ্য লাগে
যিয়ে ভৱিষ্যতক দিয়ে
সুন্দৰৰ অংগীকাৰ।
এই অংগীকাৰেই শান্তি মন্ত্ৰ
লোৱা হে লোৱা
দেশ সেৱাৰ পূজাৰ অৰ্ঘ্য
হে নমস্য সতীৰ্থগণ
স্বাগতম, স্বাগতম...□

ভালপাওঁ তোমাক

✍ কাকলি বৰদলৈ পাঠক

কবিতা,
ভালপাওঁ তোমাক!
তুমিহে বুজি পোৱা
মোৰ হৃদয়ৰ প্ৰতিটো কথা।
ভাল লাগে মোৰ
তোমাৰ স'তে বহি চাই থাকি
নীলিম আকাশ
আৰু আকাশৰ নীলাবোৰ চুবলৈ
বাৰে বাৰে চেষ্টা কৰা
সেই চৰাই কেইটা!!
শত প্লাৱনেও উটুৱাই নিব
নোৱাৰা মোৰ মনটোক
তোমাৰ ভাব-সাগৰত কিন্তু
এখন সৰু নাৰৰ দৰে
টুলুং ভুটুং কৰা অনুভূতিক
মোৰ ভাল লাগে!
অৱসাদে মন
যেতিয়াই ভৰাই তোলে
তুমিয়েইতো মনত বকুল সিঁচি
দিনতে জোনাক যাঁচা।
জানা কবিতা?
তোমাৰে স'তে মিতালীয়েই
নমাই আনিলে
মোৰ জীৱনলৈ অলকানন্দা।❑

আই অসমী

রাজীৱ কুমাৰ মহন্ত

ভাৰত স্বাধীন হ'ল
হ'লো আমি পৰাধীন,
নেপাই মানুহে মানুহক চিনি
কেৱল ব্যস্ত নিজক লৈ
পক্ষেকত এবাৰ জানো আমি কৰিছোঁ চিন্তা
আই মাতৃ অসম দেশৰ কথা।
কিহৰ বাবে আমি মানুহবোৰ
ভয় কেৱল মৃত্যু লৈ?
এইখন অসমী আই মাতৃৰ ধৰণিত
ক'ত যে, অপব্যয় অত্যাচাৰ লুণ্ঠন
আমি কৰিছো কেৱল আত্ম ৰক্ষা স্বাৰ্থ ৰক্ষা।
তাৰ মাজতে বিলিন হৈ শেষ হৈছে অসমী আই
কত গৈছে আমাৰ তৰ্জন-গৰ্জন, ধৰ্ণা ইত্যাদি
কত গৈছে অসম বন্ধ আৰু অনশন
কাৰ শাসনত আমি।
কিয় ৰক্ষা কৰিব পৰা নাই আমাৰ অসমী আইক
আমাৰ নিজৰ মনৰ জাগৰণ আছে
কিন্তু জন-জাগৰণ নাই কিয়?
প্ৰয়োজন হৈছে, এক বিশাল প্ৰতিবাদ
যি প্ৰতিবাদেই হ'ব অসমী আইৰ ৰক্ষা
লাগিব সকলোৰে একতা বান্ধোন
য'ত নেলাগিব কিনা-বেচা
মহাবাহু ব্ৰহ্মপুত্ৰ, অসমী আইৰ স্নানৰ ঠাই
লোপ্ত নকৰিব এই মহাবাহু ব্ৰহ্মপুত্ৰক
ৰক্ষা কৰা হে জনগণ, ৰক্ষা কৰা অসমক
বিভাজনেই হৈছে আমাৰ দুখ
বঞ্চিত কিয় আমি বঞ্চিত কিয়?
আমাৰো গৃহভূমি অসমৰ পৰা
অহিংসাৰে আগুৱাই গৈ কৰো আহক অসমক ৰক্ষা
তেতিয়া হ'ব, অসমীয়া সকলো জাতিৰ সুৰক্ষা❑

নিবিচৰা এক স্মৃতি

✍ দ্বীজেন গগৈ

প্ৰতিটো কথাই যেন
গুৰুত্বপূৰ্ণ সীমাৰ মাজত
যেন কথাবোৰ ঋণাত্মক
আৰু ঋণাত্মক প্ৰতিক্ৰিয়াৰ তাৰ
প্ৰত্যুত্তৰ কি হ'ব
এইটোৱে যেন প্ৰধান
মুখৰ প্ৰথম শব্দ
মৌসনা অনুৰোধ ৰক্ষাৰ্থে
আলিদিন যেন সৌৰজগতৰ
প্ৰতিটো অনু-পৰমাণু

প্ৰথম প্ৰেম
এক দক্ষতাহীন বিন্দু
জানোচা ভয় লাগে
মন নিমিলাৰ বশতঃ
খেলি-মেলি আবেগ
সংকোচ সমীহ হীন
আচৰণত উদ্বত
জানোচা প্ৰথম আবেদন
বিফলতাৰ মাপকাঠিত দণ্ডিত
এইটো নহয়, সেইটো নহয়
অসম্ভৱ ইত্যাদি ইত্যাদি

বিদায় ক্ষণত
বিদায় দি অহা
বিন্দুৰ পৰাই যেন
ভাহি থাকে মোৰছবি
মগজুৰ ভিতৰত
যেন আবদ্ধমন বিচৰণ কৰে
নিবিচৰা এক স্মৃতি।❑

প্ৰতিষ্ঠাকালৰ পৰা বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদকসকল (১৯৮৪-২০১২)

চন		সভাপতি	সাধাৰণ সম্পাদক
১৯৮৪ চন	ঃ	প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়া	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি
১৯৮৫ চন	ঃ	প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়া	ফুলেশ্চ্ গগৈ
১৯৮৬ চন	ঃ	প্ৰয়াত ড° ভবেন্দ্ৰনাথ শইকীয়া	হৰেন হালৈ
১৯৮৭ চন	ঃ	দীনেশ চন্দ্ৰ বৰ্মন	গোপাল বৈশ্য
১৯৮৮ চন	ঃ	দীনেশ চন্দ্ৰ বৰ্মন	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি
১৯৮৯ চন	ঃ	দীনেশ চন্দ্ৰ বৰ্মন	সুৰেন দাস
১৯৯০ চন	ঃ	দ্বীজেন শৰ্মা	সুৰেন দাস
১৯৯১ চন	ঃ	প্ৰয়াত লীলাধৰ বৰগোঁহাঞি	বসন্ত পোদ্দাৰ
১৯৯২ চন	ঃ	ৰেৱতী মোহন হাজৰিকা	হৰেন হালৈ
১৯৯৩ চন	ঃ	————	————
১৯৯৪ চন	ঃ	ৰেৱতী মোহন হাজৰিকা	টঙ্কেশ্বৰ কাকতি
১৯৯৫ চন	ঃ	ৰেৱতী মোহন হাজৰিকা	টঙ্কেশ্বৰ কাকতি
১৯৯৬ চন	ঃ	সুনীল বৰা	ফুলেশ্চ্ গগৈ
১৯৯৭ চন	ঃ	সুনীল বৰা	পৰেশ নেওগ
১৯৯৮ চন	ঃ	সুনীল বৰা	পৰেশ নেওগ
১৯৯৯ চন	ঃ	হেম শইকীয়া	ফুলেশ্চ্ গগৈ
২০০০ চন	ঃ	সুনীল বৰা	পৰেশ নেওগ
২০০১ চন	ঃ	সুনীল বৰা	বৃহস্পতি ডেকা আৰু গুণীন্দ্ৰ ডেকা
২০০২ চন	ঃ	সুনীল বৰা	ফুলেশ্চ্ গগৈ
২০০৩ চন	ঃ	সুনীল বৰা	ফুলেশ্চ্ গগৈ
২০০৪ চন	ঃ	গোপাল বৈশ্য	পৰেশ নেওগ
২০০৫ চন	ঃ	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্ গগৈ
২০০৬ চন	ঃ	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্ গগৈ
২০০৭ চন	ঃ	উমেশ চন্দ্ৰ শৰ্মা	নিৰ্মল চন্দ্ৰ দত্ত
২০০৮ চন	ঃ	উমেশ চন্দ্ৰ শৰ্মা	ফুলেশ্চ্ গগৈ, সম্পাদক প্ৰধান নিৰ্মল চন্দ্ৰ দত্ত, সাধাৰ ণ সম্পাদক ধৰ্মেশ্বৰ সোনোৱাল
২০০৯ চন	ঃ	নিৰ্মল দত্ত	ধৰ্মেশ্বৰ সোনোৱাল
২০১০ চন	ঃ	প্ৰদাপ কুমাৰ গগৈ	শুক্ৰেশ্বৰ বড়ো
২০১১ চন	ঃ	দীপক কোঁৱৰ	সত্যজিৎ বৰা
২০১২ চন	ঃ	দীপক কোঁৱৰ	সত্যজিৎ বৰা

28TH

BRIHATTAR RUKMINI NAGAR RONGALI BIHU UDJAPAN SAMITY

RECEIPT & EXPENDITURE STATEMENT

RECEIPT	AMOUNT	EXPENDITURE		AMOUNT
Opening Balance				
Cash in Hand	2543.00	**Printing & Stationaries**		27241.00
Bank Account	23653.00	*Banner Printing*	1140.00	
		Donation Book Printing	2000.00	
Collection from Donation Books	203573.00	*Megazine Printing*	21500.00	
Advertisement in Megazine	3000.00	*Office Stationaries*	2385.00	
Competition Joining Fees	3900.00	*Photostat*	196.00	
Donor's Contribution for Prize Money	15224.00	*Printing Misc*	20.00	
Company Sponsorship	21500.00	**Pandal**		34969.00
Donation from Pradip Dutta	10000.00	*Generator and Fan*	3500.00	
Loan From Satyajit Bora	7000.00	*Stage Designing*	4869.00	
Membership Fees	30750.00	*Tent House*	26600.00	
Interest accrues from Bank Deposit	632.00	**Advertising & Publicity**		4500.00
		Gamocha & Badges		7145.00
		Badges	2700.00	
		Gamocha and Japi	4445.00	
		Reception		13391.00
		Cook	3100.00	
		Drinking Water	500.00	
		Gas Cylinder	500.00	
		Grocery	7000.00	
		Labour (Kitchen)	1000.00	
		Refreshment	791.00	
		Sorai	500.00	
		Sound		14000.00
		Electrical Connection		10538.00
		Test Report	400.00	
		Meter Security and Bill	6838.00	
		Electrician	3300.00	
		Lighting Arrangement		1000.00
		Photographer		300.00
		Renumeration to judges		15500.00
		Conveyance		1504.00
		Miscelleneous Expenses		3830.00
		Charity	2000.00	
		Meeting Expense	130.00	
		Temporary Urinal	1100.00	
		Swahid Bedi	450.00	
		Others	150.00	
		Labour Charges		4430.00
		Prize money for Compitition		36562.00
		Cultural Night Expenditure		102800.00
		1st Night	35500.00	
		2nd Night	65300.00	
		Advance To Artist	2000.00	
		Total Expenditure		277710.00
		Cash at Bank		41285.00
		Opening Balance	23653.00	
		Cheque Deposited	21500.00	
		Cash Deposites	35500.00	
		Interest Accrued	632.00	
		Less withdrawn	40000.00	
		Balance at Bank	41285.00	
		Cash in Hand		2780.00
	321775.00			321775.00

24/02/22

সাধাৰণ সম্পাদক
বৃ. ৰু. ন. ৰ. বিহু সন্মিলন
হাউচিং কলনী, দিশপুৰ

কোষাধ্যক্ষ
বৃ. ৰু. ন. ৰ. বিহু সন্মিলন
হাউচিং কলনী, দিশপুৰ

বৃহত্তৰ ৰুক্মিণী নগৰ ঊনত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি, দিশপুৰ, গুৱাহাটী- ৭৮১০০৬

সদৌ অসম ভিত্তিত হুঁচৰি-বিহু আৰু বিহুৱতী প্ৰতিযোগিতাৰ বঁটাসমূহ

১৩-৪-২০১১, ৩০ চ'ত, শুক্ৰবাৰ

১ম পুৰস্কাৰ : প্ৰয়াত লীলাধৰ বৰগোঁহাই সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ১০,০০১/- টকা

দাত্ৰী : শ্ৰীমতী অমিয়া বৰগোঁহাই আৰু পৰিয়ালবৰ্গ

২য় পুৰস্কাৰ : প্ৰয়াত বিতুল বৰুৱা সোঁৱৰণী চলন্তা বঁটা, লগতে নগদ ৭,০০১/- টকা

দাত্ৰী : শ্ৰীমতী পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ

৩য় পুৰস্কাৰ : প্ৰয়াত ড° মুহীচন্দ্ৰ বৰগোঁহাই বঁটা, লগতে নগদ ৫,০০১/- টকা

দাত্ৰী : শ্ৰীমতী ৰুমী বৰগোঁহাই আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত বিহুৱতী প্ৰতিযোগিতাৰ বঁটাসমূহ

১ম পুৰস্কাৰ : প্ৰয়াত মহেন্দ্ৰ বুঢ়াগোঁহাই আৰু প্ৰয়াতা দেৱলতা বুঢ়াগোঁহাই, সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৫,৫৫৫/- টকা

দাতা : শ্ৰীমৃদুল বুঢ়াগোঁহাই

২য় পুৰস্কাৰ : প্ৰয়াতা জিণ্টিমণি শইকীয়া সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৩,৩৩৩/-টকা

দাতা : শ্ৰীচিদানন্দ শইকীয়া

৩য় পুৰস্কাৰ : প্ৰয়াতা ফুলশ্বেৰী সোনোৱাল সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ২,২২২/-টকা

দাতা : শ্ৰীধৰ্মেশ্বৰ সোনোৱাল

সদৌ অসম ভিত্তিত বিহুৰাণী প্ৰতিযোগিতাৰ বঁটা

শ্ৰেষ্ঠা বিহুৰাণী-২০১২ : এটি চলন্ত মুকুট, লগতে প্ৰয়াতা শোভেশ্বৰী সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ১০,০০১/- টকা, এযোৰ মুগাৰ সাজ, এটা নকিয়া মোবাইল চেট, এটা বিউটি বক্স আৰু অন্যান্য আকৰ্ষণীয় পুৰস্কাৰ

দাতা : শ্ৰীযুত দেৱজিৎ দাস আৰু পৰিয়ালবৰ্গ

১৪-৪-২০১২ ১ ব'হাগ, শনিবাৰ

১ম পুৰস্কাৰ : প্ৰয়াতা ইন্দুমতী বৰা, সোঁৱৰণী চলন্ত বঁটা, লগতে নগদ ৩,০০১/-টকা

দাতা : শ্ৰীলক্ষ্মীনাৰায়ণ বৰা আৰু পৰিয়ালবৰ্গ

ঊনত্ৰিংশতিতম্

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউচিং কলনি

দিশপুৰ, গুৱাহাটী - ৭৮১০০৬

৩০ চ'ত আৰু ১ ব'হাগ

শুক্ৰবাৰ আৰু শনিবাৰ

(ইং ১৩ আৰু ১৪ এপ্ৰিল, ২০১২ চন)

কাৰ্য্যক্ৰমণিকা

৩০ চ'ত (ইং ১৩ এপ্ৰিল, ২০১২) শুক্ৰবাৰ

পুৱা ৯.০০ বজাত	ঃ বিহুৰ পতাকা উত্তোলন
উত্তোলক	ঃ শ্ৰীযুত ৰমেন কলিতা, *বিশিষ্ট লেখক, দিকৌ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি*
পুৱা ৯.৩০ বজাত	ঃ স্মৃতি তৰ্পণ
পুৱা ১০.০০ বজাত	ঃ সৰু ল'ৰা-ছোৱালীৰ খেল-ধেমালি প্ৰতিযোগিতা
বিয়লি ১.০০ বজাত	ঃ আধুনিক নৃত্য প্ৰতিযোগিতা।
সন্ধিয়া ৬.৩০ বজাত	ঃ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন।
উদ্বোধক	ঃ শ্ৰীযুত ৰত্ন ওঁজা, *বিশিষ্ট সাহিত্যিক, গীতিকাৰ, উপ-সভাপতি শংকৰদেৱ কলাক্ষেত্ৰ*
সন্ধিয়া ৭.০০ বজাত	ঃ স্মৰণিকা 'সাহেন' উন্মোচন
উন্মোচক	ঃ শ্ৰীযুত দেৱজিৎ দাস, কাৰ্যবাহী অভিযন্তা, গড়কাপ্তানি বিভাগ, অসম চৰকাৰ আৰু সমাজ সেৱক।
সন্ধিয়া ৭.৩০ বজাৰ পৰা	ঃ সদৌ অসম ভিত্তিত 'বিহুৰাণী', 'হুঁচৰি-বিহু' আৰু 'বিহুৱতী' প্ৰতিযোগিতা, লগতে অন্যান্য সাংস্কৃতিক অনুষ্ঠান।

১ ব'হাগ (ইং ১৪ এপ্ৰিল, ২০১২) শনিবাৰ

বিয়লি ২.০০ বজাত	ঃ জেং বিহু প্ৰতিযোগিতা।
সন্ধিয়া ৬.০০ বজাৰ পৰা	ঃ সাংস্কৃতিক সন্ধিয়া উদ্বোধন।
উদ্বোধক	ঃ শ্ৰীপ্ৰদীপ দত্ত, *সাংস্কৃতিক সংগঠক।*
সন্ধিয়া ৭.০০ বজাৰ পৰা	ঃ সাংস্কৃতিক অনুষ্ঠান।

বিশেষ আকৰ্ষণ

সদৌ অসম ভিত্তিত হুঁচৰি বিহু/বিহুৱতী/

বিহুৰাণী প্ৰতিযোগিতা/বিমান বৰুৱা আৰু সহযোগী শিল্পীৰ সঙ্গীতানুষ্ঠান/ ঢোলৰ ওজা সোমনাথ বড়াৰ ঢোলবাদন/জীনা ৰাজকুমাৰীৰ সঙ্গীতানুষ্ঠান/ৰসৰাজ কৌতুক গোষ্ঠীৰ কৌতুক অভিনয় আৰু অন্যান্য বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান

মুখ্যপৃষ্ঠপোষক

শ্ৰীযুত দেৱজিৎ দাস	শ্ৰীযুত ভূপেন্দৰ সিং (কিকি)
শ্ৰীযুত বিজু কুমাৰ জৈন	শ্ৰীযুত বিপ্লৱ দত্ত

পৃষ্ঠপোষক মণ্ডলী

শ্ৰীযুত দ্বিজেন শৰ্মা	শ্ৰীযুত প্ৰবোধ কটকী
শ্ৰীযুত গোপাল বৈশ্য	শ্ৰীমতী অমিয়া বৰগোঁহাই
শ্ৰীযুত অপূৰ্ব শৰ্মা	শ্ৰীযুত মুকুল হাজৰিকা
শ্ৰীযুত যতিন মালী	শ্ৰীযুত হৰেশ দত্ত
শ্ৰীযুত ৰঙ্গনাথ তালুকদাৰ	শ্ৰীযুত চাকিল চাদুল্লা
শ্ৰীযুত অনিল দাস	শ্ৰীযুত ৰাণা ডেকা
ডাঃ হিতেশ বৰুৱা	শ্ৰীযুত গণেশ শৰ্মা
শ্ৰীযুত প্ৰকাশ ম'ৰ	শ্ৰীযুত উত্তম কলিতা
শ্ৰীযুত আব্দুল ৰাহেদ	শ্ৰীযুত শঙ্কৰ জ্যোতি ডেকা
শ্ৰীযুত আব্দুল কায়েম	শ্ৰীযুত ৰোহিণী পাঠক
শ্ৰীযুত প্ৰদীপ বৰা	শ্ৰীযুত পদ্মকান্ত বৰা
শ্ৰীযুত অজয় গুপ্তা	শ্ৰীযুত হৰেশ্বৰ বৰুৱা
শ্ৰীযুত ৰিপুঞ্জয় চাংকাকতি	শ্ৰীযুত অনুজ শইকীয়া

মুখ্য উপদেষ্টা

শ্ৰীযুত সুনীল বৰা	শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ
শ্ৰীযুত পৰেশ নেওগ	শ্ৰীযুত বৃহস্পতি ডেকা

উপদেষ্টা মণ্ডলী

শ্ৰীযুত দিনেশ বৰ্মন	শ্ৰীযুত বিপ্লৱ বৰা
শ্ৰীযুত উমেশ শৰ্মা	শ্ৰীযুত অৱণী ভট্টাচাৰ্য
শ্ৰীযুত কেশৱলাল দাস	শ্ৰীযুত বিৰেন্দ্ৰ নাথ বৰা
শ্ৰীযুত ৰেৱতী মোহন হাজৰিকা	শ্ৰীযুত হৰেণ দাস
শ্ৰীযুত কমল কাকতি	শ্ৰীযুত টিকেন চৌধুৰী
শ্ৰীযুত কমল কৃষ্ণ হাজৰিকা	শ্ৰীযুত কুশল পাঠক
শ্ৰীযুত হেম শইকীয়া	শ্ৰীযুত কেশৱ চন্দ্ৰ ভূঞা
শ্ৰীযুত গৌতম শৰ্মা	শ্ৰীযুত পশুপতি হাজৰিকা
শ্ৰীযুত ৰাজীৱ হাজৰিকা	শ্ৰীযুত অজিত বৰুৱা
শ্ৰীযুত হোমেন্দ্ৰ হীৰা	শ্ৰীযুত ৰত্নেশ্বৰ বৰুৱা
শ্ৰীযুত সোনেশ্বৰ দাস	শ্ৰীযুত হৰেণ বৰগোঁহাই
শ্ৰীযুত টঙ্কেশ্বৰ কাকতি	শ্ৰীযুত পঙ্কজ কাকতি
শ্ৰীযুত ঈশ্বৰ পসন্ন ফুকন	শ্ৰীযুত লক্ষী দাস
শ্ৰীযুত বসন্ত পদ্দাৰ	শ্ৰীযুত ভগৱান ডেকা
শ্ৰীযুত বি, চি, ক্ৰ	শ্ৰীযুত ৰাজশোভন গোস্বামী

শ্ৰীযুত সোমেশ্বৰ শইকীয়া	শ্ৰীমতী দিব্য কাকতি
শ্ৰীযুত ধণিৰাম কলিতা	শ্ৰীমতী গায়ত্ৰী গগৈ
শ্ৰীযুত চিদানন্দ শইকীয়া	শ্ৰীমতী অঞ্জলী বৰুৱা
শ্ৰীযুত মনোজ শৰ্মা	শ্ৰীমতী প্ৰণিতা ডেকা
শ্ৰীযুত প্ৰসন্ন মজুমদাৰ	শ্ৰীমতী মিনতী চৌধুৰী
শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ শৰ্মা	শ্ৰীমতী ৰেণু শৰ্মা
শ্ৰীযুত অমল শৰ্মা	শ্ৰীমতী মিনু বৰুৱা
শ্ৰীযুত সুশিল শৰ্মা	শ্ৰীৰাজীৱ কুমাৰ মহন্ত
শ্ৰীযুত তপন ডেকা	শ্ৰীযুত মৃগাংশু ঠাকুৰীয়া
শ্ৰীযুত থানেশ্বৰ দত্ত	শ্ৰীযুত গৌতম গগৈ
শ্ৰীযুত উপকুল বৰদলৈ	শ্ৰীযুত মানবেন্দ্ৰ দেৱ ৰায়
শ্ৰীমতী স্নেহময়ী বৰঠাকুৰ	শ্ৰীযুত কানুৰাম ইংতি

কাৰ্যকৰী সমিতি

সভাপতি	ঃ শ্ৰীযুত দীপক কোঁৱৰ।
কাৰ্যকৰী সভাপতি	ঃ শ্ৰীযুত ফুলেশ্চ্ গগৈ
উপ-সভাপতি	ঃ শ্ৰীযুত দিলীপ চক্ৰৱৰ্ত্তী, শ্ৰীযুত সুৰেন দাস, ডাঃ দিলীপ ডেকা
সাধাৰণ সম্পাদক	ঃ শ্ৰীসত্যজিত বৰা।
সহকাৰী সম্পাদক	ঃ শ্ৰীগুণীন্দ্ৰ ডেকা, শ্ৰীপাৰ্থপ্ৰতিম শইকীয়া, শ্ৰীগুণজিৎ তালুকদাৰ।
কোষাধ্যক্ষ	ঃ শ্ৰীগৌতম ওজাঁ,
কাৰ্যালয় সম্পাদক	ঃ শ্ৰীৰাণা ৰাভা, শ্ৰীগোপাল দাস।
হিচাপ পৰীক্ষক	ঃ শ্ৰীচক্ৰধৰ মটক।

উপসমিতি

বিত্ত বিভাগ

সভাপতি : শ্ৰীযুত নিৰ্মল দত্ত
উপ-সভাপতি : শ্ৰীগোবিন্দ শৰ্মা, শ্ৰীমৃদুল বৰগোঁহাই, শ্ৰীচিন্ময় ফুকন
সম্পাদকদ্বয় : শ্ৰীপৰাগ জ্যোতি গগৈ, শ্ৰীদিগন্ত মাধৱ বৰা
সহঃ সম্পাদকদ্বয় : শ্ৰীমহেন্দ্ৰ শৰ্মা, শ্ৰীঋতুৰাজ বৰদলৈ
সদস্য : সৰ্বশ্ৰী ৰঞ্জন দাস, পঙ্কজ ভূঞা, অনুপ পাঠক, সিদ্ধাৰ্থ শইকীয়া, সীমান্ত দত্ত, পাৰ্থৰাজ বৰদলৈ, খনিন চৌধুৰী, মানস কোঁৱৰ, হীৰক শৰ্মা, বানী বৰগোহাঁই, দিব্য বৰা।

সাংস্কৃতিক বিভাগ

সভাপতি : শ্ৰীগিৰীশ দত্ত
উপ-সভানেত্ৰী : শ্ৰীযুতা পাৰুল বৰুৱা
সম্পাদক : শ্ৰীশুক্লেশ্বৰ বড়ো
সহঃ সম্পাদকদ্বয় : শ্ৰীসিদ্ধাৰ্থ ৰাজ বৰদলৈ, শ্ৰীসিদ্ধান্ত বৰদলৈ
সদস্যাবৃন্দ : সৰ্বশ্ৰী পুৰবী গগৈ দাস, কল্পনা শৰ্মা, কাকলি পাঠক বৰদলৈ, কিশোৰ দত্ত, অলকেশ ওঁজা, ধনজিৎ ৰাভা।

মঞ্চ আৰু আলোক সজ্জা

সভাপতি : শ্ৰীমুকুল বুঢ়াগোহাঁই
উপ-সভাপতি : শ্ৰীঅনিল দাস, শ্ৰীভূপেন বড়ো
সম্পাদকদ্বয় : শ্ৰীৰাজেন দাস, শ্ৰীঅপূৰ্ব দাস
সহঃ সম্পাদক : শ্ৰীশিবেন্দ্ৰ ডেকা, শ্ৰীৰণজিৎ ৰাভা
সদস্যবৃন্দ : সৰ্বশ্ৰী মুকুত ৰাভা, ৰাজ বৰুৱা, সুভাষ গাৰো, বাহাৰুল লস্কৰ, বাবলু থাপা, পবিত্ৰ কলিতা, ঋষভ ৰাভা, চন্দ্ৰ দাস, বাবুল ৰাভা, সুভাস গাৰো, ৰত্নেশ্বৰ ৰাভা, হলধৰ বৈশ্য।

প্ৰচাৰ বিভাগ

সভাপতি : শ্ৰীৰাঘবেন্দ্ৰ দাস
সম্পাদকদ্বয় : শ্ৰীসমুদ্ৰ কলিতা, শ্ৰীঅসীম বৰ্মন
সহঃ সম্পাদক : শ্ৰীপ্ৰণৱ হাজৰিকা
সদস্যবৃন্দ : সৰ্বশ্ৰী ববলু নাথ, বিভাস সিন্‌হা, নৱদ্বীপ বড়ো, জ্যোতি পাঠক, মিজৰুল লস্কৰ।

অভ্যৰ্থনা বিভাগ

সভানেত্ৰী : শ্ৰীমতী জুনু নেওগ
উপ-সভাপতি : শ্ৰীযজ্ঞেশ্বৰ ৰাজখোৱা, শ্ৰীমতী মঞ্জুল কাকতি
সম্পাদকদ্বয় : শ্ৰীভাইটি দত্ত, শ্ৰীদিনবন্ধু বৈশ্য
সহঃ সম্পাদীকাঃ শ্ৰীমতী ৰীতা ডেকা, ৰাণু গগৈ, শ্ৰীমতী নমিতা ঠাকুৰীয়া মটক, শ্ৰীমতী পাৰুল নাথ।
সদস্যবৃন্দ : সৰ্বশ্ৰী কনক বনিয়া উন্মনা মাধুৰী দত্ত, নিলীমা ডেকা, বীনা দত্ত, মিনু বৰুৱা, দীপিকা কলিতা, কল্পনা দাস, পীনা ডেকা, কাণু ৰাভা, সিদ্ধেশ্বৰ দাস।

আলোচনী বিভাগ

উপদেষ্টাদ্বয় : শ্ৰীযুত নিৰ্মল দত্ত, শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈ।
সভাপতি : শ্ৰীধৰ্মেশ্বৰ সোনোৱাল
সম্পাদক : শ্ৰীপলাশ বৰুৱা
সহঃ সম্পাদক : শ্ৰীমৃণাল বৈশ্য
সদস্যবৃন্দ : সৰ্বশ্ৰী ৰাতুল দাস, সুৰেশ বৈশ্য, মানসী দাস, সুৱৰ্ণ হাজৰিকা।

ক্ৰীড়া বিভাগ

সভাপতি : মনিৰ আহমেদ
উপ-সভাপতি : শ্ৰীজ্যোতি প্ৰসাদ ডাউকা, শ্ৰীমানস জ্যোতি বৰুৱা
সম্পাদক : শ্ৰীজীতেন বড়ো
সহঃ সম্পাদক : শ্ৰীচন্দন নাথ, শ্ৰীকুলেশ ডাউক
সদস্যবৃন্দ : সৰ্বশ্ৰী জ্ঞানদ্বীপ গগৈ, ৰাজাৰাম বড়ো, ৰাজু বড়ো, পঙ্কজ কাঠকটীয়া, অমৰ নাথ, ডব্লিউ আনন্দ বড়ো, চিণ্টু দত্ত, অঞ্জয় পাঠক, দ্বীপ মুখাৰ্জী, ভদ্ৰেশ্বৰ বড়ো।

স্বাস্থ্যসেৱা বিভাগ

সভাপতি : ডাঃ অনিল কলিতা
উপ-সভাপতি : ডাঃ মাধুৰ্য্য গগৈ
সম্পাদীকা : শ্ৰীমতী প্ৰতিমা বৰা
সহঃ সম্পাদীকাঃ শ্ৰীমতী প্ৰিয়দা চেলেং
সদস্যবৃন্দ : সৰ্বশ্ৰী বিধান সিন্‌হা, মুনীন্দ্ৰ হাজৰিকা, জ্যোতিময় বৰুৱা।

স্বেচ্ছাসেৱক পৰিচালক

মিকু

স্বেচ্ছাসেৱক বাহিনী

সৰ্বশ্ৰী মনোজ বৰ্মন, সমীৰ সুত্ৰধাৰ, বিকি মালাকৰ, সুনীল গাৰো, টিটু সিং

সদস্য/সদস্যাবৃন্দ

সৰ্বশ্ৰী অণিৰুদ্ধ ওঝা, তৰুণী কলিতা, মীনা দত্ত, ৰূপজ্যোতি কলিতা, অঞ্জলী বৰুৱা, অনিমা বৰদলৈ, পূৰ্ণিমা বৰদলৈ, নিত্যানন্দ তালুকদাৰ, সত্যেন কোঁৱৰ, ৰফিকুৰ হুচেইন, জীতেন্দ্ৰ সিন্‌হা, পৰিমল বিশ্বাস, ফণিধৰ কলিতা, প্ৰমোদ কলিতা, অঞ্জন বুজৰবৰুৱা, বদন বড়ো, এচ, আৰ, দৈমাৰী, মিচেচ এচ. হক, ইলা ৰাজবংশী, সুনন্দ দত্ত, ৰামেশ্বৰ কলিতা, ৰামেশ্বৰ দাস, প্ৰবাল সিন্‌হা, মহাদেৱ নাথ, উৎপল দাস, ৰঞ্জণ বিশ্বাস, অৰবিন্দ পাল, দেবেন্দৰ ৰায়, অনিমেষ দাস, নীলমণি ভট্ট, ৰূপক চৌধুৰী, পঙ্কজ ভূঞা, পুতু বড়ো, কৃষ্ণ বড়ো, মাধৱ কলিতা, ৰাজ চেত্ৰী, চম্পা দাস, বিদ্যুৎ বৈশ্য, আবু চৈয়দ মহম্মদ, আব্দুল বৰভূঞা, দীপক সুত্ৰধৰ, হানিফ আলি শেখ, ৰাতুল পাটোৱাৰী, আনোৱাৰুল ইছলাম লস্কৰ, অপূৰ্ব গোস্বামী, বংশীধৰ কাকতি, চেলিমুদ্দিন বৰভূঞা, কপিলদেৱ শৰ্মা, চাইদুৰ ৰহমান লস্কৰ, হৰমোহন নাথ, শিৱ শঙ্কৰ প্ৰসাদ, নিৰ্মল বিশ্বাস, কপিলদেৱ শৰ্মা, চাহদুৰ ৰমহমান লস্কৰ, হৰমোহন দাস, শিৱশঙ্কৰ প্ৰসাদ, নিৰ্মল বিশ্বাস, কপিলদেৱ ৰায়, হৰেশ্বৰ দাস, মুকুট বৰা, চাৰু নাজৰিী, বিষ্ণু পাঠক, ৰজনী গাড়ো, নীলিমা দত্ত, অমূল্য পাঠক, মহাদেৱ শৰ্মা, অচ্যুত শৰ্মা, অসীম কলিতা, মানস প্ৰতীম বৰা, প্ৰণৱ ডেকা, মনোৰঞ্জন কাকতি, উৎপল ওজা, কালিপদ সেন, ৰুবুল স্বৰ্গীয়াৰী, ভূমিকা তালুকদাৰ, মুহিৰুদ্দিন বৰভূঞা, সোবল দাস, সীমান্ত বড়ো, অবনী বৰ্মন।

আৰু

বৃহত্তৰ ৰুক্মিণী নগৰ অঞ্চলৰ সমূহ ৰাইজ।

বৃহত্তৰ ৰুক্মিণী নগৰ উনত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলন (২০১২)

ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি, দিশপুৰ, গুৱাহাটী- ৭৮১০০৬

সদৌ অসম ভিত্তিত হুঁচৰি-বিহু প্ৰতিযোগিতাৰ ফলাফলসমূহ

১ম পুৰস্কাৰ	ঃ	ৰংঘৰ হুঁচৰি দল
২য় পুৰস্কাৰ	ঃ	স্বৰ্গদেউ শিল্পী সমাজ
৩য় পুৰস্কাৰ	ঃ	ৰংমন এনাজৰি বিহু হুঁচৰি দল

সদৌ অসম ভিত্তিত বিহুৱতী প্ৰতিযোগিতাৰ ফলাফলসমূহ

১ম পুৰস্কাৰ	ঃ	জয়শ্ৰী বৰুৱা
২য় পুৰস্কাৰ	ঃ	প্ৰতীক্ষা বুঢ়াগোঁহাই
৩য় পুৰস্কাৰ	ঃ	হেমা সন্দিকৈ

সদৌ অসম ভিত্তিত শ্ৰেষ্ঠ বিহুৱা

শ্ৰীলীলা গগৈ

সদৌ অসম ভিত্তিত জেং বিহু প্ৰতিযোগিতাৰ ফলাফলসমূহ

১ম পুৰস্কাৰ	ঃ	সাতসৰী সাংস্কৃতি দল
২য় পুৰস্কাৰ	ঃ	চিৰসেউজ জেং বিহু দল
৩য় পুৰস্কাৰ	ঃ	মিলিজুলি জেং বিহুদল

With best compliments from.......... PHONE : 98640-72492

MR. GYANDEEP GOGOI

Govt. Registered Contractor (APWD)

RUKMINI NAGAR, HOUSING COLONY
RANGAMANCHA PATH
GUWAHATI - 781006

ৰঙালী বিহুৰ শুভেচ্ছাৰে

বি.আৰ'চ ট্ৰেভেলচ্

এণ্ড

চাৰ্ভিচেজ

এয়াৰ টিকেট, ৰেল টিকেট, বাচ টিকেট, ইলেক্ট্ৰিচিটি বিল
পৰিশোধ, ডি টি এইচ ৰিচাৰ্জ, ফেক্স ইত্যাদি।

২৪, ভাগৰতী মাৰ্কেট, ওৱায়াৰলেচ, দিশপুৰ
ফোন নং: ০৩৬১-২২২৯৫৫৯৭, ৯৪৩৫১-১৯৭৫০, ৯৮৬৪৩-২২১০৪

বৃহত্তৰ ৰুক্মিণী নগৰ অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলনৰ কেইটিমান মুহূর্ত (২০১১ চন)

বিহু পতাকা উত্তোলন

বিহু পতাকা উত্তোলনৰ উদ্বোধনী গীত

স্মৃতি তর্পনৰ মুহূর্ত

বৃহত্তৰ ৰুক্মিণী নগৰ অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলনৰ কেইটিমান মুহূৰ্ত (২০১১ চন)

বিহু হুঁচৰি প্ৰদৰ্শন



বন্তি প্ৰজ্জ্বলনৰ মুহূৰ্ত

বড়ো নৃত্য প্ৰদৰ্শন

বৃহত্তৰ ৰুক্মিণী নগৰ অষ্টবিংশতিতম্ ৰঙালী বিহু সন্মিলনৰ কেইটিমান মুহূৰ্ত (২০১১ চন)

ৰূপালীম মহিলাচ'ৰাৰ জেং বিহু প্ৰদৰ্শন

হুঁচৰি প্ৰতিযোগিতাৰ দ্বিতীয় বিজয়ী দলটিক বটা প্ৰদান

শ্ৰেষ্ঠ বিহুৱাক বটা প্ৰদান

বৃহত্তৰ ৰুক্মিণী নগৰ উনত্ৰিংশতিতম্ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকলৰ একাংশ-২০১২ চন

স্মৰণিকা 'সাহোন'ৰ সম্পাদনা সমিতিৰ বিষয়ববীয়াসকল

ৰূপালীম মহিলাচ'ৰাৰ সদস্যাসকলৰ একাংশ

বৃহত্তৰ ৰুক্মিণী নগৰ উনত্ৰিংশতিতম্ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ কাৰ্যবাহী সদস্যসকলৰ একাংশ - ২০১২ চন

ৰঙালী বিহুৰ শুভেচ্ছাৰে...

ARIN TEA

বঢ়িয়া চাহ

Customer Care : 92074 10519
www.arintea.com

With Best Compliments from.....

0361-2611849 (O)
97075-88626 (M)
99540-33129 (M)

M/S LUIT LODGE

LASTGATE, DISPUR, GUWAHATI - 781006

LL

লুইত ল'জ

লাষ্টগেট, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

ONLY FOR LODGING
CUSTOMER SATISFACTION IS OUR MOTTO